
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল


**দিগ্‌দৰ্শন**



বাসনা পূৰণৰ চেষ্টা কৰাৰ পৰিৱৰ্তে মই সেইবোৰ সীমাৰদ্ধ কৰি সুখ উপভোগ কৰিবলৈ শিকিছো।

জন ষ্টুৱাৰ্ট মিল
*ব্ৰিটিছ ৰাজনীতিক*


www.dainikagradoot.in



৭ ২০ বছৰত যকৃত কৰ্কটত মৃত্যু ৫৫ শতাংশ পাব বৃদ্ধি
১৫ ৰাষ্ট্ৰীয় ক্ৰীড়াত জয়েৰে আৰম্ভণি শিৱ থাপাৰ
৪ দেশবাসীলৈ সম্প্ৰীতি-সমৃদ্ধি আৰু সমন্বয়ৰ বাৰ্তা



RNI-Regd No. 62953/96 ■ অষ্টাবিংশতিতম বছৰ ● ৩য় সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২১ আহিন ১৪২৯ ভাস্কৰাব্দ ৮ অক্টোবৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 8 October 2022 মূল্য ঃ ৯.০০ টকা



■ কেবিনেটৰ সিদ্ধান্ত ■ পঞ্চম আৰু অষ্টম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাত অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে হেৰুৱাব এটা শিক্ষাবৰ্ষ ■ সংগ্ৰহালয় স্থাপনৰে সংৰক্ষিত কৰা হ'ব প্ৰতিমা বৰুৱা পাণ্ডেৰ ঘৰ

# বিদ্যালয়ত পুনৰ 'পাছ-ফেইল' ব্যৱস্থা

■ কাৰ্বি লাংপিত ২৪ মেগাৱাট বিদ্যুৎ উৎপাদনক্ষম নতুন জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ সিদ্ধান্ত

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৭ অক্টোবৰ ঃ** ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহত পুনৰ আৰম্ভ হ'ব 'পাছ-ফেইল' ব্যৱস্থা। শিক্ষাৰ অধিকাৰ আইনৰ অধীনত বিদ্যালয়সমূহত অষ্টম শ্ৰেণীলৈকে সকলো ছাত্ৰ-ছাত্ৰীকে উত্তীৰ্ণ কৰি দিয়াৰ যি নিয়ম প্ৰৱৰ্তন কৰা হৈছিল এই ব্যৱস্থাৰ অৱসান ঘটাই এতিয়াৰে পৰা পঞ্চম শ্ৰেণী আৰু অষ্টম শ্ৰেণীত উত্তীৰ্ণ আৰু অনুত্তীৰ্ণ ব্যৱস্থাৰ প্ৰৱৰ্তনৰে বছৰেকীয়া পৰীক্ষা অনুষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি দিছপুৰত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত গ্ৰহণ কৰা এই সিদ্ধান্তৰ কথা সদৰী কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এক সংবাদমেলত কয় যে নিম্ন প্ৰাথমিক শ্ৰেণীত পঞ্চম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাত এতিয়াৰে পৰা সাধাৰণ জ্ঞান নথকা ছাত্ৰ-ছাত্ৰীক অনুত্তীৰ্ণ ঘোষণা কৰা হ'ব। একেদৰে উচ্চ প্ৰাথমিকত অষ্টম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাত অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক উচ্চ শ্ৰেণীত নামভৰ্তিৰ সুযোগ দিয়া নহ'ব। শিক্ষামন্ত্ৰীজনে কয় যে পঞ্চম আৰু অষ্টম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাত যদিহে কোনো ছাত্ৰ-ছাত্ৰী অনুত্তীৰ্ণ হয়, তেন্তে তেনে ছাত্ৰ-ছাত্ৰীৰ বাবে সংশ্লিষ্ট বিদ্যালয়ে পৰৱৰ্তী দুমাহৰ ভিতৰত পুনৰ এটা বিশেষ পৰীক্ষা অনুষ্ঠিত কৰিব। এই পৰীক্ষাটো অনুষ্ঠিত হোৱাৰ পূৰ্বে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক পুনৰ পাঠদান কৰি পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰাকৈ প্ৰস্তুত কৰি তুলিব লাগিব। দুমাহৰ পাছত অনুষ্ঠিত পৰীক্ষাতো যদিহে সংশ্লিষ্ট ছাত্ৰ-ছাত্ৰীসকলে অনুত্তীৰ্ণ হয়, তেন্তে তেওঁক একেটা *১০ পৃষ্ঠাত চাওক*

## অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° অমল ৰাজখোৱাৰ বিয়োগ



**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ৭ অক্টোবৰ ঃ** বিশিষ্ট সাহিত্যিক, ভাষাবিদ, অসম সাহিত্য সভাৰ দুটা কাৰ্যকালৰ প্ৰাক্তন প্ৰধান সম্পাদক, যোৰহাট মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অমল ৰাজখোৱা আৰু নাই। অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ তথা যোৰহাট *১০ পৃষ্ঠাত চাওক*

## ডিমৰীয়াত পৃথক পথ দুৰ্ঘটনাত নিহত চাৰি, আহত দুই

**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ৭ অক্টোবৰ ঃ** বিগত ২৪ ঘন্টাত বৃহত্তৰ ডিমৰীয়া অঞ্চলত পৃথকে পৃথকে সংঘটিত হোৱা কে'বাটাও পথ দুৰ্ঘটনাত চাৰিজনকৈ লোক নিহত হোৱাৰ বিপৰীতে আহত হয় দুজন। প্ৰথম দুৰ্ঘটনাটো সংঘটিত হয় *১০ পৃষ্ঠাত চাওক*



*কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক অসমলৈ আদৰণি মুখ্যমন্ত্ৰী-ৰাজ্যিক বিজেপিৰ সভাপতিৰ, মহানগৰীত শুকুৰবাৰে।*

■ বিমানকোঠত গৃহমন্ত্ৰী শ্বাহ-সভাপতি নড্ডাক বিপুল আদৰণি

## বিকাশ অধিক ত্বৰান্বিত কৰিবলৈ বানপানী মুক্ত হ'ব লাগিব অসম

■ কইনাধৰাত বানমুক্ত অসম-ৰাজ্যিক বিজেপিৰ শীৰ্ষ নীতি নিৰ্ধাৰণ সমিতিৰে বৈঠকত অংশগ্ৰহণ ■ আজি মুকলি কৰিব ৰাজ্যিক বিজেপিৰ নৱনিৰ্মিত মুখ্য কাৰ্যালয় ■ নটা জিলা কাৰ্যালয়-৭৫টা মণ্ডল কাৰ্যালয় কৰিব উদ্বোধন

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৭ অক্টোবৰ ঃ** অসমে যদি অধিক বিকাশ আৰু গুৰুত্বপূৰ্ণ ব্যক্তিগত বিনিয়োগ আকৰ্ষণ কৰিব বিচাৰে, তেন্তে বানপানীৰ পৰা মুক্ত হোৱাটো নিতান্তই প্ৰয়োজন। আজি এই মন্তব্য কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি গুৱাহাটীত উপস্থিত হোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে কইনাধৰা ৰাজ্যিক অতিথিশালাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা আৰু অন্যান্য বিষয়াবৰ্গৰ উপস্থিতিত 'বানমুক্ত অসম'ৰ এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি এইদৰে মন্তব্য কৰে। উল্লেখ্য যে ৰাজ্যখনে যাতে আগন্তুক দশকসমূহলৈকে বানপানীৰ পৰা সুৰক্ষা তথা মুক্ত হৈ থাকিব পাৰে, তাৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা যুগুত কৰাত গুৰুত্ব আৰোপ কৰি শ্বাহে বানমুক্ত অসম গঢ় দিবলৈ হ'লে হ্ৰস্বম্যাদী ব্যৱস্থাসমূহৰ পৰা চকু দূৰৈত ৰাখিব লাগিব বুলি কয়। মুখ্যমন্ত্ৰীকে ধৰি উপস্থিত অন্যান্য উচ্চবৰ্গৰ বিষয়াসকলৰ *১০ পৃষ্ঠাত চাওক*


■ সৰ্বকালৰ সৰ্বনিম্ন স্থানলৈ অৱনমিত টকাৰ মূল্য ■ খাৰুৱা তেলৰ আন্তৰ্জাতিক বজাৰ মূল্যবৃদ্ধি, মুদ্ৰাস্ফীতিৰ ঊৰ্দ্ধগামী হাৰে কঁপাইছে দেশৰ অৰ্থনীতি ■ শ্বেয়াৰ বজাৰত প্ৰভাৱ

## ডলাৰৰ বিপৰীতে টকা হ'লগৈ ৮২.৩২



■ **নিউজ ব্যুৰ'**
**মুম্বাই, ৭ অক্টোবৰ ঃ** দেশৰ অৰ্থনীতিলৈ অশনি সংকেত কঢ়িয়াই আন্তৰ্জাতিক বজাৰত প্ৰতিদিনে অৱনমিত হৈছে টকাৰ মূল্য। মাৰ্কিন ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য আজি অভিলেখসংখ্যক ৮২.৩২ টকালৈ হ্ৰাস পায়। বিগত কেইদিনমান ধৰি ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য দৈনিক নিম্নগামী হোৱাৰ পাছত আজিৰ দিনটোত প্ৰতি মাৰ্কিন ডলাৰৰ বিপৰীতে টকাৰ মূল্য পুনৰ ১৫ পইচা হ্ৰাস পায়। আজি ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য স্থিৰ হয় সৰ্বকালৰ সৰ্বনিম্ন ৮২.৩২ টকাত। শ্বেয়াৰ বজাৰৰ স'তে জড়িত ব্যৱসায়ী মহলৰ মতে, মাৰ্কিন শ্বেয়াৰ বজাৰত বণ্ডৰ দাম বৃদ্ধি আৰু আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য ঊৰ্ধ্বগামী হোৱাৰ সূত্ৰে ভাৰতীয় টকাৰ মূল্যৰ ওপৰত ইয়াৰ সম্পূৰ্ণ প্ৰভাৱ পৰিছে। কালি মাৰ্কিন ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য ৮১.৮৯ত স্থিৰ হোৱাৰ বিপৰীতে আজি এই মূল্যই সৰ্বকালৰ অভিলেখ ভংগ কৰে। আজি পুৱা শ্বেয়াৰ বজাৰ মুকলিৰ সময়ত প্ৰতি ডলাৰৰ বিপৰীতে ৮২.১৯ টকাকৈ লেনদেন হৈছিল যদিও বিয়লিলৈ এই মূল্য ৮২.৩২ টকালৈ অৱনমিত হয়। উল্লেখ্য যে ভাৰতীয় অৰ্থনীতিত ক্ৰমবৰ্ধমান মুদ্ৰাস্ফীতিৰ হাৰ আৰু ৰাজনৈতিক পৰিস্থিতিয়েও পূৰ্ণ প্ৰভাৱ *১০ পৃষ্ঠাত চাওক*

## নাৰেংগী সেনা ছাউনীতে প্ৰেম প্ৰত্যাখ্যান কৰা যুৱতীক ছুৰিকাঘাত



**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৭ অক্টোবৰ ঃ** মহানগৰীৰ সাতগাঁও আৰক্ষী থানাৰ অন্তৰ্গত নাৰেংগী সেনা ছাউনীত কালি সন্ধিয়া এগৰাকী যুৱতীক এজন যুৱকে উপৰ্যুপৰি *১০ পৃষ্ঠাত চাওক*

■ পৃষ্ঠাপ্ৰমুখৰ সমান্তৰালভাৱে এইবাৰ গঠন হ'ব বিজেপিৰ পৃষ্ঠাসমিতি

## আগন্তুক পঞ্চায়ত-লোকসভা নিৰ্বাচনক কেন্দ্ৰ কৰি একাধিক গুৰুত্বপূৰ্ণ সিদ্ধান্ত

উত্থাপনৰ পাছতো আলোচনা নহ'ল জনজাতিকৰণৰ প্ৰসংগ ঃ আগমনৰ পথত তৃণমূলৰ ক'লা পতাকা

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৭ অক্টোবৰ ঃ** আগন্তুক পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনক কেন্দ্ৰ কৰি বিজেপিয়ে বৃদ্ধি কৰিছে সাংগঠনিক তৎপৰতা। আজি দলৰ ৰাষ্ট্ৰীয় সভাপতি জগৎ প্ৰকাশ নড্ডা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত *আঠ পৃষ্ঠাত চাওক*



## প্ৰশাসনীয় কাম-কাজত কাগজবিহীন হ'ব ৰাজ্যিক বিশ্ববিদ্যালয়-মহাবিদ্যালয়

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৭ অক্টোবৰ ঃ** অহা ১৫ অক্টোবৰৰ পৰা অসমৰ আটাইকেইখন ৰাজ্যিক বিশ্ববিদ্যালয়, চৰকাৰী আৰু প্ৰাদেশিকীকৃত সকলো মহাবিদ্যালয়ৰ প্ৰশাসনিক কাম-কাজ 'ই' ব্যৱস্থাৰে সম্পন্ন কৰাৰ নিৰ্দেশ জাৰি কৰা হৈছে। তাৰ পূৰ্বে এই সংক্ৰান্তীয় সকলো ব্যৱস্থা শিক্ষানুষ্ঠানসমূহক গঢ়ি তুলিবলৈ উচ্চ শিক্ষা *১০ পৃষ্ঠাত চাওক*

■ বেলাৰুছৰ মানৱাধিকাৰ কৰ্মী কাৰাবন্দী এলেছ বিয়ালিয়াটস্কিৰ লগতে ইউক্ৰেইন আৰু ৰাছিয়াৰ দুই সংগঠনলৈ দৃষ্টান্তমূলক স্বীকৃতি

## সংঘৰ্ষজৰ্জৰ তিনি চুবুৰীয়া দেশৰ মানৱাধিকাৰ কৰ্মীলৈ শান্তিৰ ন'বেল

■ ন'বেল বঁটাৰ বিশ্বমঞ্চত একেলগ হ'ব ৰাছিয়া-ইউক্ৰেইন ■ সাধাৰণ মানুহৰ মৌলিক অধিকাৰ ৰক্ষাৰ ধ্বজাবাহীলৈ এইবাৰৰ শান্তিৰ ন'বেল বঁটা




■ **নিউজ ব্যুৰ'**
**অছল' (নৰৱে), ৭ অক্টোবৰ ঃ** শান্তিৰ ন'বেল বঁটা লাভ কৰিলে বেলাৰুছৰ কাৰাবন্দী মানৱাধিকাৰ কৰ্মী এলেছ বিয়ালিয়াটস্কিয়ে। নৰৱেৰ ন'বেল কমিটীয়ে ২০২২ৰ শান্তিৰ ন'বেল বঁটা প্ৰাপকৰূপে আজি তেওঁৰ নাম ঘোষণা কৰে। এলেছৰ স'তে যুটীয়াভাৱে ৰাছিয়াৰ মানৱাধিকাৰ সংস্থা 'মেম'ৰিয়েল' আৰু ইউক্ৰেইনৰ মানৱাধিকাৰ সংস্থা 'চেণ্টাৰ ফৰ চিভিল লিবাৰ্টিজ'ক এই ২০২২ৰ শান্তিৰ ন'বেল বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। ৰুছ *১০ পৃষ্ঠাত চাওক*

## চৰাইদেউৰ শ্ৰমিক দম্পতী হত্যাৰ মূল অভিযুক্ত ধৃত



**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ৭ অক্টোবৰ ঃ** চৰাইদেউ জিলাৰ শ্ৰমিক দম্পতীক নৃশংসভাৱে ঘপিয়াই হত্যা *১০ পৃষ্ঠাত চাওক*




| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২° | ২৪° |
| ডিব্ৰুগড় | ২৮° | ২৩° |
| দিল্লী | ২৭° | ২২° |
| কলকাতা | ৩২° | ২৫° |
| মুম্বাই | ২৭° | ২৬° |
| চেন্নাই | ২৯° | ২৬° |
| বাংগালুৰু | ২৭° | ১৮° |
| শ্বিলং | ২২° | ১৭° |

*৭ অক্টোবৰ, ২০২২*

■ স্বাস্থ্য খণ্ডৰ পয়ালগা স্বৰূপক লৈ দিনে দিনে বৃদ্ধি পাইছে ক্ষোভ ■ অসুস্থ পিতৃ-মাতৃ

## প্ৰতিভাশালী কিশোৰী শিল্পী তেজস্বিতালৈ মাজুলীৰ দল-সংগঠনৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি



**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ৭ অক্টোবৰ ঃ** কম বয়সতে সুকণ্ঠৰে সহস্ৰজনক মোহিত কৰা মাজুলীৰ কিশোৰী শিল্পী তেজস্বিতা বৰুৱাৰ অকাল মৃত্যুৱে আজিও শোকস্তব্ধ কৰি ৰাখিছে নদীদ্বীপটোৰ পৰিৱেশ। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা দল-সংগঠনে মাজুলীৰ কন্যাগৰাকীৰ স্মৃতিত *১০ পৃষ্ঠাত চাওক*

■ চোৰাং স্বৰ্ণ সৰবৰাহৰ কৰিড'ৰত পৰিণত হৈছে ৰাজ্য ■ ম্যানমাৰ-বাংলাদেশ সীমান্তৰে অসমৰ মাজেদি পাৰ হয় চোৰাং সোণৰ ভাণ্ডাৰ ■ সোণেৰে সজোৱা পাৰ্টছ লগায় বাহনত

## এমাহতে ১২১ কিলোগ্ৰাম চোৰাং সোণ জব্দ



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৭ অক্টোবৰ ঃ** দক্ষিণ-পূব এছিয়াৰ ভিন্ন বিদেশ ৰাষ্ট্ৰৰ বাবে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ভূখণ্ড হৈ পৰিছে সুৰক্ষিত চোৰাং সোণ সৰবৰাহৰ সুগম পথ। প্ৰায় প্ৰতিদিনে ম্যানমাৰ বা বাংলাদেশৰ সীমান্তৰে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ভিন্ন ৰাজ্যৰ মাজেৰে দেশৰ বিভিন্ন ৰাজ্যলৈ চোৰাংকৈ সৰবৰাহ হৈছে মূল্যৱান সোণৰ টুকুৰা। কলকাতা, মুম্বাই, ছুৰাট আদিকে ধৰি দেশৰ কে'বাখনো চহৰৰ স্বৰ্ণ ব্যৱসায়ীৰ বাবে আশীৰ্বাদ স্বৰূপ হৈ পৰিছে অসমৰ মাজেৰে সৰবৰাহ হোৱা বিদেশৰ পৰা অনা চোৰাং সোণ। কাপোৰৰ টোপোলাৰ মাজত সোণৰ টুকুৰা ভৰাই গুৱাহাটীৰ পৰা কুৰিয়াৰ সেৱাযোগে যদিহে মুম্বাইলৈ সোণৰ টুকুৰা প্ৰেৰণ কৰা হৈছে, আন কেতিয়াবা আকৌ চোৰাং সোণেৰে গাড়ীৰ চেছিছৰ সমান্তৰালকৈ দীঘলীয়া পাইপ বনাই ৰং *১০ পৃষ্ঠাত চাওক*

## সন্ধান নাই পৰ্বতাৰোহী দীপশিখাৰ, পিতৃ-ভ্ৰাতৃ উত্তৰাখণ্ডত

**নিউজ ব্যুৰ'/ষ্টাফ ৰিপৰ্টাৰ**
**উত্তৰাখণ্ড/গুৱাহাটী, ৭ অক্টোবৰ ঃ** আজিও শুংসূত্ৰ ওলোৱা নাই পৰ্বাতাৰোহণৰ উচ্চ প্ৰশিক্ষণ ল'বলৈ গৈ উত্তৰাখণ্ডত হিমালয়ৰ বুকুত সন্ধানহীন হোৱা অসমৰ যুৱতী দীপশিখা *১০ পৃষ্ঠাত চাওক*


## চেঙা তেল



*সব কাম বিলাক যেতিয়া এজন-দুজনেই কৰিছে, আমি আৰু কিমান হামিয়াই-হিকতিয়াই থাকিম!*

■ বাংলাদেশৰ টকা ভাৰতীয় টকালৈ সলনি কৰি অসমত ব্যৱহাৰ ■ গোৱালপাৰাত টকাৰ ব্যাপক ব্যৱহাৰ এবিটিৰ ■ এনআইএসহ একাধিক তদন্তকাৰী সংস্থাৰ অনুসন্ধানত পোহৰলৈ

## বাংলাদেশী মুদ্ৰা ব্যৱহাৰ কৰিছে জেহাদীয়ে



**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৭ অক্টোবৰ ঃ** বাংলাদেশৰ টকা ভাৰতীয় মুদ্ৰা টকালৈ পৰিৱৰ্তন কৰি জেহাদী সংগঠন আনছাৰুল্লাহ বাংলা টীম (এবিটি)-এ গোৱালপাৰাক কেন্দ্ৰ কৰি পশ্চিম অসমত ব্যয় কৰাৰ তথ্য পোহৰলৈ আহিছে। তাৰে পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (এনআইএ)ই কে'বাটাও সহযোগী নিৰাপত্তা আৰু অৰ্থনৈতিক সংস্থাৰ সহযোগত অসম আৰক্ষীৰ কে'বাটাও গোচৰৰ নিজাববীয়াকৈ তদন্ত আৰম্ভ কৰিছে। তাৰ বাবে শেহতীয়াকৈ মাটিয়া আৰক্ষী থানাত ১০৫/২০২২ নম্বৰত ৰুজু হৈ থকা গোচৰটোৰ পাঁচজন অভিযুক্তক গ্ৰেপ্তাৰ কৰি সংস্থাটোৱে নিজাকৈ ৩/২০২২ নম্বৰত আন এটা গোচৰ ৰুজু কৰিছে। এই গোচৰটোৰ সন্দৰ্ভত পোহৰলৈ অহা তথ্য অনুসৰি বৰপেটাক অভিকেন্দ্ৰ কৰি এবিটিয়ে অসমত জেহাদী কাৰ্যকলাপ চলোৱাৰ দ্বিতীয় তথা বিকল্প অভিকেন্দ্ৰৰূপে গঢ়ি তুলিছিল গোৱালপাৰাক। সেই সূত্ৰে *১০ পৃষ্ঠাত চাওক*

■ দুহেজাৰ বিঘা মাটিত উচ্ছেদৰ জাননী দিয়ে দায়িত্ব সামৰিলে কামৰূপ জিলা প্ৰশাসনে ■ মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিৰ ৰাইজৰ ক্ষোভ

## পথাৰত বেদখলকাৰীয়ে ছটিওৱা কীটনাশকযুক্ত ঘাঁহ খাই পশুধনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ৭ অক্টোবৰ ঃ** চৰণীয়া পথাৰত বিষাক্ত দ্ৰব্য ছটিয়াই উত্তৰ গুৱাহাটীৰ লেঙা অঞ্চলৰ থলুৱা পশুপালকৰ ওপৰত জঘন্য আক্ৰমণ চলালে সন্দেহযুক্ত নাগৰিকে। ঘাঁহনি পথাৰত এৰাল দিয়া পশুধনে এনে বিষাক্ত দ্ৰব্য ছটিওৱা ঘাঁহ খাই কৰুণ মৃত্যুৰ সন্মুখীন হোৱাৰ ঘটনাই ক্ষুব্ধ কৰি তুলিছে স্থানীয় ৰাইজক। অঞ্চলটোৰ খেতিয়ক ৰাইজে অভিযোগ কৰা মতে, লেঙাৰ চৰণীয়া পথাৰ তথা ৰিজাৰ্ভ ভূমিত স্থানীয় লোকসকলে পূৰ্বৰে পৰাই গৰু এৰাল দি আহিছে। শেহতীয়াকৈ একাংশ সন্দেহযুক্ত নাগৰিকে স্থানীয় কৃষকৰ পৰা চৰৰ কৃষিভূমি খেতি কৰাৰ বাবে ভাড়ালৈ লৈ তাত বসবাস আৰম্ভ কৰাৰ লগতে থলুৱা লোকৰ পশুধন চুৰি অথবা বলপূৰ্বকভাৱে কাঢ়ি নিয়াৰ ঘটনাও সংঘটিত হৈছে। সন্দেহযুক্ত নাগৰিকৰ এনে অতপালিত অতিষ্ঠ হৈ স্থানীয় লোকে কামৰূপ জিলা প্ৰশাসনক অভিযোগ দাখিল কৰিছিল। এই অভিযোগৰ *১০ পৃষ্ঠাত চাওক*

## দেৰগাঁৱত অব্যাহত আছে চোৰাং গৰুৰ বৃহৎ ছিণ্ডিকেট

### স্থানীয় লোকে জব্দ কৰিলে ১৮টা গৰু

অগ্ৰদূত বাৰ্তা

**দেৰগাঁও, ৭ অক্টোবৰ ঃ** চৰকাৰে গো ছিণ্ডিকেটৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিলেও ৰাজ্যৰ ভিন্ন প্ৰান্তত অব্যাহত আছে গৰুৰ চোৰাং ব্যৱসায়। দেৰগাঁৱৰ দিছে অঞ্চলত উদ্বেগজনকভাৱে প্ৰশাসনক অংগুষ্ঠ ছয় পৃষ্ঠাত চাওক

## আক্ৰমণকাৰী যুৱকক আটক

# সত্ৰনগৰী ৰামদিয়াত নিশা পিতা-পুত্ৰক চোকা অস্ত্ৰৰে আক্ৰমণ



অগ্ৰদূত বাৰ্তা

**হাজো, ৭ অক্টোবৰ ঃ** কামৰূপ জিলাৰ হাজোৰ সত্ৰনগৰী ৰামদিয়াত নিশা এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। ঘটনা সন্দৰ্ভত জানিব পৰা অনুসৰি, ৰামদিয়া উজানকুৰি ধাকুৰাপাৰাৰ পিতা-পুত্ৰক চোকা অস্ত্ৰৰে আক্ৰমণ একেখন গাঁৱৰ মনোজ ভৰালী (৩৮) নামৰ এজন লোকে। ৰামদিয়া উজানকুৰি ধাকুৰাপাৰাত সংঘটিত হৈছে এই নৃশংস কাণ্ড। গাঁওখনৰ সমীপতে চলি থকা শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ অনুষ্ঠানৰ পৰা ঘৰলৈ উভতি অহা ৰতন ডেকা (৩৮) আৰু তেওঁৰ ১৪ বছৰীয়া পুত্ৰ নয়নজ্যোতি ডেকাক পূৰ্বৰ পৰা খাপ পিটি থকা একেখন গাঁৱৰে মনোজ ভৰালীয়ে চোকা অস্ত্ৰৰে উপৰ্যুপৰি আক্ৰমণ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। আহত দুয়োজনকে হাজো বিষ্ণুৰাম মেধি চিকিৎসালয়ত নিশাই ভৰ্তি কৰোৱা হয় যদিও উন্নত চিকিৎসাৰ বাবে জিএমচি হাস্পতাললৈ প্ৰেৰণ কৰা হয়। আনহাতে, আহত ৰতন ডেকাৰ ঘৰৰ চৌহদত প্ৰৱেশ কৰি দুচকীয়া বাহনতো আক্ৰমণ কৰে মনোজ ভৰালী নামৰ লোকজনে। ঘটনা সন্দৰ্ভত ৰামদিয়া আৰক্ষীয়ে অভিযুক্ত মনোজক নিজ গৃহৰ পৰা আটক কৰি সোধপোছ অব্যাহত ৰাখিছে।

## অবিভক্ত জিলাত বহু প্ৰাচীন ঐতিহ্য-পুৰাতাত্ত্বিক সম্পদ আজিও অৱহেলিত

# নগাঁৱত গঢ়ি উঠা নাই পৰ্যটন উদ্যোগ

বিশেষ সংবাদদাতা

**নগাঁও, ৭ অক্টোবৰ ঃ** অবিভক্ত নগাঁও জিলাৰ বিভিন্ন ঠাই বহু প্ৰাচীন ঐতিহ্য-পুৰাতাত্ত্বিক সম্পদ, ঐতিহাসিক কীৰ্তিচিহ্নৰে সমৃদ্ধ। তদুপৰি প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰেও ভৰপূৰ। ইয়াৰ জৰিয়তে অবিভক্ত জিলাখনত পৰ্যটন উদ্যোগ গঢ়ি তোলাৰ অপাৰ সম্ভাৱনা আছে যদিও আজি পৰ্যন্ত পৰ্যটন বিভাগৰ সুদৃষ্টিৰ আওতাৰ পৰা বাহিৰত থাকিব লগা হৈছে অবিভক্ত নগাঁও জিলাৰ বহু গুৰুত্বপূৰ্ণ সম্পদ। যাৰ পৰিপ্ৰেক্ষিতত জিলাখনত পৰ্যটন উদ্যোগ গঢ়ি তোলাৰ অপাৰ সম্ভাৱনা থকা সত্ত্বেও আজিকোপতি সেয়া সম্ভৱ হৈ উঠা নাই। সংশ্লিষ্ট কৰ্তৃপক্ষৰ হেমাহিৰ বাবেই জিলাখনৰ য'ত-ত'ত সিঁচৰতি হৈ থকা ঐতিহাসিক, সাংস্কৃতিক ঐতিহ্যসমূহ ক্ৰমান্বয়ে বিস্মৃতিৰ গৰ্ভত বিলীন যাবলৈ ধৰা পৰিলক্ষিত হৈছে। নগাঁও চহৰৰ পৰা মাত্ৰ ১৯ কিলোমিটাৰ নিলগত অৱস্থিত বটদ্ৰৱা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মস্থান। অসমীয়া সাহিত্য, কলা-সংস্কৃতিৰ পীঠস্থান বটদ্ৰৱাৰ কীৰ্তনঘৰ, পদশিলা, দৌল মন্দিৰ, আকাশী গংগা, সতী ৰাধিকাৰ স্মৃতি বিজড়িত জলধাৰ শান্তিজান, সতী ৰাধিকা মন্দিৰ, সাঁচিপাতৰ পুথি, বিভিন্ন ভাস্কৰ্য আজিও দেশ-বিদেশৰ পৰ্যটকৰ বাবে পৰম বিস্ময়। কিন্তু দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰিব পৰাকৈ বটদ্ৰৱাক যেনে ধৰণে গঢ়ি তুলিব লাগিছিল সেয়া আজি পৰ্যন্ত হৈ উঠা নাই। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰীবটদ্ৰৱা থানলৈ বুলি দেশ-বিদেশৰ পৰ্যটক, তীৰ্থযাত্ৰী, দৰ্শনাৰ্থী, গৱেষক আদি আহিব লগা একমাত্ৰ গড়কাপ্তানী পথটোও আজি পৰ্যন্ত যাতায়াতৰ বাবে সুচল হৈ নুঠিল। ইতিহাস প্ৰসিদ্ধ থানখনলৈ অহা একমাত্ৰ প্ৰধান পথ নগাঁও-ধিং গড়কাপ্তানী পথটো ইমানেই বিধ্বস্ত হৈ পৰিছে যে পথটোৰ বাবেই থানখনলৈ অহা লোকৰ সংখ্যা পূৰ্বৰ তুলনাত কিছু হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ ৰাজ্য চৰকাৰে বটদ্ৰৱাক লৈ ১৮৮ কোটি টকা ব্যয় সাপেক্ষ ১৬০ বিঘা মাটিত এক বৃহৎ প্ৰকল্প আৰম্ভ কৰিছে। বিগত ২০২১ৰ ২৫ ফেব্ৰুৱাৰীত এক আড়ম্বৰপূৰ্ণ ছয় পৃষ্ঠাত চাওক



## কৃত্ৰিম বানত জলমগ্ন দেৰগাঁও উচ্চ বুনিয়াদী বালিকা বিদ্যালয়



অগ্ৰদূত বাৰ্তা

**দেৰগাঁও, ৭ অক্টোবৰ ঃ** মুষলধাৰ বৰষুণৰ ফলত কৃত্ৰিম বানৰ সৃষ্টি হৈ দেৰগাঁৱৰ বহুকেইটা জনবসতি অঞ্চল ডুব গৈ এক অবৰ্ণনীয় পৰিৱেশৰ সৃষ্টি হৈছে। দেৰগাঁৱৰ মিলনপুৰ, চকিয়াল চুকৰ লগতে অতিব্যস্ত নাৰিকলগুৰি চাৰিআলিৰ পৰা থানা সন্মুখ ভাগ পানীত ডুব যায়। দেৰগাঁৱৰ নাৰিকলগুৰিস্থিত অগ্ৰণী শিক্ষানুষ্ঠান দেৰগাঁও উচ্চ বুনিয়াদী বালিকা বিদ্যালয়ৰ চৌহদৰ ভিতৰত কৃত্ৰিম বানৰ বাবেই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। বিদ্যালয়ৰ চৌহদৰ লগতে ৰান্ধনিঘৰ সম্পূৰ্ণৰূপে জলমগ্ন হৈ পৰে। চৌহদত একাঁঠু পৰ্যন্ত পানী হোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। আনহাতে, কাষৰীয়া বস্তি আহমেদকে ধৰি কে'বাটাও পৰিয়ালৰ বাসগৃহত পানী সোমাই এক অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হয়। নলা-নৰ্দমাৰ পৰা অহা অতি লেতেৰা পানীসমূহ ঘৰৰ ভিতৰত সোমোৱাত এক দুৰ্গন্ধময় পৰিৱেশত সময় অতিবাহিত কৰিছে বাসিন্দাসকলে। উল্লেখ্য যে ছয় পৃষ্ঠাত চাওক

## অসম কৃষি বিশ্ববিদ্যালয়তো শিক্ষাৰ্থীৰ বাবে বাধ্যতামূলক হ'ব ধ্যান-যোগাসন পাঠ্যক্ৰম

### দেশৰ কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য সন্মিলনত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৭ অক্টোবৰ ঃ** নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত অসম কৃষি বিশ্ববিদ্যালয়ত এতিয়াৰে পৰা হ্ৰস্বম্যাদী যোগ আৰু ধ্যান পাঠ্যক্ৰম বাধ্যতামূলক হ'ব। তিনি সপ্তাহ সময়ৰ এই পাঠ্যক্ৰম এতিয়াৰে পৰা কৃষি শিক্ষাৰ্থীসকলে গ্ৰহণ কৰিব লাগিব। ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ সংলগ্ন বিশ্ববিদ্যালয়সমূহত যোগ প্ৰৱৰ্তনৰ বাবে ইতিমধ্যে কমলেশ ডি পেটেল দাজি, হাৰ্টফুলনেছ এডুকেছন ট্ৰাষ্টৰ স'তে এক বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হৈছে। হায়দৰাবাদৰ কানহা শান্তিদানমত হৈ যোৱা কৃষি বিশ্ববিদ্যালয়সমূহৰ উপাচাৰ্য সন্মিলনত অংশগ্ৰহণ কৰি ঘূৰি অহাৰ পাছত এই বিষয়ে সদৰী কৰিছে কৃষি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই। তদুপৰি ৰাষ্ট্ৰীয় শিক্ষা নীতি (এনইপি)-২০২০ অনুসৰি পুনৰ্গঠন কৰা ইউ জিৰ পাঠ্যক্ৰম দক্ষতা বিকাশৰ কৰ্মসূচীৰ দৰেই অসম কৃষি বিশ্ববিদ্যালয়ে মনোনিৱেশ কৰিবলৈ আগবাঢ়িছে। যোৱা এক অক্টোবৰত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ হৈ ড° আৰ চি আগৰৱালাই হাৰ্টফুলনেছ মুখ্য কাৰ্যালয়ত বিশ্বৰ সৰ্ববৃহৎ মেডিটেচন হল কানহা শান্তিদানমৰ স'তে চুক্তিত স্বাক্ষৰ কৰে। ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ উপ-সঞ্চালক প্ৰধান (কৃষি) ডাঃ আৰ চি আগৰৱালে এই সন্মিলনৰ বক্তব্যত প্ৰাকৃতিক কৃষিক অধিক প্ৰকাৰে উৎসাহিত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক ফেল'শ্বিপ প্ৰদান, প্ৰাকৃতিক কৃষিৰ স'তে জড়িত উদ্যোগীকৰণৰ বিকাশ, বেকআপ আৰু ফৰৱাৰ্ড লিংকেজৰ ব্যৱস্থা কৰাৰ লগতে প্ৰাকৃতিক কৃষিৰ ওপৰত অধিক জনশক্তি আৰু কৃষকক প্ৰশিক্ষণ দিবলৈ কৃষি বিজ্ঞান কেন্দ্ৰসমূহক এই কামৰ দায়িত্ব অৰ্পণ কৰি ভাৰতৰ বহু স্থানত প্ৰাকৃতিক কৃষিৰ ছয় পৃষ্ঠাত চাওক

## বৰহোলা-নগাবাট-বেকাজানত অবৈধ সুৰাৰ অবাধ প্ৰচলন

### শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ অভিযোগ ৰাইজৰ

বিশেষ সংবাদদাতা

**নগাবাট, ৭ অক্টোবৰ ঃ** স্থানীয় আৰক্ষী আৰু আৱকাৰী বিভাগৰ অকৰ্মন্যতাৰ বাবে এতিয়া তিতাবৰ মহকুমাৰ বৰহোলা আৰক্ষী থানাৰ অন্তৰ্গত বৃহত্তৰ নগাবাট, বেকাজান, ইকৰাণি আদি অঞ্চলৰ কে'বাখনো গাঁৱত নিৰ্বিঘ্নে চলিছে অবৈধ সুৰাৰ মুক্ত বেহা। প্ৰকৃতাৰ্থত বৃহত্তৰ অঞ্চলকেইটাৰ অবৈধ সুৰাৰ বেহা ৰোধ কৰাত আৰক্ষী প্ৰশাসন দুৰ্ভাগ্যজনকভাৱে ব্যৰ্থ হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় সচেতন ৰাইজে। গ্ৰামাঞ্চলৰ কথা বাদেই খোদ বৰহোলা চহৰৰ মাজমজিয়াতে এতিয়া অবৈধ সুৰাৰ দোকান ইমানেই বৃদ্ধি পাইছে যে চহৰখনৰ একাংশ যুৱকে দিন-দুপৰতে সুৰাৰ নিচাত মচগুল হৈ থকা দৃশ্যবোৰে শৈক্ষিক সমাজৰ মূৰৰ কামুৰণিৰ সৃষ্টি কৰিছে। বৰহোলাৰ ইকৰাণি, বচা, ৰজাবাৰী, গাহৰিচোৱা আদিৰ ছয় পৃষ্ঠাত চাওক

## সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বিশেষ উদ্যোগত

## সাহিত্যিক পেঞ্চনাৰ মৃণালী চেতিয়াৰ অভিনন্দন গ্ৰন্থ উন্মোচন



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৭ অক্টোবৰ ঃ** সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ জী নাতি, সুলেখিকা মৃণালী চেতিয়াৰ বৰ্ণিল জীৱন কৃতিক সামৰি আজি তেজপুৰত উন্মোচন কৰা হয় এখন অভিনন্দন গ্ৰন্থ। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ তেজপুৰস্থিত কেন্দ্ৰীয় কাৰ্যালয়ত আজি তেজপুৰৰ বিশিষ্ট ব্যক্তি আৰু বিভিন্ন অনুষ্ঠানৰ বিষয়ববীয়াৰ উপস্থিতিত উন্মোচিত হয় 'প্ৰজ্ঞা ভাৰতী মৃণালী চেতিয়া অভিনন্দন গ্ৰন্থ'খন। উল্লেখ্য যে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ১৯৭৪ত প্ৰতিষ্ঠাৰ অন্যতম কাণ্ডাৰী, ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটাপ্ৰাপক, প্ৰবীণ লেখিকা তথা সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ জী নাতি মৃণালী চেতিয়াৰ এই অভিনন্দন গ্ৰন্থখন সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ছয় পৃষ্ঠাত চাওক

### সম্প্ৰীতিৰ মিলনভুমিত পৰিণত হ'ব লক্ষ্মী পূজাৰ স্থলী

## ডিমাকুছিৰ সোণাজুলিত লক্ষ্মী পূজাৰ ব্যাপক প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**টংলা, ৭ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ ডিমাকুছিৰ এক নম্বৰ সোণাজুলি গোড় বস্তিত শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ আৰু লক্ষ্মী পূজা পৰিচালনা সমিতিৰ উদ্যোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অহা ন অক্টোবৰত অনুষ্ঠিত হ'ব সাৰ্বজনীন শ্ৰীশ্ৰীমহা লক্ষ্মী পূজা। অনুষ্ঠানটো সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বৃহত্তৰ ডিমাকুছিৰ সোণাজুলিবাসী ৰাইজে অলপতে এক নম্বৰ সোণাজুলি গোড় সমাজৰ হৈ সুৰেশ গোৱালাক সভাপতি, জয়সিং গোড়ক সম্পাদক, ৰোহিত গোড়ক সভাপতি, ৰাকেশ দাসক লক্ষ্মী পূজা পৰিচালনা সমিতি গঠন কৰি দিয়ে। উদ্‌যাপন সমিতিৰ বিশেষ বিষয়ববীয়া গকুল নাথ, ৰত্নেশ্বৰ বড়ো আৰু গোবিন্দ শৰ্মাই জনোৱা মতে, সেই দিনা পুৱা চাফাই অভিযানেৰে অনুষ্ঠানৰ আৰম্ভ হ'ব। ইয়াৰ পাছতে বৃক্ষৰোপণ কৰিব বিশিষ্ট সমাজসেৱক দিলিপ শৰ্মাই। পুৱা ন বজাত অনুষ্ঠিত হ'ব বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা। দিনৰ ১২ বজাত অনুষ্ঠিত হ'ব ক্ৰমে আকস্মিক বক্তৃতা, কুইজ, কবিতা আবৃত্তি প্ৰতিযোগিতা। বিয়লি তিনি বজাত শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ প্ৰতিমা স্থাপন কৰিব। বিয়লি ৩.৩০ বজাত আৰতি আৰু পূজা আৰম্ভ হ'ব। সন্ধিয়া ছয় বজাত অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক মঞ্চ আৰু বঁটা ছয় পৃষ্ঠাত চাওক

# শালকোচাত আৰক্ষীৰ বৰ্বৰতা

## শালকোচা আৰক্ষীৰ লাঠিৰ কোবত মূৰ ফালিল ছয় বছৰীয়া কন্যা শিশুৰ



অগ্ৰদূত বাৰ্তা

**চাপৰ, ৭ অক্টোবৰ ঃ** শালকোচা আৰক্ষীৰ বৰ্বৰতাই পুনৰবাৰ লজ্জানত কৰিলে অসম আৰক্ষীক। যি সময়ত অসম আৰক্ষীৰ বৰমূৰীয়াসকলে অসম আৰক্ষীক স্মাৰ্ট আৰু জনদৰদী হিচাপে গঢ়ি তোলা বুলি আস্ফালন কৰি আছে সেই সময়তে আজি বিয়লি প্ৰায় চাৰি বজাত শালকোচা আৰক্ষী চকীৰ সন্মুখতে এজন হাবিলদাৰে এটি ছয় বছৰীয়া নিষ্পাপ কন্যা শিশুক বৰ্বৰভাৱে প্ৰহাৰ কৰাত শিশুটি গুৰুতৰভাৱে আহত হোৱাত অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে চাপৰৰ মৌৱাটাৰীৰ বাসিন্দা য়াকুব আলীয়ে নিজৰ পত্নী মুৰ্চিদা খাতুন আৰু তেওঁলোকৰ ছয় বছৰীয়া কন্যা স্মিতা খাতুনসহ নিজৰ মটৰ ছয় পৃষ্ঠাত চাওক

## কৰ্মৰ সন্ধানত বাংগালুৰুলৈ যোৱা ব্যক্তি সন্ধানহীন

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ৭ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ ধলা আৰক্ষী থানাৰ অন্তৰ্গত আৰৈমূৰীয়া গাঁৱৰ নিবাসী উৎপল সোণোৱালে (৪০) কৰ্ম সূত্ৰে যোৱা ২৭ ছেপ্টেম্বৰত নিউ তিনিচুকীয়া জংছনৰ পৰা ৰেলেৰে বাংগালুৰুলৈ গৈ থকাৰ পৰা সন্ধানহীন হৈ পৰাত পৰিয়ালটোত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ঘটনাৰ বিৱৰণি মতে, উৎপল নামৰ লোকজনে এজন বন্ধুৰ স'তে কৰ্মৰ সন্ধানত ৰেলযোগে বাংগালুৰুলৈ ছয় পৃষ্ঠাত চাওক

## পিষ্টলসহ তালাপত দুজন যুৱক আটক



অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ৭ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ তালাপত আজি পিষ্টলসহ দুজন যুৱকক আৰক্ষীয়ে আটক কৰে। তালাপ বাইপাছত গোপন সূত্ৰৰ পম খেদি আৰক্ষীয়ে অভিযান চলাই এটা পইণ্ট ২২ পিষ্টলসহ মধু মৰাণ (২০) আৰু বিমান মৰাণ (২২) নামৰ দুজন যুৱকক গ্ৰেপ্তাৰ কৰে। ধৃত যুৱক দুজনৰ ঘৰ বৰদুমচাত বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। যুৱকদ্বয় বিভিন্ন অপৰাধজনিত ঘটনাৰ লগতে ড্ৰাগছ সৰবৰাহত জড়িত থকা বুলি সন্দেহ কৰা হৈছে। আনকি যুৱকদ্বয় ড্ৰাগছ আসক্ত অৱস্থাত আছিল বুলি আৰক্ষী সূত্ৰই জনাইছে। যুৱকদ্বয়ে এখন মটৰ চাইকেলত কিবা কুটাঘাত কৰাৰ বাবে অহাৰ সময়তে আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়।

## তিনিখন চুৰি মটৰ চাইকেলসহ তিনি চোৰক আটক

**তিনিচুকীয়া, ৭ অক্টোবৰ ঃ** তিনিচুকীয়া আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি কালি চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ মহাদেৱপুৰ আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত অভিযান চলাই তিনিখন চুৰি মটৰ চাইকেলসহ তিনি চোৰক আটক কৰিবলৈ সক্ষম হয়। ধৃত চোৰকেইজন তিনিচুকীয়া নপুখুৰী দুই নম্বৰ পটীয়াপথাৰৰ নিবাসী হীৰেণ নমঃশূদ্ৰ (২৬), ধিং ভকতগাঁৱৰ দেৱাশিস দেৱনাথ আৰু অৰুণাচলৰ মহাদেৱপুৰ ডুমচী গাঁৱৰ উত্তম ফুকন (২৫) বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। অভিযানকাৰী দলটোৱে চোৰৰ দলৰ পৰা এএঃ-২৩ পি-৪২৩৩ নম্বৰৰ এখন মটৰ চাইকেলৰ লগতে দুখন নম্বৰ প্লেট বিহীন চুৰি মটৰ চাইকেল জব্দ কৰে। এই অভিযানৰ নেতৃত্ব দিয়া তিনিচুকীয়া নগৰ উপ-পৰিদৰ্শক ভাস্কৰৰাজ বৰুৱা আৰু ন-পুখুৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ডেইজী নাথে সদৰী কৰা অনুসৰি, শেহতীয়াকৈ তিনিচুকীয়াৰ পৰা কে'বাখনো মটৰ চাইকেল চুৰি হোৱাত ভুক্তভোগীয়ে আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি প্ৰাথমিক অৱস্থাত মটৰ চাইকেল চুৰিত জড়িত ন-পুখুৰীৰ হীৰেণক আটক কৰে আৰু তেওঁৰ ছয় পৃষ্ঠাত চাওক

## নাগ্ৰীজুলিত দুৰ্গা প্ৰতিমা বিসৰ্জন দিবলৈ গৈ সন্ধানহীন যুৱকৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ৭ অক্টোবৰ ঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলিৰ বৰনদীত বিজয়া দশমীৰ দিনা দুৰ্গা প্ৰতিমা বিসৰ্জন দিবলৈ গৈ নৈৰ বুকুত সন্ধানহীন হৈ থকা এজন যুৱকৰ মৃতদেহ আজি উদ্ধাৰ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে, যোৱা পাঁচ অক্টোবৰৰ বিজয়া দশমীৰ দিনা তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ গুৱাবাৰী আঞ্চলিক সাৰ্বজনীন দুৰ্গা পূজাৰ প্ৰতিমা বিসৰ্জন দিবলৈ পূজা পৰিচালনা সমিতিৰ বিষয়-ববীয়াসকলৰ লগতে স্থানীয় ভক্তবৃন্দ বৰনদীৰ পাৰলৈ গৈ দেৱী দুৰ্গাৰ প্ৰতিমা বিসৰ্জন দিবলৈ যায়। বিসৰ্জনপৰ্ব শান্তিপূৰ্ণভাৱে সমাপন কৰি সকলোৱে ঘৰাঘৰি গুচি আহে। কিন্তু সিদিনাই গুৱাবাৰীৰ মহেন্দ্ৰ নগৰ নিবাসী চেন্টু সাহাৰ পুত্ৰ মংগল সাহা (৩০) নামৰ যুৱকজনো প্ৰতিমা বিসৰ্জন দিবলৈ যায় যদিও ঘৰলৈ উভতি অহা নাছিল। ছয় অক্টোবৰৰ দিনাও যুৱকজন ঘৰলৈ ঘূৰি নহাত পৰিয়ালৰ মাজত হাহাকাৰ লাগে। মংগলৰ বন্ধুবৰ্গ তথা আত্মীয়ৰ ঘৰত বিচাৰ-খোচাৰ কৰি কোনো সন্ধান উলিয়াব নোৱৰাত পৰিয়ালৰ লগতে গুৱাবাৰী ছয় পৃষ্ঠাত চাওক


## তেজস্বিতালৈ শ্ৰদ্ধাঞ্জলি লখিমপুৰ জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৭ অক্টোবৰ ঃ** উদীয়মান প্ৰতিভাসম্পন্ন কিশোৰী শিল্পী তেজস্বিতা বৰুৱাৰ আকস্মিক মৃত্যুত আজি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লখিমপুৰ আঞ্চলিক সমিতিয়ে। লখিমপুৰ গাৰ্লছ ৰোড চাৰিআলিৰ সমীপত অনুষ্ঠিত কৰা অনুষ্ঠানটোত প্ৰয়াত শিল্পীগৰাকীৰ বিদেহ আত্মাৰ সদগতিৰ অৰ্থে মমবাতি জ্বলাই প্ৰাৰ্থনা কৰাৰ লগতে পৰিয়ালবৰ্গলৈও সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ তিথিৰ লগত সংগতি ৰাখি মাজুলী দৰিয়া গাঁও নামঘৰত শিশুসকলৰ প্ৰতিভা বিকাশৰ বাবে সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰি থকা অৱস্থাত হঠাৎ অসুস্থ হৈ পৰাৰ পৰৱৰ্তী সময়ত ছয় পৃষ্ঠাত চাওক

## নগাঁৱত লক্ষাধিক টকা মূল্যৰ ড্ৰাগ্‌ছসহ এজন গ্ৰেপ্তাৰ



বিশেষ সংবাদদাতা

**নগাঁও, ৭ অক্টোবৰ ঃ** নগাঁও আৰক্ষীয়ে ড্ৰাগ্‌ছৰ বিৰুদ্ধে নিৰন্তৰ অভিযান অব্যাহত ৰাখিছে। এই অভিযানৰ অংশৰূপে আজি পুৱা নগাঁও আৰক্ষীয়ে কাটিমাৰীস্থ ৩৪ নম্বৰ চিআৰপিএফৰ সহযোগত নগাঁও চহৰৰ গাতে লাগি থকা কছলুখোৱাত অভিযান চলাই বুজন পৰিমাণৰ ড্ৰাগ্‌ছ জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষী আৰু চিআৰপিএফৰ যৌথ অভিযানৰ সময়ত আইজুল হক (২৯) নামৰ এজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। এক গোপন সূত্ৰৰ পম খেদি আৰক্ষীয়ে চিআৰপিএফৰ ছয় পৃষ্ঠাত চাওক

### কথমপি হাতত জীউটো লৈ গোম নৈৰ বাঁহৰ দলঙেৰে নিতৌ ছাত্ৰ-ছাত্ৰী যায় বিদ্যালয়লৈ

## গোম নৈৰ দলঙৰ দুৰৱস্থাই জীয়াতু ভোগাইছে কদম বাগানবাসীক



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৭ অক্টোবৰ ঃ** ঢকুৱাখনা সমষ্টিৰ কদম ৰাজহ চক্ৰৰ অন্তৰ্গত কদম বাগান গাঁৱৰ নিচেই কাষেৰে বৈ যোৱা গোম নৈৰ ওপৰৰ দলঙৰ দুৰৱস্থাই আজি দীৰ্ঘদিন স্থানীয় ৰাইজক জীয়াতু ভোগাই আহিছে। তথ্য মতে, কদম বাগান গাঁও আৰু টেঙাবস্তি গাঁৱৰ সমীপৰ গোম নৈৰ ওপৰত থকা কে'বাখনো পৰিত্যক্ত দলং ভাগি পৰাৰ ফলত উক্ত গাঁওবাসীৰ যাতায়াতৰ ক্ষেত্ৰত ভীষণ অসুবিধাত পৰে। বিশেষকৈ কদম বাগান গাঁও আৰু টেঙাবস্তি গাঁৱৰ কদম উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীয়ে বিপদ-সংকুল পৰিৱেশত নিতৌ বিদ্যালয়লৈ যাব লগা ভয়াৱহ পৰিস্থিতিয়ে স্থানীয় ৰাইজক বৰ চিন্তাত পেলাইছে। আজিৰ পৰা দুবছৰ আগত উক্ত স্থানৰ নৈখনৰ ওপৰৰ মূল পকী দলংখন নৈখনৰ তীব্ৰ সোঁতে মাজতে দুটুকুৰাকৈ ভাঙি পেলোৱাৰ ফলত যাতায়াত ব্যৱস্থা অধিক জটিল হৈ পৰে। স্থানীয় ৰাইজে উক্ত স্থানত পকী দলং নিৰ্মাণৰ আবেদন নিবেদন কৰিছিল যদিও বিভাগীয় কৰ্তৃপক্ষই এই ক্ষেত্ৰত তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰা নাই। দলংখন ভাগি পৰাৰ বাবে উক্ত স্থানৰ সমীপত স্থানীয় ৰাইজে গাঁঠিৰ ধন ভাঙি বাঁহৰ দলং সাজি লৈছিল যদিও আজিৰ পৰা কে'বা সপ্তাহ পূৰ্বে এই দলংখনো উটুৱাই লৈ যোৱাত ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ২১ আহিন ১৪২৯ ভাস্কৰাব্দ ৮ অক্টোবৰ ২০২২

# নগদহীন অৰ্থনীতি

এন পি চি আইৰ তথ্য অনুসৰি, ভাৰত সম্প্ৰতি 'নগদহীন অৰ্থনীতি'ৰ দিশত অগ্ৰসৰ হৈছে। দেশত বৰ্তমানে অতি দ্ৰুতগতিত নগদ ধনৰ লেন-দেন হ্ৰাস পাবলৈ ধৰিছে। বিত্তীয় লেন-দেনত এতিয়া নগদ ধনৰ স্থান লৈছে ডিজিটেল ব্যৱস্থাই। পৰিসংখ্যা অনুসৰি চলিত বৰ্ষৰ এপ্ৰিল-জুনৰ তিনিমাহত ভাৰতত মুঠ ২০.৫৭ বিলিয়ন ডিজিটেল বিত্তীয় লেন-দেন সম্পন্ন হৈছিল। এই লেন-দেনৰ ৮৩ শতাংশৰ অধিক লেন-দেন সম্পন্ন কৰা হৈছিল ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেচ (ইউ পি আই) পদ্ধতিৰে। এপ্ৰিলৰ পৰা জুনলৈকে দেশত মুঠ ৩৬.০৮ লাখ কোটি টকাৰ লেন-দেন হৈছিল আৰু ইয়াৰে ৮৪ শতাংশ লেন-দেন সম্পন্ন হৈছিল ইউ পি আইৰ জৰিয়তে। কেৱল যোৱা ছেপ্টেম্বৰতে ভাৰতত ইউ পি আইৰ জৰিয়তে ১১.১৬ লাখ কোটি টকাৰ লেন-দেন কৰা হৈছিল। ইয়াৰ পূৰ্বৰ আগষ্টত দেশত ইউ পি আইৰ জৰিয়তে হোৱা বিত্তীয় লেন-দেনৰ পৰিমাণ আছিল ১০.৭২ লাখ কোটি টকাৰ। ছেপ্টেম্বৰত দেশবাসীয়ে মুঠ ৭৬৮ কোটিবাৰ ইউ পি আই পদ্ধতি বিত্তীয় লেন-দেনৰ বাবে ব্যৱহাৰ কৰিছিল। একেদৰে যোৱা আগষ্টত দেশত ৬৫৭ কোটিবাৰ ইউ পি আইৰ জৰিয়তে লেন-দেন কৰা হৈছিল। বৰ্তমানে ভাৰতত ডিজিটেল লেন-দেনৰ ক্ষেত্ৰত ক্ৰেডিট-ডেবিট কাৰ্ডৰ জৰিয়তে বৃহৎ পৰিমাণৰ ধনৰ লেন-দেন কৰা হৈছে। আনহাতে, ক্ষুদ্ৰ তথা খুচুৰা লেন-দেনৰ বাবে দেশবাসীয়ে ইউ পি আই অৰ্থাৎ ৱালেট ব্যৱস্থা সৰ্বাধিক ব্যৱহাৰ কৰিছে। এই পৰিসংখ্যাৰ পৰাই বুজিব পাৰি সম্প্ৰতি দেশৰ কি হাৰত ডিজিটেল বিত্তীয় লেন-দেন বৃদ্ধি পাবলৈ ধৰিছে।

দেশত ডিজিটেল বিত্তীয় লেন-দেন ব্যৱস্থা সহজলভ্য হোৱাৰ ফলত দেশবাসীৰ যথেষ্ট সুবিধা হৈছে। ডিজিটেল লেন-দেনে সকলোকে নগদ ধন লগত মজুত ৰখাৰ সমস্যাটোৰ পৰা সকাহ দিছে। বৃহৎ পৰিমাণৰ লেন-দেনৰ ক্ষেত্ৰত নগদ ধনৰ পৰিৱৰ্তে ক্ৰেডিট বা ডেবিট কাৰ্ড ব্যৱহাৰ কৰিলে ধন আদায় অতি কম সময়ৰ ভিতৰতে সুচাৰুৰূপে সম্পন্ন কৰিব পাৰি। ডিজিটেল পদ্ধতিৰে ধন আদায় দিয়া হেতুকে নগদ ধন গণনাৰ সমস্যাটোৰ পৰাও লেন-দেন কৰা উভয় পক্ষই সকাহ লাভ কৰিব পাৰে। একেদৰে ক্ষুদ্ৰ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত ইউপিআই ৱালেট ব্যৱহাৰৰ ফলত খুচুৰা পইচাৰ সমস্যাটোৰ সমাধান সম্ভৱ হৈছে। এতিয়া আপোনাৰ লগত খুচুৰা ধন নাথাকিলেও ইউ পি আই ৱালেট থাকিলে ইয়াৰ জৰিয়তে সহজে ধন আদায় দিব পাৰিব। ডিজিটেল পদ্ধতিৰ এনেবোৰ সুবিধাৰ ফলতে ইয়াৰ ব্যৱহাৰ দিনক দিনে জনপ্ৰিয় হ'বলৈ ধৰিছে। নগদ ধনৰ প্ৰচলন তথা ব্যৱহাৰ হ্ৰাস পাবলৈ ধৰাত নোট ছপা কৰাৰ হেঁচাও সীমিত হৈছে। খুচুৰা পইচাৰ নাটনিৰ সমস্যাটোও এতিয়া ক্ৰমে নোহোৱা হ'বলৈ ধৰিছে। ভাৰততো এতিয়া এনে এটা দিন উপস্থিত হ'ল, য'ত নাগৰিকে পকেটত মানিবেগ এটা নৰখাকৈয়ে অনায়াসে নিজৰ ম'বাইল ফোনৰ পৰাই ইউ পি আই ৱালেটৰ জৰিয়তে প্ৰয়োজনীয় বিত্তীয় লেন-দেন সম্পন্ন কৰিব পাৰে। এয়া অৰ্থনীতিৰ ক্ষেত্ৰত এক উল্লেখনীয় পৰিৱৰ্তন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'ডিজিটেল ভাৰত' গঢ়াৰ কথা কৈছিল আৰু ইতিমধ্যে বিত্তীয় লেন-দেনৰ ক্ষেত্ৰত ভাৰতে 'নগদহীন অৰ্থনীতি'ৰ দিশত বহুখিনি অগ্ৰসৰ হ'ল।

অৱশ্যে ভাৰতত এতিয়াও ডিজিটেল লেন-দেন শিক্ষিত নাগৰিকৰ মাজতে সীমাবদ্ধ আছে। যিহেতু ভাৰতৰ দৰে দেশত দৰিদ্ৰ আৰু নিৰক্ষৰ লোকৰ সংখ্যা আজিও অধিক, সেয়েহে দেশৰ জনসংখ্যাৰ এক বৃহৎ অংশই এতিয়াও ডিজিটেল লেন-দেনৰ মাধ্যম ব্যৱহাৰ কৰিবলৈ সক্ষম হৈ উঠা নাই। আগন্তুক সময়ত নিৰক্ষৰেও ব্যৱহাৰ কৰিব পৰা ইউ পি আই ৱালেট সহজ উপলব্ধ হ'লে দেশত ডিজিটেল লেনদেনে সকলো শ্ৰেণীৰ লোকক সামৰি ল'ব পাৰিব। বহুতে আজিও ডিজিটেল পদ্ধতিক অসুৰক্ষিত আৰু জটিল গণ্য কৰি ইয়াৰ ব্যৱহাৰৰ পৰা আঁতৰি আছে। এনে লোকৰ মন ভ্ৰান্ত ধাৰণা দূৰ কৰিব পাৰিলে ভাৰতত ইউ পি আই ৱালেটৰ লেন-দেন যথেষ্ট বৃদ্ধি পাব। ডিজিটেল পদ্ধতিৰে ধনৰ লেন-দেন যিমানে বৃদ্ধি পাব, সিমানে দেশত ক'লা ধনৰ সমস্যাটোও হ্ৰাস পাব। কিয়নো বৃহৎ পৰিমাণৰ ধনৰ লেন-দেন ডিজিটেল পদ্ধতিৰে কৰিলে সেয়া গোপনে নাথাকিব। দৰাচলতে ডিজিটেল লেন-দেনে ক্ৰেতা-বিক্ৰেতা উভয়কে সমানে সহায় তথা উপকৃত কৰিছে। অৱশ্যে চাইবাৰ প্ৰৱঞ্চনাৰ প্ৰতি সতৰ্ক হৈ সদায় বিশ্বাসযোগ্য তথা সুৰক্ষিত ইউ পি আই ৱালেটৰ জৰিয়তেহে ডিজিটেল লেন-দেন কৰা উচিত।

## খোলা মঞ্চ

# এবাৰ মন্ত্ৰীৰ গাদীত বহিলে...



**অনিল** কাপুৰ অভিনীত হিন্দী ছবি 'নায়ক' অনিল কাপুৰৰ দৰে এদিনতে গোটেই অসমখন অপৰাধ আৰু সমস্যা মুক্ত কৰি স্বচ্ছ আৰু নিকা কৰিম। অভিনেতা অনিল কাপুৰে যেনেকৈ Leading from the front ৰ দৰে এফালৰ পৰা এটা এটাকৈ অপৰাধ এদিনতে নিষ্পত্তি কৰিছিল, মোৰো মন গৈছিল— ময়ো কৰিব পৰা হ'লে— তাৰ বাবে ভাবিছিলো— এবাৰ মন্ত্ৰীৰ গাদীত বহিলে.... এনে এটা কামকে কৰিলোহেঁতেন।

কিন্তু এয়া ভাৱহে। বাস্তৱত সম্পূৰ্ণ বিপৰীত; অৰ্থাৎ বাস্তৱত মন্ত্ৰীৰ গাদীত বহাৰ যোগ্যতা মোৰ অলপো নাই। আজিৰ ৰাজনীতি বহুত সলনি হৈছে। স্বাধীনতা লাভ কৰাৰ পাছত ভাৰতে সংবিধান প্ৰস্তুত কৰিছিল। সেই মৰ্মে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে নিৰ্বাচনৰ ব্যৱস্থা কৰা হৈছে, য'ত সৰ্বসাধাৰণ ভোটাধিকাৰে নিজৰ প্ৰাৰ্থীজনক ভোট প্ৰদান কৰিব পাৰে। নিৰ্বাচিত সংখ্যাগৰিষ্ঠ দলে চৰকাৰ গঠন কৰিব পাৰে, এয়া সংবিধানৰে অংশ। এনেদৰে যোৱা ৭৫ বছৰে ভাৰতৰ শাসন ব্যৱস্থা চলি আছে।

সেই হিচাপে বহু নেতা আহিল; বহু নেতা গ'ল বহু ন-ন নেতা-মন্ত্ৰীৰ আৱিৰ্ভাৱ ঘটিল। বহুতে জংঘলৰ পৰা আহি নিৰ্বাচনত অৱতীৰ্ণ হ'ল; বহু আকৌ জেইলৰ বন্ধ কুঠাৰীৰ পৰাই নিৰ্বাচন খেলিলে। এনে এটা দিন আছিল মন্ত্ৰীসকলৰ কৰ্মত দেশ সেৱা, মানৱ সেৱা, ত্যাগ, সততা আৰু সহনশীলতাৰ ৰূপ প্ৰতিভাত হৈছিল। ক্ৰমান্বয়ে যেন এই ধাৰাৰ যতি পৰিল। মন্ত্ৰী-বিধায়কৰ কৰ্মত দেশ-প্ৰেমৰ পৰিৱৰ্তে স্বাৰ্থপৰতা দেখা গ'ল।

বিশেষতঃ ভাৰতৰ দৰে এখন গণতান্ত্ৰিক দেশত আজিৰ সময়ত নিৰ্বাচন প্ৰক্ৰিয়াৰ যথেষ্ট সলনি হৈছে। আজিৰ পৰা কেইটামান দশকৰ আগতে হঠাৎ ৰাজনীতিয়ে নতুন মোৰ লৈছিল। এই নতুন মোৰৰ বিৱৰ্তন ঘটিছে।

এতিয়া ৰাজনৈতিক নেতাই সাধাৰণ ভোটাৰক আকৰ্ষণ কৰিবলৈ বিভিন্ন ধৰণৰ প্ৰতিশ্ৰুতি দিয়ে আৰু সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ মন্ত্ৰিত্বৰ গাদী বিচাৰে। বহুক্ষেত্ৰত বহু ৰাজনৈতিক নেতাৰ মন্ত্ৰিত্বৰ গাদীখনেই শেষ আশা। তাৰ মাজতো অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত শৰৎ সিংহই চিটি বাছত ঘূৰি ফুৰি বিশেষ নজিৰ সৃষ্টি কৰিছিল। মুখ্যমন্ত্ৰী হৈও তেওঁ সাধাৰণ জীৱন যাপন কৰিছিল।

পংকজ পল্লৱ শৰ্মা, লেখক

আগতে শুনিছিলো নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ দলীয় টিকট পাবলৈয়ে বহু লাখ টকা দলক আদায় দিব লাগে; যদি কথাটো সত্য হয় গাদী পালে তাৰ দুগুণ উপাৰ্জন কৰিবলৈ চেষ্টা চলাবই।

সোণৰ অসম গঢ়িবলৈ গৈ গাদী দখল কৰা চৰকাৰখনে সোণৰ অসম গঢ়িব পাৰিলেনে? বিদেশী সমস্যা সমাধান হ'লনে? নিবনুৱা সমস্যা সমাধান হ'লনে? প্ৰয়াত তৰুণ গগৈ নেতৃত্বাধীন ১৫ বছৰীয়া শাসনকালৰ অন্তিম পাঁচ বছৰত জনসাধাৰণ অতিষ্ঠ হৈ পৰিছিল। কিছুমান মন্ত্ৰী-বিধায়কৰ বিভিন্ন মাধ্যমত প্ৰকাশ পোৱা কঠনশৈলী, শাৰীৰিক ভাষা ইমানেই বিকৃত আছিল যে কেতিয়া নিৰ্বাচন আহে তাৰে অপেক্ষাত আছিল সৰ্বসাধাৰণ ৰাইজ। নিৰ্বাচনত পানী কা পানী, দুধ কা দুধ হৈ গৈছিল।


কেৱল ক্ষমতা দখল আৰু ধন উপাৰ্জনৰ বাবে নিকৃষ্ট ৰাজনীতি কৰা ৰাজনৈতিক নেতাৰ অহংকাৰে পতন হ'ল।

আমাৰ আশা মন্ত্ৰী-বিধায়কৰ শিক্ষাগত অৰ্হতা ন্যুনতম স্নাতক হোৱাটো বাধ্যতামূলক কৰিব লাগে। শাস্ত্ৰত উল্লেখ আছে সৰ্বসাধাৰণ ৰাইজে ডাঙৰ লোকৰ আদৱ-কায়দা অনুসৰণ কৰে। গতিকে ডাঙৰ লোকসকল বিজ্ঞ হ'ব লাগে। কেৱল ক্ষমতা দখলৰ বাবেই নিজক উদং কৰি দেখাব নালাগে; কাৰণ তেওঁক সৰ্বসাধাৰণ ৰাইজে চাই আছে। গাদীয়ে সৰ্বস্ব হ'ব নালাগে

*ফোন ঃ ৯৯৫৪২৯৩৬৬৮*

# সংঘ-প্ৰমুখ ভাগৱতৰ ভাষণত ৰাষ্ট্ৰীয়তাবাদ

# দেশবাসীলৈ সম্প্ৰীতি-সমৃদ্ধি আৰু সমন্বয়ৰ বাৰ্তা




আনবাৰৰ দৰে এইবেলিও ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৰ্বোচ্চ পদাধিকাৰী মোহন ভাগৱতে বিজয়া দশমীৰ ভাষণত ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিলৈ দেশবাসীৰ দৃষ্টি আকৰ্ষণ কৰিলে। পাঁচ অক্টোবৰৰ প্ৰাতঃকালত নাগপুৰৰ ৰেশমবাগ পথাৰত আয়োজিত 'দশেৰা' অনুষ্ঠানত সমবেত হোৱা সহস্ৰাধিক স্বয়ংসেৱকক সম্বোধন কৰি তেওঁ দেশবাসীক বিজয়াৰ শুভেচ্ছা বাৰ্তা দিয়াৰ লগতে সাম্প্ৰতিক পৰিস্থিতিত ভাৰতীয় সমাজে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ বিশ্লেষণ আগবঢ়ায়। ইয়াৰ মাজত বৃহত্তৰ হিন্দু সমাজৰ সুৰক্ষাৰ বিষয়টোও আছিল।

লক্ষ্যণীয় যে এইবেলিৰ 'দশেৰা' সমাৰোহৰ মুখ্য অতিথি আছিল স্বনামধন্যা পৰ্বতাৰোহণকাৰী সন্তোষ যাদৱ। তেওঁ হ'ল দুবাৰকৈ মাউণ্ট এভাৰেষ্ট শৃংগত আৰোহণ কৰিবলৈ সক্ষম হোৱা বিশ্বৰ প্ৰথমগৰাকী মহিলা। স্বাভাৱিকতে এই উপলক্ষ্যত ভাগৱতৰ ভাষণৰ অন্যতম বিন্দু আছিল নাৰীৰ সৱলীকৰণ। তেওঁ আঙুলিয়াই দিয়ে যে এতিয়া নাৰীশক্তি কোনো ক্ষেত্ৰতে পিছ পৰি থকা নাই, সকলো দিশৰ পৰা নাৰী পুৰুষৰ সমতুল্য। হওঁতে ভাৰতীয় সমাজত এচাম পুৰুষে এতিয়াও নাৰীক দাসীৰ সমতুল্য বুলি গণ্য কৰে; কিন্তু প্ৰকৃতাৰ্থত নাৰীয়েই হ'ল জগত জননী। সেয়েহে ভাৰতবৰ্ষই 'বিশ্বগুৰু'ৰ মৰ্যাদা পাবলৈ হ'লে নাৰীয়ে সামাজিক মৰ্যাদা লাভ কৰাটো সুনিশ্চিত হ'ব লাগিব। এই দিশত প্ৰতিগৰাকী পুৰুষে আত্মবিশ্লেষণ কৰাৰ আৱশ্যকতা আছে। সংঘৰ সৰ্বোচ্চ পদাধিকাৰী গৰাকীৰ এই মন্তব্য বেছ তাৎপৰ্যপূৰ্ণ।

অনেকৰে ভ্ৰান্ত ধাৰণা আছে যে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘই মহিলাৰ সামাজিক স্থিতি আৰু সমস্যা সন্দৰ্ভত সততে উদাসীনতা প্ৰদৰ্শন কৰে। এনে বিৰূপ মনোভাৱ প্ৰকাশ কৰা সকলে নাজানে যে স্বয়ং সেৱকসকলক সংগঠিত কৰাৰ দৰেই মহিলাসকলকো সংঘই 'ৰাষ্ট্ৰীয় সেৱিকা সমিতি'ৰ জৰিয়তে ৰাষ্ট্ৰৰ সেৱাত আত্মনিয়োগ কৰিবলৈ উৎসাহ যোগাই আহিছে। 'ৰাষ্ট্ৰীয় সেৱিকা সমিতি'য়ে দেশৰ অনেক আওহতীয়া অঞ্চলত শিক্ষা আৰু স্বাস্থ্যসেৱা আগবঢ়াই আছে। তদুপৰি একাংশ স্বয়ং সেৱিকাই ভিন ভিন ঠাইত মহিলাৰ বাবে কল্যাণকামী প্ৰকল্প স্থাপন কৰাৰ উপৰি বহুতে সামাজিক সংস্কাৰ সাধনৰ প্ৰকল্প চলাই আছে; আনকি পৰিয়াল, সমাজ তথা ৰাষ্ট্ৰৰ সমুখত দেখা দিয়া নৈতিক সমস্যাৰ সমাধানৰ বাবেও প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰি আহিছে স্বয়ং সেৱিকাসকলে। এনে পটভূমিত 'নাৰী পুৰুষৰ সমতুল্য মন্তব্যটোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। কাৰণ একবিংশ শতিকাৰ ভাৰতীয় মহিলা হৈছেগৈ সমৰক্ষেত্ৰতো আগৰণুৱা।

প্ৰত্যাশিতভাৱেই ভাগৱতৰ ভাষণত সাম্প্ৰদায়িক সদ্‌ভাৱ বৰ্তাই ৰখাৰ আৱশ্যকতাই স্থান পাইছে। ভাৰতবৰ্ষ বহুভাষিক আৰু বহু-উপাসনা পদ্ধতিৰ দেশ; সহনশীলতা আৰু পন্থ নিৰপেক্ষতা হ'ল ভাৰতীয় সংস্কৃতিৰ মূল বৈশিষ্ট্য। সেয়েহে সমাজত সকলো জনগোষ্ঠীৰ মাজত সমন্বয় ৰক্ষা কৰাটো উন্নয়নৰ প্ৰাথমিক চৰ্ত। কিছুদিন আগতে মেঘালয় প্ৰবাসলৈ আহি সংঘপ্ৰমুখ গৰাকীয়ে খাচিসকলৰ সাংস্কৃতিক মঞ্চত উপস্থিত হৈ সমন্বয়ৰ বাৰ্তা বিলাই থৈ গৈছে। একেদৰে উত্তৰ ভাৰতৰ একাংশ মুছলমান ধৰ্মগুৰুৰ স'তেও তেওঁ আলোচনাত মিলিত হৈছে। ভাগৱত মছজিদলৈ গৈছে, ইমামক লগ ধৰিছে, হিন্দু-মুছলমানৰ মাজত ভ্ৰাতৃত্ববোধৰ বিষয়ে কথা পাতিছে। এয়া হ'ল সমন্বয়ৰ তৃণমূল পৰ্যায়ৰ অনুশীলন।

ইয়াৰ পটভূমিও মনকৰিবলগীয়া। বাৰানসীৰ 'জ্ঞানব্যাপী' মছজিদৰ অভ্যন্তৰত শিৱলিংগ উদ্ধাৰ হোৱাৰ ঘটনাটোৱে একাংশ হিন্দু সংগঠনক আন আন ঠাইতো অনুৰূপ অভিযান চলোৱাৰ দাবী তুলিবলৈ উৎসাহিত কৰি তুলিছিল; কিন্তু ভাগৱতে স্পষ্ট বাৰ্তা দিলে, হিন্দুসকলে সকলো মছজিদতে শিৱলিংগৰ সন্ধান কিয় কৰিব লাগে? মুছলমান আক্ৰমণকাৰীয়ে মন্দিৰ ভাঙি মছজিদ সজাইছিল; সেইবুলি একবিংশ শতিকাৰ হিন্দুৱে মছজিদে মছজিদে গৈ হিন্দু



## অৱলোকন

ড° জয়কান্ত শৰ্মা

দেৱ-দেৱীৰ ভগ্নাৱশেষ বিচাৰিবলৈ যোৱাটো বাতুলতা মাথোন। সংঘই পূৰ্বৰে পৰা কৈ আহিছে, বিতৰ্ক মাথোন অযোধ্যা, কাশী আৰু মথুৰাতে সীমিত, তাকো ন্যায়পালিকাৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ চৰ্ত-সাপেক্ষে।

ভাৰতীয় সমাজত ধৰ্মীয় আৱেগৰ প্ৰভাৱ

**মাতৃভাষাৰ ভাল শিক্ষা সকলো শিশুৱে পাব লাগিব। এখন সুস্থ সমাজ গঢ়ি তোলাত মাতৃভাষাৰ শিক্ষাই প্ৰভূত অৰিহণা যোগায়; এই তত্ত্ব কোনোপধ্যে উলাই কৰিব পৰা নাযায়। ধৰ্মীয় সহনশীলতাৰ ক্ষেত্ৰতো কথাষাৰ প্ৰযোজ্য, কাৰণ মূলসুঁতিৰ শিক্ষাক নেওচি প্ৰদান কৰা ধৰ্মীয় শিক্ষাই ধৰ্মান্ধ লোককহে জন্ম দিয়ে। আজিৰ সমাজত ধৰ্মান্ধ লোকৰ দৌৰাত্ম্যই মূল সমস্যা**

অস্বীকাৰ কৰিব নোৱাৰি; কিন্তু সেই বুলি আইনৰ শাসনকো উলাই কৰিব পৰা নাযায়। তাৰ বাবে মূলসুঁতিৰ শিক্ষা প্ৰদানৰ ব্যৱস্থাটো সাৰ্বজনীন হোৱা উচিত। বিজয়া দশমীৰ ভাষণত মোহন ভাগৱতে স্পষ্টভাৱে কৈছে- মাতৃভাষাৰ ভাল শিক্ষা সকলো শিশুৱে পাব লাগিব। এখন সুস্থ সমাজ গঢ়ি তোলাত মাতৃভাষাৰ শিক্ষাই প্ৰভূত অৰিহণা যোগায়; এই তত্ত্ব কোনোপধ্যে উলাই কৰিব পৰা নাযায়। ধৰ্মীয় সহনশীলতাৰ ক্ষেত্ৰতো কথাষাৰ প্ৰযোজ্য, কাৰণ মূলসুঁতিৰ শিক্ষাক নেওচি প্ৰদান কৰা ধৰ্মীয় শিক্ষাই ধৰ্মান্ধ লোককহে জন্ম দিয়ে। আজিৰ সমাজত ধৰ্মান্ধ লোকৰ দৌৰাত্ম্যই মূল সমস্যা।

এঘণ্টাজোৰা বিজয়া দশমীৰ ভাষণত সংঘপ্ৰমুখ মোহন ভাগৱতে শ্ৰীলংকাৰ আৰ্থিক সংকট আৰু ভাৰতে দেশখনলৈ আগবঢ়োৱা সহায়-সাহায্যৰ বিষয়টো উত্থাপন কৰিছে। ৰাছিয়া-ইউক্ৰেইনৰ সংঘাত আৰু সেই সন্দৰ্ভত ভাৰতৰ স্থিতি সন্দৰ্ভতো তেওঁ মন্তব্য নিদিয়াকৈ থকা নাই।

পিছে ভাৰতৰ জনসংখ্যা নিয়ন্ত্ৰণ সন্দৰ্ভত ভাগৱতে উত্থাপন কৰা নীতিগত প্ৰস্তাৱটোৱে কোনো কোনো মহলত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। হওঁতে তেওঁ কমিউনিষ্ট ৰাষ্ট্ৰ চীনৰ আৰ্থিক উন্নয়নত 'এহাল দম্পতী-এটি শিশু' নীতিৰ সাৰ্থকতাৰ বিষয়ে মন্তব্য দিছে; কিন্তু লগতে ভাৰতত সামাজিক সুস্থিৰতা ৰক্ষাৰ বাবে চৰকাৰক কঠোৰ জনসংখ্যা নিয়ন্ত্ৰণ নীতি ৰচনা কৰিবলৈও আহ্বান জনাইছে।

আপাত দৃষ্টিত এইটো নতুন কথা নহয়। স্বাধীনতা লাভৰ পাছৰে পৰা প্ৰতিখন চৰকাৰে পৰিয়াল পৰিকল্পনা আঁচনি গ্ৰহণ কৰি আহিছে। পিছে মোহন ভাগৱতে সকলো জনগোষ্ঠী আৰু সকলো সম্প্ৰদায়ৰ বাবে জনসংখ্যা নীতি বাধ্যতামূলকভাৱে বলৱৎ কৰাৰ ওপৰত জোৰ দিছে। সেইটোৱে ছেকুলাৰ শিবিৰত জোঁকাৰণি তুলিলে। কাৰণ সংঘপ্ৰমুখ গৰাকীয়ে কৈছে, জনসংখ্যা নিয়ন্ত্ৰিত হ'লেও সম্প্ৰদায়ভিত্তিক জনসংখ্যা বৃদ্ধিৰ ফলত সৃষ্টি হোৱা ভাৰসাম্যহীনতাৰ বিষয়টো আওকাণ কৰিব পৰা নাযায়। এইটো সম্পূৰ্ণ নতুন প্ৰস্তাৱ। সেয়েহে ইয়াৰ সুকীয়া মূল্যায়ন আৱশ্যকীয়।

ইমান দিনে জন্মনিয়ন্ত্ৰণ নীতিৰ প্ৰয়োগ আছিল দম্পতীৰ স্বেচ্ছামূলক সিদ্ধান্ত; অৰ্থাৎ সন্তানৰ ভৰণ-পোষণ, শিক্ষা-দীক্ষা আৰু সুস্বাস্থ্য ৰক্ষাৰ স্বাৰ্থতে সীমিত পৰিয়ালৰ সিদ্ধান্ত দম্পতীয়ে গ্ৰহণ কৰে; চৰকাৰে মাথোন তাত উদগনিহে দিয়ে। এই নীতি সফল হোৱা নাই বুলিও ক'ব নোৱাৰি। উত্তৰপ্ৰদেশ আৰু বিহাৰক বাদ দি প্ৰায়বোৰ ৰাজ্যতে মহিলাৰ উৰ্বৰতাৰ হাৰ ১.৮ শতাংশ বা তাৰ ওচৰে-পাঁজৰে আছে, যিটো হাৰ জনসংখ্যাৰ সুস্থিৰতা ৰক্ষাৰ বাবে প্ৰাথমিক চৰ্ত। পিছে কোনো কোনো জনগোষ্ঠীৰ লোকে জন্মনিয়ন্ত্ৰণ নিবিচাৰে; এটা বিশেষ সম্প্ৰদায়ৰ লোকে শিক্ষাৰ অভাৱত বা ধৰ্মীয় ইয়াৰ কাৰণতো অপৰিকল্পিতভাৱে সন্তান উৎপাদন কৰা পৰিলক্ষিত হয়। ইয়াৰ ফলত জনগোষ্ঠীটোৰ বা সম্প্ৰদায়টোৰ জনসংখ্যা বৃদ্ধি অসন্তুলিত হৈ পৰে। সংঘপ্ৰমুখৰ মতে এয়া বিপজ্জনকভাৱে অস্থিৰতাৰ কাৰণ হ'ব পাৰে।

কোনো সম্প্ৰদায়ৰ অসন্তুলিত জনসংখ্যা বৃদ্ধিয়ে দেশ একোখন ভাঙি পেলোৱাৰ উদাহৰণো নথকা নহয়। সংশ-প্ৰমুখগৰাকীয়ে পূব টিম'ৰ, দক্ষিণ ছুডান আৰু কছ'ভোৱে সৃষ্টি কৰা পৰিস্থিতিলৈ আঙুলিয়াইছে। পিছে ৭৫ বছৰ পূৰ্বেনো ভাৰতৰ বিভাজন হৈছিল কিয়? মুছলমানবহুল অঞ্চলক লৈয়ে পাকিস্তানৰ সৃষ্টি হোৱা নাছিল নে? দেশ বিভাজনৰ পাছত ভাৰতত মুছলমান জনসংখ্যা আছিল আঠ শতাংশ, ২০১১ত বৃদ্ধি পাই ১৫ শতাংশ হ'ল। এতিয়া ২০২১ত ভাৰতত মুছলমানৰ জনসংখ্যা ১৮ শতাংশ বুলি অনুমান কৰা হৈছে। এনেবোৰ পৰিসংখ্যাই হ'লগৈ সংঘপ্ৰমুখৰ মতে চিন্তাৰ কাৰণ।

হওঁতে হিন্দুত্বৰ স'তে কোনো জনগোষ্ঠীৰে সাম্প্ৰদায়িক বিৰোধৰ অৱকাশ নাই; কাৰণ হিন্দুত্ব এটা বিচাৰ ধাৰাহে, উপাসনা পদ্ধতি নহয়। সেয়েহে হিন্দুত্বত ধৰ্মান্তৰকৰণৰো প্ৰয়োজন নাই বুলি কিছুদিন পূৰ্বে মোহন ভাগৱতেই কৈছিল। সেই দৃষ্টিৰে ভাৰতীয় মুছলমান সকলো বৃহত্তৰ হিন্দু সমাজৰ অবিচ্ছেদ্য অংশ। পিছে ধৰ্মভিত্তিক বিভাজনৰ ইতিহাসে সেই পৰম্পৰাত কালিমা নসনাকৈ থকা নাই। সেয়েহে সংঘই বিচাৰে জনসংখ্যা নিয়ন্ত্ৰণৰ কঠোৰ আইন আৰু জনসংখ্যা বৃদ্ধিৰ সন্তুলন।

নক'লেও হয় যে মোহন ভাগৱতৰ 'বিজয়া দশমী'ৰ ভাষণক কঠোৰ ভাষাৰে সমালোচনা .কৰিছে একাংশ ছেকুলাৰবাদী নেতা আৰু বুদ্ধিজীৱীয়ে। অৱশ্যে সাম্প্ৰদায়িক নেতা তথা এ আহ এম আই এম দলৰ মুৰব্বী আছাউদ্দিন ওৱেছিৰ বিৰোধে সুকীয়া মাত্ৰা বহন কৰিছে। স্মৰণযোগ্য যে ওৱেছিৰ পূৰ্বপুৰুষ আছিল ৰাজাকাৰ বাহিনীৰ লোক। নিজামৰ এই ব্যক্তিগত সন্ত্ৰাসবাদী সংগঠনটোৱে হায়দৰাবাদৰ ২০ শতাংশ মুছলমান জনসংখ্যাৰ বলতে লালকিল্লাত পতাকা উৰুৱাব বুলি ভাবুকি দিছিল। ভাৰতীয় সেনাই নিজামৰ বিৰুদ্ধে চলোৱা সামৰিক অভিযানত ৰাজাকাৰ বাহিনীয়ে ভাৰতীয় সেনাৰ বিপক্ষে যুঁজ দিছিল। এই যুদ্ধত ৫৫,০০০ ৰাজাকাৰ বন্দী হয়। ওৱেছিৰ ককাক সেই সকলৰে এজন আছিল।

১৯৫৭ত নেহৰু চৰকাৰে বন্দী ৰাজাকাৰসকলক মুক্তি দিয়ে আৰু দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী কেইজনমানক পাকিস্তানলৈ দেশান্তৰ কৰে। ওৱেছিৰ ককাকে তেতিয়াই এম আই এম দলৰ নেতৃত্ব গ্ৰহণ কৰিছিল। সেই বংশবাদী দলটোৱে নেতৃত্ব লৈ ওৱেছিয়ে তাক সৰ্বভাৰতীয় ৰূপ দিছে মাথোন। পিছে ১৫ শতাংশ মুছলমানৰ ভয় দেখুৱাই হিন্দুক ভাবুকি দিয়াটো ৰাজনৈতিক দুঃসাহসৰূপে পৰিগণিত হ'লেও তেওঁলোকে মুছলমান জনসংখ্যা বৃদ্ধিৰ দৃষ্টিৰে কৌশলটো প্ৰয়োগ এতিয়াও কৰি আহিছে। হয়তো অসন্তুলিত জনসংখ্যাই তেওঁলোকৰ ৰাজনীতিৰ চালিকা শক্তি। এই প্ৰসংগতে মন কৰিবলগীয়া যে ভাৰতীয় মুছলমানসকলে মূলসুঁতিৰ শিক্ষা গ্ৰহণ কৰি সততে আধুনিক জীৱন যাত্ৰাৰ অংশীদাৰ হৈ আহিলেও একাংশ নিৰক্ষৰ আৰু দৰিদ্ৰ লোকক ধৰ্মৰ ভয় দেখুৱাই মৌলবাদীয়ে পৰিয়াল পৰিকল্পনা আৰু আধুনিক শিক্ষাৰ পৰা বঞ্চিত কৰি ৰাখিছে। মৌলবাদী কাৰ্যকলাপৰ এয়াও অংশবিশেষ। আফগানিস্তানৰ ঘটনাৰাজি আৰু পাকিস্তানৰ দেউলীয়া অৰ্থব্যৱস্থা তথা ভাঙি পৰা ৰাজনৈতিক ব্যৱস্থাই ভাৰতত অনুৰূপ পৰিস্থিতি সৃষ্টিৰ বাবে মৌলবাদী শক্তিক প্ৰৰোচিত কৰিব পাৰে।

সম্ভৱতঃ এনে আশংকা কৰিয়েই সংঘৰ সৰ্বোচ্চ পদাধিকাৰীগৰাকীয়ে অসন্তুলিত জনসংখ্যা নিয়ন্ত্ৰণৰ প্ৰস্তাৱটো দিছে, যাতে ভাৰতৰ সকলো শ্ৰেণীৰ নাগৰিককে উপযুক্ত সা-সুবিধা প্ৰদান কৰি সুস্থ-সবল সমাজ গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰিব পৰা যায়। নিঃসন্দেহে ৰাষ্ট্ৰ নিৰ্মাণৰ দিশত এয়া এক সুচিন্তিত প্ৰস্তাৱ; তালৈ ভাৰত চৰকাৰে কেনেদৰে সঁহাৰি জনায়, সেয়া নিশ্চয়কৈ লক্ষ্যণীয় হ'ব।

পিছে মনকৰিবলগীয়া কথাটো হ'ল, ভাৰতীয় জনতা পাৰ্টিৰ ৰাজনৈতিক ঘোষণা পত্ৰত জন্মলগ্নৰে পৰা তিনিটা বিষয় সন্নিৱিষ্ট হৈ আহিছিল— (১) সংবিধানৰ ৩৭০ ধাৰাৰ বিলুপ্তি, (২) অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণ, আৰু (৩) সংবিধানত লিপিবদ্ধ নীতি অনুসৰি সকলোৰে বাবে উমৈহতীয়া দেৱানী আইনৰ (Uniform Civil Code) প্ৰণয়ন। প্ৰথম দুটা প্ৰতিশ্ৰুতি ইতিমধ্যে বাস্তৱত পৰিণত হ'ল; হয়তো এতিয়া তৃতীয় প্ৰতিশ্ৰুতি ৰূপায়ণৰ পাল। সমগ্ৰ দেশতে সকলো গোষ্ঠী-সম্প্ৰদায়ৰ বাবে বিবাহ, বিবাহ-বিচ্ছেদ, সম্পত্তিৰ উত্তৰাধিকাৰ, সন্তানৰ সংখ্যা নিয়ন্ত্ৰণ আদিৰ দৰে বিষয়ত একেখন আইন ৰচনা কৰিলেই মোহন ভাগৱতৰ উদ্বিগ্নতাৰো অন্ত পৰিব।


*ফোন ঃ ৯৪৩৫৫-৫৪২০৫*

# বিশ্বকৰ্মা পূজা, দুৰ্গা পূজা আৰু ধৰ্মীয় ব্যভিচাৰ

**বিশ্বকৰ্মা** পূজাৰ সৃষ্টি-ৰহস্যৰ এটা ইতিহাস আছে। সেয়া হ'ল, ব্ৰিটিছসকল যেতিয়া ইষ্ট ইণ্ডিয়া কোম্পানী নাম লৈ কলকাতাত বেপাৰ আৰম্ভ কৰিছিল তেতিয়া হুগলি নদী নাৱৰে পাৰাপাৰ কৰিবলগীয়া হৈছিল। প্ৰতিকূল বতৰৰ বাবেই হওক বা বেছিকৈ বয়-বস্তু অনা-নিয়া কৰিব নোৱৰা বাবেই হওক, ইষ্ট ইণ্ডিয়া কোম্পানীৰ ব্যৱসায়ত বাধাৰ সৃষ্টি হৈছিল। তেওঁলোকে ভাবিলে, যদি হুগলি নদীৰ ওপৰত এখন দলং বনোৱা হয়, তেন্তে পূবৰ পৰা উত্তৰ-পশ্চিম আৰু দক্ষিণ ভাৰতলৈ বেপাৰ কৰিবলৈ যোৱাৰ ক্ষেত্ৰত অসুবিধা নহ'ব।

ভৱা মতেই কাম। ব্ৰিটিছসকলে দলং বনাবলৈ বাৰ্মিংহামৰ পৰা জাহাজেৰে প্ৰকাণ্ড প্ৰকাণ্ড লোহাৰ গাৰ্ডাৰ, ৰেলৰ ট্ৰেকৰ বাবে বিভিন্ন সা-সৰঞ্জাম আদি লৈ আনিলে। ইয়াৰ আগতে কলকাতাবাসীৰ বাবে সেয়া নাভূত-নাশ্ৰুত কথা আছিল। বিশেষকৈ তেওঁলোকৰ চৰ্চাৰ বিষয় আছিল ডাঙৰ ডাঙৰ লোহাৰ সামগ্ৰীবোৰ। কাৰণ তেওঁলোকে ইমানদিনে কাঠৰ বাহিৰে এনেকুৱা বস্তু জীৱনত দেখাই নাছিল। তাতকৈ মজাৰ কথা এইটো যে ইয়াৰ আগতে তেওঁলোকৰ মানসত দলঙৰ ধাৰণাই নাছিল, লোহাটো দূৰৰে কথা।

ইষ্ট ইণ্ডিয়াৰ লগত দুই ধৰণৰ বনুৱা আছিল। এটা বিহাৰী আৰু আনটো বঙালী। তেওঁলোকেই নাৱৰীয়া আৰু তেওঁলোকেই বনুৱা; কিন্তু লগে লগে ব্যৱসায়ৰ ৰাজনীতিও আৰম্ভ হ'ল। তেওঁলোকৰ মনত প্ৰশ্ন হ'ল, যদিহে এখন দলং হয়, তেতিয়া সেই দলঙৰ ওপৰেদি গাড়ী-ঘোঁৰাৰে মানুহবোৰ সহজতে অহা-যোৱা কৰিব। তেন্তে হুগলি নদী ইমানদিনে নাৱৰে পাৰাপাৰ কৰোৱা নাৱৰীয়া-বনুৱাসকলৰ ভৱিষ্যৎ কি হ'ব? দ্বিতীয়তে তেওঁলোকৰ ভাতমুঠি নাইকিয়া হৈ নাযাবনে? অৰ্থাৎ দলং হোৱা মানে তেওঁলোকৰ ব্যৱসায়ৰ মুদা মৰিল। সেয়ে গোটেই বনুৱাখিনিয়ে মিলিং দলং নহ'বলৈ ইষ্ট ইণ্ডিয়াৰ বিৰুদ্ধে প্ৰতিবাদ, অসহযোগ আদি কৰাত লাগি গ'ল। তেতিয়া স্বাভাৱিকতে কোম্পানী বিমোৰত পৰিল। এনেকৈ হ'লে দলং নগ'বগৈ বুলি স্থানীয় ৰাইজৰ মতামত ল'লে, কি কৰিলে দলং নিৰ্মাণৰ বাবে





বনুৱাসকল মান্তি হ'ব। চতুৰ ইংৰাজে উপায় উলিয়ালে, পূজাবলীয়া মানুহখিনিক পূজা পতাৰ ছলেৰে কিবা কৰিব পাৰি নেকি? তেওঁলোকে সন্ধান কৰিলে, হিন্দুসকলৰ কোনোবা দেৱতা বা দেৱী আছে নেকি যিয়ে ঘৰ, দলং আদি নিৰ্মাণ কৰে?

লগে লগে খবৰ ওলাল, বিশ্ব খনিকৰ বিশ্বকৰ্মা বুলি এগৰাকী দেৱতা আছে। তেওঁ দেৱতাসকলৰ বাবে যিকোনো নিৰ্মাণ কাৰ্য কৰে বুলি শাস্ত্ৰই কয়। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে এই সুযোগ গ্ৰহণ কৰি ততালিকে দুই-তিনিখন হোটেল নিৰ্মাণ কৰাই প্ৰচাৰ কৰিলে যে যিয়ে বিশ্বকৰ্মাৰ পূজা কৰিব তেওঁক বিনা পইচাত চাহ-ভাত খাবলৈ দিয়া হ'ব।

গৰিব দেশ। পূজাও চলিল, দলং বনোৱাৰ ক্ষেত্ৰত বিৰোধো বন্ধ হ'ল। এটা সময়ত তেনেকৈ দলং নিৰ্মাণ কাৰ্য আৰম্ভ হ'ল। হুগলি নদীৰ ওপৰত নিৰ্মাণ কৰা সেইখন দলঙেই আছিল হাওৰা হেংগিং ব্ৰীজ। হাওৰা ব্ৰীজৰ আধাৰশিলা স্থাপনৰ দিন-তাৰিখটো আছিল ১৯১৩ৰ ১৭ ছেপ্টেম্বৰ। আধাৰশিলা স্থাপনৰ দিনৰ পৰাই পূজাবলীয়া বঙালী, বিহাৰী বনুৱাবিলাকে 'হৰি বোল, ৰাম বোল' জয়ধ্বনি দি কাম কৰি থাকিল আৰু বিনা পইচাই পেট ভৰাই খাবলৈ পালে।

হিন্দু ধৰ্মত তিথি অনুযায়ী যিকোনো পূজা-পাৰ্বণ চলে; কিন্তু বিশ্বকৰ্মা পূজা চলে ইংৰাজসকলে পাতি দিয়া দিনটোতহে। ইয়াৰ তেনে কোনো নিৰ্দিষ্ট তিথি নাই। আনহাতে, বিশ্বকৰ্মা পূজা পতাৰ দিনটো আমি হাওৰা দলং নিৰ্মাণ দিৱস হিচাপেও উদ্‌যাপন কৰাৰ থল আছে; কিন্তু বহুতেই সেই কথা নাজানি বিশ্ব খনিকৰ বিশ্বকৰ্মাক শ্ৰদ্ধাসহকাৰে বছৰি ১৭ ছেপ্টেম্বৰৰ দিনা পূজা-অৰ্চনা কৰি আহিছে। অৱশ্যে কেতিয়াবা কেলেণ্ডাৰ মতে সেই দিনটো এদিন পিছুৱাই গৈ ১৮ ছেপ্টেম্বৰতো পৰে।

এতিয়া লক্ষ্যণীয় কথাটো হ'ল, আমাৰ মানুহবিলাক কিমান পূজাবলীয়া আৰু নকলী? কলকাতাত কৃত্ৰিমভাৱে সৃষ্টি কৰা ঘটনাটোৱেই তেওঁলোকৰ বাবে এতিয়া এটা পৰম্পৰা হ'ল। এই প্ৰসংগতে আৰু এটা কথা ক'ব পাৰি। সেয়া হ'ল, মূল সংস্কৃত বাল্মিকী ৰামায়ণত ৰামে দুৰ্গা দেৱীক পূজা কৰাৰ কথা উল্লেখ নাই; কিন্তু কৃত্তিবাসে অনুবাদ কৰা বেংগলী ৰামায়ণত দুৰ্গা দেৱীক পূজা কৰা বুলি উল্লেখ কৰিছে। তাত সেইটো কথাও কোৱা হৈছে যে আগতে বসন্ত কালত দুৰ্গা পূজা হৈছিল আৰু সেয়ে ইয়াক বাসন্তী পূজা বুলিও কোৱা হয়। পিছে ৰামে ৰাৱণক বধ কৰিবলৈ বোলে শৰৎ কালত দুৰ্গা পূজা কৰাত সেয়া অকালবোধন হ'ল।

উল্লেখযোগ্য যে উপৰি উক্ত ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰামে ৰাৱণক বধ কৰা দিনটোক পশ্চিমবংগ আৰু অসমৰ বাহিৰত অৰ্থাৎ ভাৰতবৰ্ষৰ বাকী অংশৰ মানুহে 'দশেৰা' বুলি ৰাৱণ বধৰ উৎসৱ পাতে; কিন্তু সেই একেটা দিনকে পশ্চিমবংগ আৰু অসমত বিজয়া দশমী বুলি দুৰ্গা পূজাৰ লগত উদ্‌যাপন কৰে। অৱশ্যে অসমতো দশেৰা একেবাৰে নপতা নহয়। ইয়াতো তৰুণ গগৈ মুখ্যমন্ত্ৰী হৈ থকাৰ দিনত দশেৰা পতা আমি দেখিছো। তাত তদানীন্তন মুখ্যমন্ত্ৰীজনে ৰাম হৈ ৰাৱণলৈ অগ্নিবাণ নিৰ্মাণ নিক্ষেপ কৰিছিল আৰু তেনেকৈ জুই জ্বলি ৰাৱণৰ প্ৰতিমূৰ্তি দাহ কৰা হৈছিল।

সি যি কি নহওক, প্ৰসংগতঃ এইখিনিতে আৰু এটা কথা উল্লেখ কৰা ভাল হ'ব। সেয়া হ'ল, কৃত্তিবাসে পশ্চিমবংগৰ বেংগলী পৰিৱেশৰ লগত খাপ খোৱাই মূল সংস্কৃত

খগেন পেগু

ৰামায়ণ অনুবাদ কৰি সংযোগ কৰা উপঘটনাৰ প্ৰসংগতে এটা কথা কোৱা সমীচীন হ'ব যে এহেজাৰটা ফুলেৰে দুৰ্গাক পূজা কৰাত দেৱী তুষ্ট হৈ ৰামক বিজয়ী হোৱাৰ আশীৰ্বাদ দিছিল। পিছে প্ৰশ্ন হয়, পশ্চিমবংগৰ দুৰ্গা পূজাত কোনটো সময় বা সন্ধিক্ষণত মানুহে গম নোপোৱাকৈ বলি-বিধানৰ প্ৰথাটো সোমাই গ'ল? কৃত্তিবাসে অনুবাদ কৰা বাংলা ভাষাৰ ৰামায়ণত বেংগলীসকলৰ পৰম্পৰা সোমাই দিয়াটো একো অস্বাভাৱিক কথা নহয়, যেনেকৈ কীৰ্তন-দশমত আমাৰ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই কৰিছে। সেয়ে কৃত্তিবাসে লিখা ৰামায়ণৰ মতেই বংগত বসন্ত কালৰ ঠাইত যদি শৰৎ কালত দুৰ্গা পূজা চলি গ'ল, তেন্তে সেই পূজা ৰামে কৰাৰ দৰে কেৱল ফুলেৰে চলিব লাগিছিল। তাত বলি-বিধানৰ প্ৰতিষ্ঠা হ'ব নালাগিছিল।

আচলতে কৃত্তিবাসে অনুবাদ কৰা ৰামায়ণত ভগৱান ৰামে জীৱ-জন্তুক বলি দি পূজা কৰাৰ কোনো কথাৰ উল্লেখ নাই, অথবা ৰামায়ণত তেনেকুৱা দৃষ্টান্তও পোৱা নাযায়। গতিকে দেখা যায়, মানুহৰ উগ্ৰ কামনা-বাসনা আৰু বিপৰীত চিন্তাৰ প্ৰভাৱ কিমান যে সুদূৰপ্ৰসাৰী। বিচাৰ্যৰ বিষয়, তেওঁলোকৰ উদ্দেশ্যপ্ৰণোদিত ক্ৰিয়াৰ পাকচক্ৰত পৰি আজি কেনেকৈয়ে দেখদেখকৈ মিছাটোৱে সঁচাৰ দৰে চলি গৈছে।

উল্লেখযোগ্য যে আমি ১৯৭৯ত ইঞ্জিনীয়াৰিঙত নামভৰ্তি কৰি মাজতে অসম আন্দোলনৰ বাবে ক্লাছ নকৰাকৈ ঘৰলৈ গুচি আহিছিলো। সেয়ে প্ৰায় ১৯৮০-৮১ শিক্ষা বৰ্ষটো পৰিত্যক্ত হৈছিল। বাকী ১৯৮১ৰ পৰা ১৯৮৫ৰ মাৰ্চলৈকে আমি যিটো দেখা পাইছিলো, তেতিয়া দুৰ্গা পূজাৰ উদ্‌যাপন কেৱল গুৱাহাটীৰ পাণ্ডু, মালিগাঁও অঞ্চলতহে সীমিত আছিল।

এতিয়া তেনেকৈ দেখা যায় যে খ্ৰীষ্টানসকলৰ দৰে ব'ম ভোলেসকলেও হয়তো পথৰ কাষত গছ এজোপা ডাঙৰ হোৱা দেখিলে ৰাতি মানুহে নেদেখাকৈ তাত ৰঙা কাপোৰ মেৰিয়াই দিয়ে। তাৰ পাছত ওচৰত ত্ৰিশূল এডাল থিয় কৰাই লয়। ওচৰৰ মানুহে তাক দেখি প্ৰথমতে অলপ আচহুৱা আচহুৱা যেন লাগিলেও মানুহজনক খেদি দিলে হয়তো অপকাৰ হ'ব পাৰে বুলি ভয় কৰি মনে মনে থাকে আৰু লাহে লাহে এনেয়ে ওচৰ চাপি আহে। তেনেকৈ তাত এটা মঠ বা মন্দিৰেই নিৰ্মাণ হৈ উঠে। ব'ম ভোলেবিলাকে আনকি মানুহে গৈ নোপোৱা অটব্য অৰণ্যৰ মাজতো য'ত জলপ্ৰপাত বা আকাশীগংগা বৈ যায়, তাতে কিবা গুহা-গহ্বৰবিলাকত য'ত ডাঙৰ শিল এচটা বা দুচটা থিয় হৈ থাকে সেইবিলাকৰ কোনোবা ঠাইত তেনেকৈ খোপনি পুতি বহে। তাত তেওঁলোকে প্ৰথমে ৰঙা কাপোৰ মেৰিয়াই ত্ৰিশূল থিয় কৰায়। তাৰ পাছত মঠ-মন্দিৰৰ সৃষ্টি কৰে।

আজি-কালি দেখা যায় উপৰি উক্ত ধৰণে মন্দিৰ নিৰ্মাণ কৰোতে কৰোতে এক প্ৰকাৰ এক-দুই কিলোমিটাৰৰ অন্তৰে অন্তৰে মন্দিৰেই মন্দিৰ হ'ল, যিটো নেকি একপ্ৰকাৰৰ ধৰ্মীয় ব্যভিচাৰ। ভালকৈ লক্ষ্য কৰিলে দেখা যায়, সেই ব্যভিচাৰৰ আঁৰত কাৰোবাৰ স্বাৰ্থ নিহিত হৈ আছে। অৰ্থাৎ সেইবোৰ একো একোজন ব'মভোলেৰ সংস্থাপনৰহে ব্যৱস্থা। খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰাসকলক যেনেকৈ মাহে মাহে আৰ্থিক সাহায্যৰ ব্যৱস্থা কৰে তেনেকৈ ব'মভোলেসকলকো ঠায়ে ঠায়ে মন্দিৰ প্ৰতিষ্ঠাৰ জৰিয়তে পইচা সংগ্ৰহ কৰি জীয়াই থকাৰ ব্যৱস্থা কৰি দিয়ে। ফলত যি দেখা গৈছে, এটা সময়ত ভাৰতবৰ্ষ তথা অসমৰ মাটিৰ বাট-পথবিলাক মন্দিৰেৰে ভৰি পৰিব, যিটো প্ৰকৃততে ধৰ্ম নহয় একপ্ৰকাৰৰ ব্যভিচাৰহে। তেনে ব্যভিচাৰ এতিয়াই ৰোধ নকৰিলে ৰাস্তা-পদুলি সকলোবোৰ এটা সময়ত পূজাৰ পাছত য'ত-ত'ত পেলাই থোৱা মূৰ্তিবোৰৰ দৰেই অসংখ্য হ'বগৈ তেনেকৈ পৰিৱেশ-পৰিস্থিতি বেছিকৈ লেতেৰা আৰু দূষিত হৈ গৈ থাকিব।

সেই কথা সকলোৱে জনা দৰকাৰ, বৰ্তমান সময়ত য'ত-ত'ত ঘৰ-বাৰীৰ সংখ্যা বেছি হৈ গৈ আছে। তেনেকৈ পৰিৱেশ-পৰিস্থিতিও বেছিকৈ দূষিত হৈ গৈ আছে। তাতে আকৌ মদ-ভাং খাই ব'মভোলে বিলাকৰ উৎপাত আৰু দৌৰাত্ম্য, যিটো অসমৰ বাহিৰৰ পৰা আমদানি কৰা অপ-সংস্কৃতিৰ প্ৰভাৱ। তেনেস্থলত অদৰকাৰী আৰু অপ্ৰয়োজনীয়ভাৱে মন্দিৰৰ সংখ্যা অতিপাত বৃদ্ধি হৈ পৰিৱেশ-পৰিস্থিতি দূষিত হোৱাটোও মানৱ সমাজৰ সুস্থতাৰ বাবে চিন্তাৰ কাৰণ হৈ পৰিছে। সেয়ে লেতেৰা আৰু দূষিত হৈ ভৱিষ্যতে যাতে তেনেকৈ পৰিৱেশ-পৰিস্থিতিৰ অধিক অৱনতি ঘটিব নোৱাৰে, তাৰ বাবে এতিয়াই উপায় চিন্তা কৰি সতৰ্ক নহ'লে মানৱ সমাজৰ ভৱিষ্যত বিষময় হ'ব আৰু অন্ধকাৰেৰে ভৰি পৰিব।

*ফোন ঃ ৯৪৩৫৩৫০২৮৫*



## আমেৰিকাত পুনৰ আক্ৰমণ, লাছ ভেগাছত ছুৰিকাঘাতত নিহত কমেও দুজন, আহত তিনি

**নিউজ ব্যুৰ' লাছ ভেগাছ, ৭ অক্টোবৰ ঃ** পুনৰ ৰক্তাক্ত হ'ল আমেৰিকা। এইবাৰ লাছ ভেগাছত আততায়ীৰ তাণ্ডৱত প্ৰাণ হেৰুৱালে কমেও দুজন লোকে। ইফালে গুৰুতৰভাৱে আহত হ'ল আন তিনিজন লোক। আহতৰ অৱস্থা সংকটজনক হোৱাৰ প্ৰতি লক্ষ্য ৰাখি মৃতকৰ সংখ্যা বৃদ্ধিৰ শংকা আছে। আৰক্ষীৰ সূত্ৰৰ খবৰ অনুসৰি, স্থানীয় সময়ত বৃহস্পতিবাৰে পুৱা ১১-৪০ মিনিটত লাছ ভেগাছৰ ৰাজপথত এজন ব্যক্তিয়ে পথচাৰীক ছুৰীৰে আক্ৰণ কৰে। আক্ৰমণকাৰী যুৱক এজনৰ হাতত এখন দীঘল ছুৰী আছিল আৰু তেওঁ হঠাতে পথচাৰীক ছুৰীৰে আঘাত হানিছিল। যুৱকৰ আক্ৰমণত ঘটনাস্থলীতে দুজন লোকে প্ৰাণ হেৰুৱালে আৰু আন তিনিজন গুৰুতৰভাৱে আহত হয়। আৰক্ষীয়ে লাভ কৰা তথ্য অনুসৰি আক্ৰমণকাৰী যুৱক মানসিকভাৱে সমস্যাগ্ৰস্ত।

## এইখন এছিয়াৰ সবাতোকৈ ধনী গাঁও, গাঁৱৰ প্ৰতিজন বাসিন্দাই কোটিপতি



**নিউজ ব্যুৰ', ইটানগৰ, ৭ অক্টোবৰ ঃ** এছিয়াৰ সবাতোকৈ ধনী গাঁওখন আছে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত। এই গাঁৱত আপুনি হেজাৰ বিচাৰিলেও এজনো দৰিদ্ৰ লোকক উলিয়াব নোৱাৰিব। গাঁওখনত বাস কৰা প্ৰতিজন বাসিন্দাই হৈছে কোটিপতি। হয়, অৰুণাচল প্ৰদেশৰ টাৱাঙত আছে এইখন এছিয়াৰ সবাতোকৈ ধনাঢ্য গাঁও। বৌমজা নামৰ গাঁওখনৰ প্ৰতিজন বাসিন্দাই কেনেকৈ ইমান ধনী হ'ল? দৰাচলতে এইখন গাঁৱত কিছু বছৰ পূৰ্বে চৰকাৰে কৃষকৰ পৰা ভূমি অধিগ্ৰহণ কৰিছিল। বৌমজা গাঁৱৰ বাসিন্দাৰ ভূমি অধিগ্ৰহণ কৰাৰ বাবদ চৰকাৰে গাঁওবাসীক মুঠ ৪০ কোটি ৮০ লাখ ৩৮ হেজাৰ ৪০০ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰিছিল। এইদৰে চৰকাৰৰ পৰা ভূমি অধিগ্ৰহণৰ বাবদ লাভ কৰা ক্ষতিপূৰণৰ কোটিটকীয়া ধনৰে বৌমজা গাঁৱৰ বাসিন্দাসকল কোটিপতি ব্যক্তিত পৰিণত হৈছিল। ক্ষুদ্ৰ গাঁওখনৰ প্ৰতিটো পৰিয়ালে এতিয়া যথেষ্ট আঢ্যৱন্ত।

## উইঘূৰ মুছলমানক নিৰ্যাতন ঃ ৰাষ্ট্ৰসংঘৰ মঞ্চত চীনৰ বিৰোধিতা নকৰিলে ভাৰতে



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ অক্টোবৰ ঃ** ৰাষ্ট্ৰসংঘৰ মঞ্চত উইঘূৰ মুছলমানক নিৰ্যাতন চলোৱাৰ প্ৰসংগত চীনৰ বিৰুদ্ধে থিয় নিদিলে ভাৰতে। উল্লেখ্য যে চীনৰ অশান্ত চিনজিয়াং প্ৰদেশৰ মানৱাধিকাৰ পৰিস্থিতিৰ সন্দৰ্ভত বিতৰ্কৰ অনুষ্ঠানত ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ পৰিষদৰ খচৰা প্ৰস্তাৱত ভোটদানৰ পৰা বিৰত থাকিল ভাৰত। একাধিক মানৱাধিকাৰ সংগঠনৰ অভিযোগ অনুসৰি, বছৰৰ পাছত বছৰ ধৰি চীনৰ উত্তৰ-পশ্চিমৰ জিনজিয়াং প্ৰদেশৰ উইঘূৰ মুছলমানসকলক দেশখনৰ প্ৰশাসনে নিৰ্যাতন চলাই আহিছে। আনকি ১০ লক্ষাধিক উইঘূৰক আটক কৰি ৰখা বুলিও মানৱাধিকাৰ সংগঠনে অভিযোগ কৰিছিল। এই বিষয়ত ৰাষ্ট্ৰসংঘৰ মঞ্চত চীনৰ বিৰুদ্ধে মানৱাধিকাৰ লংঘনৰ প্ৰশ্নত বিতৰ্কৰ খচৰা প্ৰস্তাৱৰ সপক্ষে ভোট দিলে ১৭ খন দেশে। আনহাতে, চীনৰ বিৰুদ্ধে উত্থাপিত প্ৰস্তাৱৰ বিৰুদ্ধে ভোট দিলে চীনসহ ১৯ খন দেশে। ভাৰত, ব্ৰাজিল, মেক্সিকো, ইউক্ৰেইনসহ ১১ খন দেশে ভোটদানৰ পৰা বিৰত থাকিল।

## 'থ্ৰি ইডিয়টছ' খ্যাত বৰ্ষীয়ান অভিনেতা অৰুণ বালিৰ মৃত্যু



**নিউজ ব্যুৰ', মুম্বাই, ৭ অক্টোবৰ ঃ** হিন্দী চলচ্চিত্ৰৰ প্ৰবীণ অভিনেতা অৰুণ বালিৰ ৭৯ বছৰ বয়সত মৃত্যু হ'ল। 'থ্ৰি ইডিয়টছ'সহ কে'বাখনো হিন্দী ছবি অভিনয় কৰা বৰ্ষীয়ান অভিনেতাজনে বিগত কিছুদিন ধৰি স্নায়ুজনিত বিৰল ৰোগত আক্ৰান্ত হৈছিল। আজি পুৱাতে বালিয়ে মুম্বাইৰ এখন বেচৰকাৰী চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। বালিয়ে 'কেডাৰনাথ', 'পানীপথ', 'ৰেডি', 'জমিন', 'লাল সিং চড্ডা'ৰ দৰে ছবিত অভিনয় কৰিছিল। যোৱা জানুৱাৰীত তেওঁক স্বাস্থ্যজনিত কাৰণত প্ৰথমবাৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল।

## পাকিস্তানী নাৱৰ পৰা দুহেজাৰ কোটি টকাৰ হেৰ'ইন জব্দ নৌসেনা-এনচিবিৰ



**নিউজ ব্যুৰ', কোচ্চি, ৭ অক্টোবৰ ঃ** দেশজুৰি নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে ব্যাপক অভিযান অব্যাহত ৰখা নাৰ্ক'টিক্স কণ্ট্ৰ'ল ব্যুৰ' (এনচিবি)-এ আকৌ এবাৰ বৃহৎ সফলতা লাভ কৰিলে। ভাৰতীয় নৌসেনা আৰু এনচিবিয়ে কোচ্চিত সমুদ্ৰ অভিযান চলাই এখন পাকিস্তানী নাৱৰ পৰা ২০০ কিলোগ্ৰাম হেৰ'ইন জব্দ কৰিলে। নৌসেনা আৰু এনচিবিয়ে নিষিদ্ধ মাদক দ্ৰব্যৰ লগতে ছজন বিদেশী নাগৰিককো গ্ৰেপ্তাৰ কৰে। এনচিবিৰ বিষয়াই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, জব্দ কৰা পাকিস্তানী নাৱৰ পৰা উদ্ধাৰ হোৱা ২০০ কিলোগ্ৰাম হেৰ'ইনৰ মূল্য আন্তৰ্জাতিক বজাৰত প্ৰায় দুহেজাৰ কোটি টকা হ'ব।

### সঠিক জীৱন শৈলী অৱলম্বন নকৰিলে যিকোনো বয়সতে যকৃত কৰ্কট হোৱাৰ শংকা থাকে

## আগন্তুক ২০ বছৰত যকৃত কৰ্কটত মৃত্যু ৫৫ শতাংশ পাব বৃদ্ধি

**নিউজ ব্যুৰ' নতুন দিল্লী, ৭ অক্টোবৰ ঃ** সম্প্ৰীতি এক সমীক্ষাত উল্লেখ কৰা অনুসৰি ২০২০ বৰ্ষত বিশ্বৰ ৪৬ খন দেশত অধিকাংশ লোকৰ মৃত্যুৰ কাৰণ হিচাপে চিনাক্ত কৰা হৈছিল যকৃতৰ কৰ্কটক। ২০৪০ বৰ্ষৰ ভিতৰত যকৃত কৰ্কটত আক্ৰান্ত হৈ মৃত্যু হোৱাৰ ঘটনা বিশ্বত বছৰি ৫৫ শতাংশ বৃদ্ধিৰ শংকা আছে। 'জাৰ্ণেল অৱ হেপাট'লজি' নামৰ চিকিৎসা গৱেষণা বিষয়ক




পত্ৰিকাত এই তথ্য উল্লেখ কৰা হৈছে। চিকিৎসকে প্ৰকাশ কৰা অনুসৰি প্ৰতি বছৰে বিশ্বজুৰি যকৃত কৰ্কটত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাইছে। অত্যধিক সুৰাপান কৰা, শৰীৰৰ ওজন বৃদ্ধি, টাইপ ২ ডায়বেটিছ আদি কাৰণত যকৃত কৰ্কটৰ শংকা বৃদ্ধি পায়। 'ইণ্টাৰনেচনেল এজেন্সি ফৰ ৰিচাৰ্চ অন কেন্সাৰ'ৰ তথ্য অনুসৰি যোৱা ২০২০ বৰ্ষত বিশ্বজুৰি প্ৰায় আঠ লাখ লোক যকৃত কৰ্কটত আক্ৰান্ত হৈছিল। পূব এছিয়া আৰু উত্তৰ আফ্ৰিকাত যকৃত কৰ্কটত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা বিশ্বৰ ভিতৰতে সৰ্বাধিক। স্বাস্থ্য গৱেষকৰ মতে, যকৃত কৰ্কটত আক্ৰান্ত হৈ মৃত্যুৰ হাৰ আগন্তুক সময়ত অধিক বৃদ্ধি পাব। নামমাত্ৰ খাদ্য গ্ৰহণ, অস্বাস্থ্যকৰ জীৱন যাপন, সুৰাপান, নিদ্ৰাহীনতা, অত্যধিক কৰ্মব্যস্ততা ইত্যাদি কাৰণত মানৱ দেহৰ যকৃত ক্ষতিগ্ৰস্ত হয়। অত্যধিক তেল-মছলা, চৰ্বিযুক্ত খাদ্য, জাংক ফুড, ফাষ্ট ফুড, সংসাধিত খাদ্য, মিঠা খাদ্য খোৱাৰ ফলতো যকৃতৰ ক্ষতি হয়। সঠিক জীৱন শৈলী অৱলম্বন নকৰিলে যিকোনো বয়সতে যকৃত কৰ্কট হোৱাৰ শংকা থাকে। সেয়েহে চিকিৎসকে পৰামৰ্শ দি কৈছে যে প্ৰতিজন ব্যক্তিয়ে যকৃত সুস্থ ৰখাৰ বাবে প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰা উচিত।



## দেশৰ দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা ১৯৯৭ জনলৈ হ্ৰাস, মৃত্যু ১৩ জনৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৭ অক্টোবৰ ঃ** উৎসৱৰ বতৰতে ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে দেশত ক'ভিডৰ দৈনিক সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ১৯৯৭ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। বৃহস্পতিবাৰে দেশত দৈনিক আক্ৰান্তৰ সংখ্যা আঢ়ৈ হেজাৰৰ অধিক আছিল। বৰ্তমানে ভাৰতত ৩০,৩৬২ জন সক্ৰিয় ক'ভিড ৰোগী আছে।
ইফালে এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত যোৱা ২৪ ঘণ্টাত দেশত প্ৰাণ হেৰুৱালে ১৩ জন লোকে।


## কেন্দ্ৰক পৰামৰ্শ নিৰ্বাচন আয়োগৰ ঃ এজন ব্যক্তিয়ে এটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰক



**নিউজ ব্যুৰ', নতুন দিল্লী, ৭ অক্টোবৰ ঃ** এজন ব্যক্তিয়ে নিৰ্বাচনত যিকোনো এটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব। জনপ্ৰতিনিধিত্ব আইন সংশোধন কৰি কেন্দ্ৰীয় চৰকাৰে এই নিয়ম দেশত প্ৰৱৰ্তন কৰক। ১৮ বছৰৰ পাছত পুনৰ কেন্দ্ৰীয় চৰকাৰক এই পৰামৰ্শ দিলে দেশৰ নিৰ্বাচন আয়োগে। উল্লেখ্য যে ইয়াৰ পূৰ্বে ২০০৪ বৰ্ষত আয়োগে একে পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰক দিছিল। সম্প্ৰতি উচ্চতম ন্যায়ালয়ে এই বিষয়টো বিবেচনা কৰিবলৈ পৰামৰ্শ দিছিল নিৰ্বাচন আয়োগ আৰু কেন্দ্ৰীয় চৰকাৰক। এই ক্ষেত্ৰত নিৰ্বাচন আয়োগৰ যুক্তি হৈছে যে কোনো এজন ব্যক্তিয়ে একেলগে একাধিক সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিলে দুয়োটা সমষ্টিত জয়লাভ কৰিলে এটা সমষ্টি ত্যাগ কৰিব লগা হয়। এনে পৰিস্থিতিত সমষ্টিত পুনৰ নিৰ্বাচনৰ প্ৰয়োজন হয় আৰু ইয়াৰ ফলত চৰকাৰী ধনৰ অপচয় হয়। তদুপৰি দুটা সমষ্টিত একেলগে জয়লাভ কৰাৰ পাছত এটা সমষ্টি ত্যাগ কৰিলে সেই সমষ্টিৰ ভোটদাতাসকলকো জনপ্ৰতিনিধিয়ে বিশ্বাসঘাতকতা কৰা হয়।

## কাশ্মীৰত ৭৫ বছৰৰ অভিলেখ ভংগ, স্বাধীনতাৰ পাছত প্ৰথমবাৰ উপস্থিত হ'ল ১.৬২ কোটি পৰ্যটক

**নিউজ ব্যুৰ', শ্ৰীনগৰ, ৭ অক্টোবৰ ঃ** জম্মু-কাশ্মীৰত চলিত বৰ্ষত বৰ্তমানলৈকে অভিলেখ সংখ্যক ১.৬২ কোটি পৰ্যটকে বাহৰ পাতিলে। দেশৰ স্বাধীনতাৰ পাছত প্ৰথমবাৰৰ বাবে ইমান বৃহৎ সংখ্যক পৰ্যটকে জম্মু-কাশ্মীৰ ভ্ৰমণ কৰিলে। জম্মু-কাশ্মীৰ পৰ্যটন বিভাগে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ভাৰতীয় সংবিধানৰ ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰৰ পাছত বিগত ৭৫ বছৰৰ পাছত কাশ্মীৰত উপস্থিত হ'ল সৰ্বাধিক সংখ্যক



পৰ্যটক। বিগত তিনি দশকৰ পাছত কাশ্মীৰে লাখ লাখ পৰ্যটকক আকৰ্ষিত কৰিবলৈ সফল হৈছে। পৰ্যটন বিশেষজ্ঞই এই সন্দৰ্ভত মন্তব্য কৰি কয় যে কাশ্মীৰৰ পৰ্যটন উদ্যোগলৈ পুনৰ স্বৰ্ণ যুগৰ আগমন ঘটিল। উল্লেখ্য যে পৰ্যটন হৈছে জম্মু-কাশ্মীৰৰ ৰাজহৰ অন্যতম উৎস। পহিলা জানুৱাৰীৰ পৰা বৰ্তমানলৈকে ১.৬২ কোটি পৰ্যটকে জম্মু-কাশ্মীৰ ভ্ৰমণ কৰিব। চলিত বৰ্ষৰ প্ৰথম আঠ মাহত ৩.৬৫ লাখ অমৰনাথ যাত্ৰীসহ মুঠ ২০.৫ লাখ পৰ্যটকে কাশ্মীৰ ভ্ৰমণ কৰিছিল।

## তেলেংগানাৰ মুখ্যমন্ত্ৰীৰে মতভেদ বৃদ্ধি কন্যাৰ, দলত বিভাজনৰ শংকা

**নিউজ ব্যুৰ', হায়দৰাবাদ, ৭ অক্টোবৰ ঃ** তেলেংগানাৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাৱৰ স'তে তেওঁৰ কন্যা কবিতাৰ মতানৈক্য ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। একাধিক বিষয়ত পিতৃৰ স'তে কবিতাৰ মতপাৰ্থক্যৰ সংঘাত ঘটিছে। শেহতীয়াভাৱে ৰাৱে তেলেংগানা ৰাষ্ট্ৰ সমিতি (টিআৰএছ)ৰ নাম সলনি কৰি ভাৰত ৰাষ্ট্ৰ সমিতি ৰাখিছিল। দলৰ নাম সলনিৰ ঘোষণা মঞ্চতো উপস্থিত নাছিল বিধান পৰিষদৰ সদস্য কবিতা। তদুপৰি মুনোগুবেৰ উপনিৰ্বাচনত দলৰ ফালৰ পৰা দায়িত্ব অৰ্পণ কৰা নেতাৰ তালিকাতো নাম নাই কবিতাৰ। টিআৰএছে উপনিৰ্বাচনৰ দায়িত্ব অৰ্পণ কৰিলে ৰাৱৰ পুত্ৰ তথা মন্ত্ৰী কেটিআৰক। পিতৃৰ স'তে একাধিক বিষয়ত হোৱা মতানৈক্যৰ কাৰণতে কবিতাই দলীয় কাম-কাজত সক্ৰিয়তা প্ৰদৰ্শন কৰা নাই বুলি তেলেংগানাত চৰ্চিত হৈছে। পিতৃ আৰু কন্যাৰ এই মতানৈক্যৰ ফলত টিআৰএছৰ বিভাজন ঘটাৰ শংকাও প্ৰকট হৈছে।



## এলন মাস্কতকৈও ধনী পুটিন! বাস কৰে ১০০ বিলিয়ন টকাৰ বাসগৃহত


**নিউজ ব্যুৰ', মস্কো, ৭ অক্টোবৰ ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে আজি নিজৰ ৭০ সংখ্যক জন্মদিন উদ্‌যাপন কৰে। ৰাছিয়াত পুটিন এজন সাহসী ৰাষ্ট্ৰনেতা হিচাপে পৰিচিত। কিন্তু পশ্চিম বিশ্বই পুটিনক প্ৰায়ে সমালোচনা কৰি আহিছে। ৰাছিয়াত পুটিনৰ সবাতোকৈ কঠোৰ সমালোচক হিচাপে পৰিচিত বিৰোধী নেতা এলেক্সেই নভালানিয়ে উত্থাপন কৰা অভিযোগ অনুসৰি পুটিন বিশ্বৰ ভিতৰতে সবাতোকৈ ধনাঢ্য ব্যক্তি। বিলাসী গাড়ী, প্ৰমোদতৰী, বিলাসী বিমানৰ লগতে পুটিনৰ আছে ১০০ বিলিয়ন টকাৰ মূল্যৰ এক অতি বিলাসী ৰাজপ্ৰাসাদ সদৃশ বাসগৃহ। 'দ্য ছান'ৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, পুটিনৰ সংগ্ৰহত আছে ৯৬৪১ বিলিয়ন টকা মূল্যৰ স্বৰ্ণ ভাণ্ডাৰ। একেটা প্ৰতিবেদনত দাবী কৰা অনুসৰি পুটিন ১৬০ বিলিয়ন পাউণ্ডৰ অৰ্থাৎ ১,৬২,৪১,৯৯,৪৯,৭৬,০০০ কোটি



টকাৰ সম্পত্তিৰ অধিকাৰী। এই তথ্য শুদ্ধ হ'লে বৰ্তমানে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্কতকৈও অধিক সম্পত্তিৰ গৰাকী হ'ব ৰুছ ৰাষ্ট্ৰপতি। অৱশ্যে পুটিনে এনেবোৰ দাবীক অস্বীকাৰ কৰি পূৰ্বে কৈছিল যে তেওঁৰ সম্পত্তিৰ পৰিমাণ প্ৰায় এক কোটি টকাৰ মূল্যৰহে। পুটিন বিৰোধী নেতাই দাবী কৰা অনুসৰি ৰুছ ৰাষ্ট্ৰপতিৰ সংগ্ৰহত সাত হেজাৰ বিলাসী গাড়ী, ৪৩ খন ব্যক্তিগত বিমান আৰু ১৫ খন হেলিকপ্টাৰ আছে।

## পৰিচাৰিকাৰ প্ৰেমত পৰিছিল পুটিন

**নিউজ ব্যুৰ' মস্কো, ৭ অক্টোবৰ ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন ব্যক্তিগত জীৱনৰ জৰিয়তেও সময়ে সময়ে সংবাদ মাধ্যমত চৰ্চিত হৈ আহিছে আজি পুটিনে ৭০ সংখ্যক জন্মদিন পালন কৰে। ৰুছ ৰাষ্ট্ৰপতিৰ জন্মদিনৰ দিনাই আন্তৰ্জাতিক সংবাদ মাধ্যমত পুটিনৰ এক গোপন প্ৰেম কাহিনী ৰাজহুৱা হ'ল। পশ্চিম বিশ্বৰ সংবাদ মাধ্যমৰ দাবী অনুসৰি, এগৰাকী ব্যক্তিগত পৰিচাৰিকাৰ স'তেও প্ৰেমৰ সম্পৰ্কত আবদ্ধ হৈছিল পুটিন।



১৯৮৩ত ৰুছ যুৱতী ইয়ুদমিলা স্ক্ৰেবিভাক পত্নী হিচাপে গ্ৰহণ কৰিছিল পুটিনে। অৱশ্যে ৩০ বছৰীয়া দাম্পত্য জীৱনৰ পাছত ২০১৩ত পুটিনৰ বিবাহ বিচ্ছেদ হৈছে। পুটিনৰ বিবাহ বিচ্ছেদৰ কাৰণ আছিল আন নাৰীৰে থকা তেওঁৰ গোপন সম্পৰ্ক। ২০০৪ত অলিম্পিকৰ স্বৰ্ণ পদক লাভ কৰা খেলুৱৈ এলিনা কাবাইভাৰ স'তেও পুটিনৰ প্ৰেমৰ কাহিনী পশ্চিমৰ সংবাদ মাধ্যমত চৰ্চিত হৈছিল। এলিনাৰ লগতে চেভেতলানা ক্ৰিভনগিখ নামৰ আন এগৰাকী যুৱতীৰ স'তেও পুটিনৰ সম্পৰ্ক আছিল। পশ্চিমৰ সংবাদ মাধ্যমৰ দাবী অনুসৰি, চেভেতলানা আছিল পুটিনৰ এগৰাকী পৰিচাৰিকা। চেভেতলানাৰ কন্যা সন্তানৰ পিতৃ পুটিন বুলিও পশ্চিমৰ সংবাদ মাধ্যমে দাবী কৰে।

## ১৮ কোটিৰ ফিক্সড ডিপ'জিট, ৫৩ খন দলিল ঃ অনুব্ৰতৰ বিৰুদ্ধে চিবিআইৰ অভিযোগনামাৰ তথ্য

**নিউজ ব্যুৰ', কলকাতা, ৭ অক্টোবৰ ঃ** অবৈধ গৰুৰ সৰবৰাহ গোচৰত অভিযুক্ত তৃণমূল কংগ্ৰেছৰ নেতা তথা মন্ত্ৰী অনুব্ৰত মণ্ডল ওৰফে কেষ্টৰ বিৰুদ্ধে বৃহৎ পৰিমাণৰ সম্পত্তি আহৰণৰ তথ্য অভিযোগনামাত উল্লেখ কৰিলে চিবিআয়ে। আজি পুৱাতে আছানচোলৰ আদালতত এই গোচৰৰ পৰিপূৰক অভিযোগনামা দাখিল কৰিলে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে। অভিযোগনামাত চিবিআয়ে উল্লেখ কৰা অনুসৰি অনুব্ৰতৰ মুঠ ১৮ কোটি টকাৰ ফিক্সড ডিপ'জিট আছে আৰু তেওঁৰ নামত



থকা দলিলৰ সংখ্যা হৈছে ৫৩ খন। তদুপৰি অনুব্ৰতৰ নামত ২৫ খন বেনামী দলিল থকা বুলিও অভিযোগনামাত তথ্য উল্লেখ কৰিছে। অনুব্ৰত আৰু পৰিয়ালৰ আন সদস্যৰ নামত এইসমূহ সা-সম্পত্তি আছে। অভিযোগনামাত উল্লেখ কৰা অনুসৰি, তৃণমূল কংগ্ৰেছৰ নেতাজনৰ তিনিটাকৈ ধানৰ মিল আছে। উক্ত ধান কলৰ নামত থকা বিভিন্ন বেংকৰ একাউণ্টৰ তথ্যও চিবিআয়ে অভিযোগনামাত প্ৰকাশ কৰিছে। ৩৫ পৃষ্ঠাৰ অভিযোগনামাত চিবিআয়ে অনুব্ৰতৰ বিৰুদ্ধে একাধিক ধাৰাত অভিযোগ উত্থাপন কৰিছে। ভাৰতীয় দণ্ডবিধিৰ ১০৯, ১২০ (বি), ৪২০, ৭, ৯, ১১, ১২, ১৩ (২), ১৩ (১ ডি) ধাৰাত চিবিআয়ে অনুব্ৰতৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে।

## আমেৰিকাত ভাৰতীয়ৰ বিৰুদ্ধে পুনৰ বৃদ্ধি ঘৃণা অপৰাধ, শাড়ী পৰিহিতা ১৪ মহিলাক আক্ৰমণ

**নিউজ ব্যুৰ', কেলিফৰ্ণিয়া, ৭ অক্টোবৰ ঃ** আমেৰিকাৰ কেলিফৰ্ণিয়াত এজন ব্যক্তিয়ে কমেও ১৪ গৰাকী হিন্দু মহিলাক আক্ৰমণ কৰিলে। এইসকল মহিলাই শাড়ী তথা অন্যান্য ভাৰতীয় পৰম্পৰাগত পোছাকৰ লগতে বিন্দী আদি পৰিধান কৰিছিল। ছাণ্টা ক্লাৰা প্ৰদেশৰ জিলা এটৰ্নিৰ কাৰ্যালয়ে জনোৱা অনুসৰি ৩৭ বছৰীয়া লাথন জনছন নামৰ এজন ব্যক্তিয়ে হিন্দু মহিলাক আক্ৰমণৰ লক্ষ্য হিচাপে লৈছিল আৰু জনছনে মহিলাকেইগৰাকীৰ পৰা



অলংকাৰ আদি কাঢ়ি লৈছিল। জনছনৰ আক্ৰমণৰ ফলত একাধিক মহিলা আহত হৈছিল। যোৱা জুনৰ পৰা জনছনে উক্ত অঞ্চলত শাড়ী পৰিহিতা হিন্দু মহিলাক এইদৰে আতিশয্য চলাই আহিছিল। জনছনৰ এনে ঘৃণা আক্ৰমণৰ বলি হোৱা হিন্দু মহিলাসকলৰ বয়স ৫০-৭৩ বছৰৰ ভিতৰত আছিল। শেহতীয়াভাৱে কেলিফৰ্ণিয়া আৰক্ষীয়ে তদন্ত চলাই অভিযুক্তক গ্ৰেপ্তাৰ কৰে। আদালতত দোষী সাব্যস্ত হ'লে জনছনৰ সৰ্বাধিক ৬৩ বছৰৰ কাৰাদণ্ড হ'ব পাৰে। জনছনৰ বিৰুদ্ধে উত্থাপিত ঘৃণা অপৰাধৰ গোচৰৰ পৰৱৰ্তী শুনানি অহা চাৰি নৱেম্বৰত আদালতে গ্ৰহণ কৰিব।

## 'শক্তিমান' খ্যাত অভিনেত্ৰী নূপুৰ এতিয়া সাধ্বী হ'ল, ভিক্ষাবৃত্তিৰে কৰিছে জীৱন নিৰ্বাহ

**নিউজ ব্যুৰ', গোবৰ্ধন, ৭ অক্টোবৰ ঃ** 'শক্তিমান', 'ঘৰ কী লক্ষ্মী বেটিয়া', 'তন্ত্ৰ' খ্যাত টেলিভিছন ধাৰাবাহিকৰ জনপ্ৰিয় অভিনেত্ৰী নূপুৰ অলংকাৰে সম্প্ৰতি



গোবৰ্ধনত সাধ্বী হিচাপে জীৱন যাপন কৰিছে। অভিনয়ৰ জগতৰ পৰা আঁতৰি আহি নূপুৰে সন্ন্যাসিনীৰ বেশত গোবৰ্ধনৰ ৰাজপথত মানুহৰ পৰা ভিক্ষা মাগি জীৱন অতিবাহিত কৰিছে। শেহতীয়াভাৱে সামাজিক মাধ্যমত অভিনেত্ৰীগৰাকীয়ে ভিক্ষা বৃত্তিৰে সন্ন্যাসিনীৰ জীৱন যাপন কৰাৰ এক ভিডিঅ' ভাইৰেল হৈছে। উক্ত ভিডিঅ'ত প্ৰত্যক্ষ হোৱা অনুসৰি নূপুৰে সাধ্বীৰ বেশত শুদা ভৰিৰে পথত খোজকাঢ়ি পথাচাৰীৰ পৰা ভিক্ষা বিচাৰিছে। উক্ত ভিডিঅ'ত নূপুৰে কয় যে ভিক্ষা কৰি তেওঁ সেইদিনা ২১ টকা আৰু কিছু চাউল লাভ কৰিছিল আৰু এয়াই হৈছে সম্প্ৰতি তেওঁৰ দৈনন্দিন উপাৰ্জন। বিগত এসপ্তাহ ধৰি ভগৱান শ্ৰীকৃষ্ণৰ শৈশৱৰ বিচৰণভূমি গোবৰ্ধনত নূপুৰে সন্ন্যাসীৰ জীৱন যাপন কৰিছে। নূপুৰে প্ৰকাশ কৰা অনুসৰি তেওঁ গুৰু শম্ভু শৰণ ঝাৰ সামদেৱ ট্ৰাষ্টৰ স'তে জড়িত আৰু শেহতীয়াভাৱে তেওঁ আধ্যাত্মিকতাৰ প্ৰতি বিশেষভাৱে আকৰ্ষণ অনুভৱ কৰিছে। তলাবন্ধৰ সময়ত নূপুৰৰ মাতৃ অসুস্থ হৈছিল আৰু আৰ্থিক অনাটনৰ সন্মুখীন হোৱা নূপুৰে বিভিন্নজনৰ পৰা আৰ্থিক সহায় বিচাৰিছিল। বহু লোকে সেই সময়ত তেওঁক আৰ্থিকভাৱে সহায় কৰিছিল যদিও ইয়াৰ পাছতো নূপুৰে মাতৃৰ প্ৰাণ ৰক্ষা কৰিব নোৱাৰিলে। এই ঘটনাৰ পাছতে জীৱনৰ প্ৰতি নূপুৰৰ মোহভংগ ঘটে আৰু তেওঁ সন্ন্যাস গ্ৰহণৰ সিদ্ধান্ত লয়।

## মাত্ৰ ছদিনতে ৩১৮ কোটি টকাৰ ব্যৱসায় ঐশ্বৰ্যৰ ছবি 'প'ন্নিয়িন ছেলভান'ৰ



**নিউজ ব্যুৰ', মুম্বাই, ৭ অক্টোবৰ ঃ** বিশ্বজুৰি বক্স অফিচত সফলতা অৰ্জন কৰিলে সদ্যমুক্তিপ্ৰাপ্ত দক্ষিণ ভাৰতৰ ছবি 'প'ন্নিয়িন ছেলভান-১'-এ। মণি ৰত্নমৰ শেহতীয়া মুক্তিপ্ৰাপ্ত চলচ্চিত্ৰ 'প'ন্নিয়িন ছেলভান-১' মুক্তিৰ সাতদিনৰ পাছতো বক্স অফিচত আধিপত্য অব্যাহত ৰাখিছে। মাত্ৰ ছদিনতে এইখন ছবিয়ে সংগ্ৰহ কৰিলে ৩১৮ কোটি টকা। কেৱল তামিলনাডুৰ বক্স অফিচৰ পৰাই ছবিখনে ছদিনত উপাৰ্জন কৰিলে ১৩০ কোটি টকা। ঐশ্বৰ্য ৰাই বচ্চন আৰু বিক্ৰম অভিনীত দক্ষিণ ভাৰতীয় ঐতিহাসিক ছবিখনে দৰ্শকৰ সঁহাৰি লাভ কৰিবলৈ সফল হ'ল। যোৱা ৩০ ছেপ্টেম্বৰত তামিল, হিন্দী, তেলেগু, মালায়ালম আৰু কন্নড় এই পাঁচটা ভাষাত চিত্ৰগৃহত মুক্তি লাভ কৰিছিল 'প'ন্নিয়িন ছেলভান-১' ছবিখনে। এই ছবিৰ মূল কাহিনী আৱৰ্তিত হৈছে দক্ষিণ ভাৰতৰ ইতিহাসক লৈ। অষ্টম শতিকাৰ চোল সাম্ৰাজ্যৰ উত্থান-পতন আৰু সিংহাসন দখলৰ যুঁজ বাগৰক ৰূপালী পৰ্দাত উপস্থাপন কৰিছে পৰিচালক মণি ৰত্নমে।

## অস্কাৰলৈ শ্ৰেষ্ঠ বিদেশী ছবিৰ শিতানত মনোনীত ন'বেলজয়ী মালালা প্ৰযোজিত পাকিস্তানী ছবি 'জয়লেণ্ড'

**নিউজ ব্যুৰ', ইছলামাবাদ, ৭ অক্টোবৰ ঃ** শান্তিৰ ন'বেল জয়ী মালালা ইউছুফজাই প্ৰযোজিত পাকিস্তানী ছবি 'জয়লেণ্ড' অস্কাৰ বঁটাৰ বিদেশী ছবিৰ শিতানত মনোনীত হ'ল। চলিত বৰ্ষৰ আৰম্ভণিতে কাঁ চলচ্চিত্ৰ মহোৎসৱত 'জয়লেণ্ড' প্ৰদৰ্শন কৰা হৈছিল। যৌনতা সন্দৰ্ভত প্ৰচাৰিত ধাৰণাৰ বিপৰীতে এই ছবিত এক কাহিনী উপস্থাপন কৰা হৈছে। অস্কাৰৰ শ্ৰেষ্ঠ বিদেশী ছবিৰ শিতানত পাকিস্তানৰ পৰা প্ৰেৰণ কৰা হ'ল 'জয়লেণ্ড'ক। 'জয়লেণ্ড'ক অস্কাৰৰ বাবে মনোনীত কৰাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মালালাই সংবাদ মাধ্যমৰ আগত কয়, 'পাকিস্তানী শিল্পীসকলৰ স'তে বিশ্বত পৰিচয় কৰি দিলে 'জয়লেণ্ড'-এ। এইখন ছবিৰ স'তে কাৰ্যবাহী প্ৰযোজক হিচাপে জড়িত হ'বলৈ পাই মই গৰ্বিত। এইখন ছবিয়ে আমাৰ চকু মুকলি কৰিলে।' 'জয়লেণ্ড'ত অভিনয় কৰিছে আলি জুনেজু, ৰাস্তি ফাৰুক, আলিনা খান, ছোহেল সমীৰ, ছলমান পিৰজাদা আদিয়ে।



# ৰাজহ চক্ৰ বিষয়া সঞ্জু দাসৰ মৃত্যু সু-পৰিকল্পিত বুলি অভিযোগ



*গোসাইগাঁৱত ৰেল বিষয়াক বিভিন্ন দাবীত ৰেলযাত্ৰী সন্থাৰ স্মাৰকপত্ৰ প্ৰদান।*

## ■ ধুবুৰীত কামতাপুৰ নাগৰিক উন্নয়ন মঞ্চৰ এলএণ্ডটিৰ বিৰুদ্ধে এজাহাৰ

**ধুবুৰী, ৭ অক্টোবৰ ঃ** ধুবুৰীত কামতাপুৰ নাগৰিক উন্নয়ন মঞ্চই এলএণ্ডটিৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। কামতাপুৰ নাগৰিক উন্নয়ন মঞ্চৰ সম্পাদকে সদৰী কৰা মতে ধুবুৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সঞ্জু দাসৰ মৃত্যু এক সু-পৰিকল্পিত আছিল। যাৰ বাবে কালি সন্ধিয়া এলএণ্ডটি কোম্পানীৰ বিৰুদ্ধে ধুবুৰী বিএন কলেজ চৰকাৰী কামৰ বাবে ২৯ ছেপ্টেম্বৰত পুৱাৰ ভাগত বিভাগীয় কৰ্মচাৰী আৰু জনপ্ৰতিনিধিক লগত লৈ এলএণ্ডটি কোম্পানীয়ে ধুবুৰী ফুলবাৰী দলং নিৰ্মাণ কৰিবলগীয়া দলং নিৰ্মাণৰ বাবে নিৰ্মাণ কৰা অস্থায়ী লোৰ দলঙৰ ওপৰেৰে ভাষনীৰচৰ দ্বিতীয় খণ্ডলৈ গৈছিল। তেওঁৰ কাম শেষ কৰি উভতি অহাৰ সময়ত উল্লেখিত কোম্পানীৰ কৰ্মচাৰীয়ে ওপৰোক্ত অস্থায়ী দলঙৰ ওপৰেদি অহাত বাধা প্ৰদান কৰাত চক্ৰ বিষয়াজনে তেওঁ এজন কাৰ্যবাহী দণ্ডাধীশ বুলি পৰিচয় দিয়াৰ পাছতো কোম্পানীৰ কৰ্মচাৰীয়ে অস্থায়ী দলঙৰ ওপৰেদি আহিবলৈ বাধা দিছিল। তেতিয়া উপায়ান্তৰ হৈ স্থানীয় নাও এখনত চক্ৰ বিষয়াজনে লগত লগৰ চৰকাৰী কৰ্মচাৰী, জনপ্ৰতিনিধিসহ উঠি আহিবলৈ আৰম্ভ কৰে। নাওখনত তেওঁলোকে নাওৰে আহিবলৈ ধৰাৰ উপৰি স্থানীয় পুৰুষ, মহিলা আৰু স্কুলীয়া ছাত্ৰ-ছাত্ৰীও উঠিছিল। নাও আহি উল্লিখিত অস্থায়ী দলঙৰ পানীৰ তলত থকা অৰ্ধনিৰ্মিত পোষ্টত খুন্দা মৰাত নাওখন পানীত ডুব যায়। নিয়মতে পানীৰ তলত অৰ্ধনিৰ্মিত পোষ্ট থাকিলে কোম্পানীৰ পৰা চিহ্ন লগাব লাগে যাতে কোনো ধৰণৰ দুৰ্ঘটনা সংঘটিত হ'ব নোৱাৰে। কিন্তু কোম্পানীয়ে বেআইনীভাৱে ওপৰোক্ত অৰ্ধনিৰ্মিত পোষ্টত চিহ্ন লগাই দিয়া নাই। ফলস্বৰূপে কোম্পানীৰ অৱহেলাৰ বাবে উক্ত চক্ৰ বিষয়াজনৰ মৃত্যু হয়। আমাৰ ধাৰণা যে ওপৰোক্ত কোম্পানীৰ কৰ্মচাৰী কৰ্তৃপক্ষই ষড়যন্ত্ৰমূলকভাৱে চক্ৰ বিষয়াজনক হত্যা কৰিলে। আমি সংগঠনৰ বেলেগ কামত ব্যস্ত থকাৰ বাবে গোচৰ দিয়াত পলম হোৱা বুলি উল্লেখ কৰে আৰু ওপৰোক্ত ঘটনা সম্পৰ্কে গোচৰ পঞ্জীয়ন কৰি তদন্তক্ৰমে আচামীগণৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থ্য গ্ৰহণ কৰাৰ দাবী জনায়। কামতাপুৰ নাগৰিক উন্নয়ন মঞ্চই লগতে দাবী কৰে যে উক্ত ঘটনা সন্দৰ্ভত উচ্চ পৰ্যায়ৰ হস্তক্ষেপ বিচাৰি দোষীক শাস্তি প্ৰদান কৰি পৰিয়ালবৰ্গলৈ ক্ষতিপূৰণ দিয়াৰো দাবী জনায়।

# পদ্মশ্ৰী যাদৱ পায়েংসহ যোৰহাটৰ তিনি ব্যক্তিলৈ অসম লাইভ-২৪ৰ আৰ্থিক সাহায্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৭ অক্টোবৰ ঃ** অসমৰ বিশিষ্ট ব্যৱসায়ী তথা অসম লাইভ-২৪ৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক নৃপেন দাসে পদ্মশ্ৰী যাদৱ পায়েংসহ যোৰহাটৰ তিনিগৰাকী বিশিষ্ট ব্যক্তিলৈ পূৰ্বে ঘোষণা কৰা আৰ্থিক সাহায্য আজি প্ৰদান কৰা হয়। প্ৰকৃতিবিদ পদ্মশ্ৰী অৰণ্য মানৱ যাদৱ পায়েংক প্ৰাকৃতিক বিষয়ক গৱেষণাৰ বাবে দুই লাখ টকা, ভ্ৰাম্যমাণ থিয়েটাৰ আৰু অসমীয়া বোলছবিৰ বিশিষ্ট অভিনেত্ৰী ৰীণা বৰাক দুই লাখ আৰু টাইকোৱান-ড'ৰ প্ৰাক্তন খেলুৱৈ ৰাতুল বৰুৱাক চিকিৎসাৰ বাবে এক লাখ টকাৰ চেক আজি প্ৰদান কৰা হয়। অসম লাইভ-২৪ পৰিচালন সঞ্চালক দাসৰ হৈ অসম লাইভ-২৪ ৰ সহযোগী সম্পাদক ৰাতুল ৰঞ্জন চৌধুৰী আৰু ব্যুৰ' চীফ ঋতুৰাজ বৰাই যাদৱ পায়েং, ৰীণা বৰা আৰু ৰাতুল বৰুৱাৰ বাসগৃহত উপস্থিত হৈ চেকসমূহ প্ৰদান কৰে।

উল্লেখ্য যে যোৱা ১৫ ছেপ্টেম্বৰত যোৰহাটত অসম লাইভ-২৪ ৰ মাণ্ডলিক কাৰ্যালয় মুকলি অনুষ্ঠানত তিনিগৰাকী বিশিষ্ট ব্যক্তিলৈ আৰ্থিক সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছিল অসম লাইভ-২৪ ৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক দাসে।

# হৰিঘাটত ক্ষেত্ৰী মিলন লক্ষ্মী মন্দিৰত তিনিদিনীয়া কাৰ্যসূচীৰে লক্ষ্মী পূজাৰ ব্যাপক প্ৰস্তুতি

**বিশেষ সংবাদদাতা**

**নলবাৰী, ৭ অক্টোবৰ ঃ** নলবাৰী জিলাৰ হৰিঘাটৰ লক্ষ্মী মন্দিৰত অহা ন, ১০ আৰু ১১ অক্টোবৰত তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে লক্ষ্মী পূজা। অহা ন অক্টোবৰৰ পুৱা ৰভা উদ্বোধন কৰিব সৰুক্ষেত্ৰী গাঁও পঞ্চায়তৰ সভাপতি মানৱ চৌধুৰীয়ে। ১০ বজাত গছপুলি ৰোপণ কৰিব প্ৰকৃতিপ্ৰেমী ভূপেন কুমাৰ দাসে। ১১ বজাত কুইজ, চিত্ৰাংকন, ৰছী টনা প্ৰতিযোগিতা আৰু সন্ধিয়া ছয় বজাত প্ৰতিমা স্থাপন। সন্ধিয়া সাত বজাত বন্তি প্ৰজ্বলন কৰিব বন, পৰিৱেশ আৰু সংখ্যালঘু উন্নয়ন বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে। আঠ বজাত স্থানীয় নাম-কীৰ্তন, নিশা ১০ বজাত সন্ধাতৰা নাট্যদল, বৰভাগ নলবাৰীয়ে নাট প্ৰদৰ্শন কৰিব। ১০ অক্টোবৰৰ পুৱা ১০ বজাত মহিলাৰ দিহা আৰু ঘোষানাম প্ৰতিযোগিতা উদ্বোধন কৰিব ৰাষ্ট্ৰীয় শিপিনী বঁটা প্ৰাপক ৰুণিমা চেতিয়া চৌধুৰীয়ে। বিয়লি চাৰি বজাত একক নৃত্য প্ৰতিযোগিতা আৰু বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান। উক্ত অনুষ্ঠান উদ্বোধন কৰিব সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক তথা অভিনেতা গজেন বৰ্মনে। উক্ত অনুষ্ঠানত সৰ্থেবাৰী আৰক্ষী চকীৰ আৰক্ষী বিষয়া মনোৰঞ্জন কোঁৱৰ আৰু শোলমাৰা আৰক্ষী বিষয়া নিৰোদ শৰ্মা উপস্থিত থাকিব বুলি সাংস্কৃতিক সম্পাদক সঞ্জয় তালুকদাৰে সদৰী কৰিছে।

# উদীয়মান কণ্ঠশিল্পী তেজস্বিতাৰ অকাল বিয়োগত চেলেংহাট প্ৰেছ ক্লাবৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান



**চেলেংহাট, ৭ অক্টোবৰ ঃ** অসমৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ মাজুলীত যোৱা বুধবাৰৰ দিনা গুৰুজয়ন্তী উপলক্ষে বৰগীত পৰিৱেশন কৰি থকা অৱস্থাত আকস্মিকভাৱে অসুস্থ হৈ মৃত্যুক আঁকোৱালি লোৱা উদীয়মান কণ্ঠশিল্পী তেজস্বিতা বৰুৱাৰ আত্মাৰ সদগতি, শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি চেলেংহাট প্ৰেছ ক্লাবে চেলেংহাটবাসীৰ সহযোগেৰে এক অনুষ্ঠান অনুষ্ঠিত কৰে। চেলেংহাট প্ৰেছ ক্লাবৰ সভাপতি মদন মোহন পাগবন্ধাই আঁত ধৰা অনুষ্ঠানত ১৪ গছি বন্তি প্ৰজ্বলন কৰা হয়। প্ৰাক্তন ছাত্ৰ নেতা প্ৰান্ত শইকীয়াই বন্তি প্ৰজ্বলন আৰম্ভ কৰে। ইয়াৰ পাছত চেলেংহাট প্ৰেছ ক্লাবৰ উপদেষ্টা তুষাৰ পালৰ উপৰি নৰেশ পাইক, পবিত্ৰ গগৈ, বীৰেশ কৰ্মকাৰ, যগেশ্বৰ প্ৰসাদ, ৰাজু চক্ৰৱৰ্তী, চেলেংহাট প্ৰেছ ক্লাবৰ সম্পাদক অনুৰাগ শইকীয়া, সদস্য দেৱবিকাশ দত্ত প্ৰমুখ্যে ব্যক্তিসকলে বন্তি প্ৰজ্বলন কৰে।

# দৈয়াঙৰ মোছৰভঙাত বিশুদ্ধ খোৱা পানী যোগান আঁচনি স্থাপনৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ৭ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ দৈয়াং অঞ্চলৰ গমাৰী গুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰতনপুৰ গাঁও পঞ্চয়তৰ মোছৰভংগা ৱাৰ্ডত দীৰ্ঘদিন ধৰি বিশুদ্ধ খোৱা পানী আঁচনিৰ পৰা বঞ্চিত হৈ অহাত স্থানীয় ৱাৰ্ডটোৰ পৰিয়ালসমূহৰ এটুপি বিশুদ্ধ পানীৰ বাবে হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈ আহিছে। স্মৰ্তব্য যে প্ৰায় ১৯৫৫ৰ পৰা পৰিয়ালসমূহে স্থানীয় অঞ্চলটোত স্থায়ীভাৱে বসতি কৰি আহিছে যদিও বিশুদ্ধ খোৱা পানীৰ আঁচনিয়ে আজি পৰ্যন্ত ঢুকি পোৱা নাই বৃহত্তৰ অঞ্চলটোক। ৱাৰ্ডটোৰ বাসিন্দাসকলে দমকলৰ আয়ৰনযুক্ত পানী সেৱন কৰি নানা ৰোগত আক্ৰান্ত হৈ আহিছে। ফলত স্বাধীনতা লাভৰ পাছত বহু ৰাষ্ট্ৰীয় দলৰ চৰকাৰ আৰু আঞ্চলিক দলৰ চৰকাৰ পাৰ হৈ গৈছে যদিও অদ্যাপি বিশুদ্ধ খোৱা পানীৰ আঁচনি স্থাপনৰ পৰিপ্ৰেক্ষিতত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা নাই কোনোদলৰ চৰকাৰে। তথ্য অনুযায়ীঃ সংশ্লিষ্ট ৱাৰ্ডটোত ৰাইজে ৰাজহুৱা অনুষ্ঠানৰ বাবে ভূমি সংৰক্ষণ কৰি এনে ৰাজহুৱা প্ৰকল্প স্থাপনৰ পোষকতা অৱলম্বন কৰি আহিছে। সেয়েহে স্থানীয় সচেতন নাগৰিকে বৰ্তমান পঞ্চায়তৰ জনপ্ৰতিনিধিসকলক আৰু বিভাগীয় কৰ্তৃপক্ষক সংশ্লিষ্ট ৱাৰ্ডটোত এখন বিশুদ্ধ খোৱা পানী যোগান আঁচনি স্থাপনৰ দাবী জনাইছে।

# নগাঁৱৰ পৰা ঢেকীয়ালৰ যুৱকৰ গাড়ী চুৰি

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ৭ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ ঢেকীয়াল আৰক্ষী চকীৰ সমীপৰ চাৰিংগীয়া গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল নেওগৰ পুত্ৰ সুশান্ত নেওগ তেওঁৰ কৰ্মস্থলী দুধনৈৰ পৰা পূজা বন্ধৰ পৰিয়ালৰ স'তে কটাবলৈ নিজ গৃহলৈ নিজৰ বলেৰ' এএছ-০১ ডিজেদ-৭৯৯২ গাড়ীৰে যোৱা এক অক্টোবৰত আহি থকা অৱস্থাত নগাঁও পাওঁতেই নিশা হোৱাত নগাঁৱৰ বৰঘাটৰ বাইপাছত থকা সংযুক্তি ধাৰাখনত নৈশ যাপনৰ বাবে ৰৈ দিয়ে। তেওঁৰ গাড়ীখনো ধাবাৰ চৌহদতে ৰাখি থয়। কিন্তু দুই অক্টোবৰৰ পুৱতি নিশা কোনো অচিনাক্ত দুৰ্বৃত্তৰ দলে গাড়ীখনৰ দুৱাৰৰ তলা ভাঙি চুৰি কৰি লৈ যায়। গাড়ীৰ ভিতৰত তেওঁৰ লেপট'পকে ধৰি বহু মূল্যবান সামগ্ৰীও চোৰৰ দলে গাড়ীখনৰ লগতে লৈ যায়। ইতিমধ্যে বৰঘাট আৰক্ষী চকীত সুশান্ত নেওগে গাড়ী চুৰি সম্পৰ্কত এজাহাৰ দাখিল কৰিছে। উল্লেখ্য যে ধাবাখনৰ চিচি কেমেৰাত গাড়ীচুৰিৰ কাণ্ডৰ ফুটেজ ৰেকৰ্ড হৈ আছে বুলি জানিব পৰা গৈছে। বাতৰি লেখা পৰ্যন্ত আৰক্ষীয়ে উক্ত চুৰি গাড়ীখনৰ সন্দৰ্ভত বিশেষ অগ্ৰগতি লাভ কৰা নাই বুলি পৰিয়ালৰ পৰা জানিব পৰা গৈছে।

# কৰ্মসংস্থাপন বিচাৰি কেৰালালৈ যোৱা ব্যক্তি সন্ধানহীন

**অগ্ৰদূত বাৰ্তা**

**মাহমৰা, ৭ অক্টোবৰ ঃ** মাহমৰাৰ কাকতিবাৰী আৰক্ষী থানাৰ অন্তৰ্গত জেলুকণি বনগাঁৱৰ এজন ব্যক্তি যোৱা ২০ দিন ধৰি সন্ধানহীন হৈ থকাৰ বিষয়ে জানিব পৰা গৈছে। এই সন্দৰ্ভত প্ৰাপ্ত তথ্য মতে, উক্ত গাঁওখনৰ নিবাসী অতুল কোঁৱৰ (৫৫) যোৱা ১৭ ছেপ্টেম্বৰত কৰ্মসংস্থাপন বিচাৰি ৰেলযোগে কেৰালালৈ ৰাওনা হয়। কিন্তু লোকজন আজিকোপতি গন্তব্য স্থান গৈ নোপোৱাৰ লগতে লগত নিয়া ম'বাইল ফোনটোও বন্ধ হৈ আছে। এই সন্দৰ্ভত পৰিয়ালৰ লোকে ৰেল আৰক্ষীৰ লগতে স্থানীয় কাকতিবাৰী আৰক্ষী থানাতো অৱগত কৰিছে। আনহাতে, এই ক্ষেত্ৰত কোনো সম্ভেদ পালে ফোন নম্বৰ ৬০০০০৬২৭৩৭ত জনাবলৈ আহ্বান জনাইছে দুৰ্ভগীয়া পৰিয়ালটোৱে।

# ৰাজ্যিক ভিত্তিত জয়ন্ত হাজৰিকা গীতৰ প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ৭ অক্টোবৰ ঃ** কৰিস্মা শইকীয়া সোঁৱৰণী কল্যাণ ন্যাসৰ সৌজন্যত অহা ৩০ অক্টোবৰত গোলাঘাট এমেচাৰ থিয়েটাৰ হলত সদৌ অসম ভিত্তিত জয়ন্ত হাজৰিকাৰ গীতৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতা দুটা শাখাত অনুষ্ঠিত হ'ব। বিজয়ী প্ৰতিযোগীসকলক নগদ ধনৰ লগতে মানপত্ৰ প্ৰদান কৰা হ'ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে। সবিশেষ জানিবলৈ ৬০০১২২৯৭৭৪, ৮৪৭১৮৩৮১৯১, ৭০০২৯৬১৩৬২ বা ৭০০২৮৮৭০১৪ নম্বৰত যোগাযোগ কৰিবলৈ আয়োজক সমিতিয়ে আহ্বান জনাইছে।

# সুকনান্নী ওজাপালিৰ বিশিষ্ট শিল্পী ডিম্বেশ্বৰ নাথক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ৭ অক্টোবৰ ঃ** প্ৰজ্ঞা ফাউণ্ডেছনৰ উদ্যোগত যোৱা দুই অক্টোবৰত গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ খেলপথাৰত ভাৰতমাতা পূজন কাৰ্যসূচীৰ অংশৰূপে দৰঙৰ সুকনান্নী সংগীতৰ শিল্পী ডিম্বেশ্বৰ নাথক সম্বৰ্ধনা জনায়। ভাৰত চৰকাৰৰ সংগীত নাটক একাডেমীৰ উত্তৰ-পূব মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰ আৰু অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ গুৰু-শিষ্য পৰম্পৰাৰ গুৰু, সুদক্ষ ডাইনাপালি, জয়ঢোলৰ বাদক ডিম্বেশ্বৰ নাথৰ জীৱনজোৰা সাধনাৰ স্বীকৃতিৰূপে এই সন্মান আগবঢ়োৱাত ছিপাঝাৰৰ ৰাইজে সন্তোষ প্ৰকাশ কৰে।

# নদী আৰু নাৰীৰ উদ্যোগত কবিতা-গীত-অন্তৰংগ আলাপ

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ৭ অক্টোবৰ ঃ** জাৰ্মানীৰ কহিনুৰ ৱৰ্ল্ড বুক অফ ৰেকৰ্ডছৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত জনপ্ৰিয় কাব্যিক, বৌদ্ধিক তথা মানৱদৰদী অনুষ্ঠান 'নদী আৰু নাৰী'ৰ উদ্যোগত আৰু কাব্যপ্ৰেমীৰ সহযোগত বৰটিকা অফলা মধ্য ইংৰাজী তথা মানৱদৰদী অনুষ্ঠান 'নদী আৰু নাৰী'ৰ উদ্যোগত আৰু কাব্যপ্ৰেমীৰ সহযোগত বৰটিকা অফলা মধ্য ইংৰাজী বিদ্যালয়ত যোৱা চাৰি অক্টোবৰত 'আপোন মানুহৰ শিপা বিচাৰি' শীৰ্ষক এক মনোজ্ঞ অন্তৰংগ আলাপ অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে নদী আৰু নাৰীৰ প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী ৰুণাল্ডো টাইদৰ সভাপতিত্বত অনুষ্ঠিত অন্তৰংগ আলাপ শিতানত অংশগ্ৰহণ কৰে 'নদী আৰু নাৰী' অনুষ্ঠানৰ আইনী উপদেষ্টা তথা অধিবক্তা ৰূপম গগৈ, গোলাঘাট বাণিজ্য মহাবিদ্যালয়ীয়ৰ অৱসৰপ্ৰাপ্ত লেখক ড° যতীন নাথ, বালিজান চাহ বাগিচাৰ পৰিচালক অনন্ত বড়ি, দন্ত চিকিৎসক নয়নজ্যোতি বড়ি, নদী আৰু নাৰী আলোচনীৰ সম্পাদক দীপক ফুকন, আৰক্ষী বিষয়া পূৰ্ণকান্ত বৰি, প্ৰাক্তন ফুটবল খেলুৱৈ-শিক্ষক দেৱেশ্বৰ মৰাং, যুৱ কণ্ঠশিল্পী বিশ্বজিত মৰাং, অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন প্ৰধান সম্পাদিকা সুবৰ্ণ প্ৰভা শইকীয়া বৰদলৈয়ে সঞ্চালনা কৰা কবি সন্মিলনত বৰ্ষীয়ান-লেখক মহেশ্বৰ শইকীয়া, মৌচুমী বৰুৱা, বিতোপন শইকীয়া, গুণাধৰ বৰা, বিশ্বজিৎ দাৰ, বৰ্ণালী দাৰ বৰি, জুলিভা ফুকন, নিপন লইং, মেক্সিমা টাইদ, বিশ্ব ৰঞ্জন মৰাং, দেৱজিত বিলু, গৌতম লইং, দীপক লইং, বিশ্বৰঞ্জন মৰাং আদি কৰি প্ৰায় তিনিকুৰি কবিয়ে কবিতা পাঠ কৰে। উক্ত সভাত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, কুইজ আৰু সাঁথৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। কুইজ অনুষ্ঠানৰ আঁত ধৰে মনোৰম বৰি, সাঁথৰ অনুষ্ঠানৰ আঁত ধৰে কবি তথা নদী আৰু নাৰীৰ কেন্দ্ৰীয় কাব্য সম্পাদিকা দীপিকা ফুকনে। নৱপ্ৰজন্মৰ যুৱ কণ্ঠশিল্পী বিশ্বজিত মৰাঙৰ ভূপেন হাজৰিকাৰ সুমধুৰ গীতেৰে অনুষ্ঠানটো জীপাল কৰি তোলে।

# সানেকুছিত মানসিক ৰোগৰ প্ৰতিকাৰ আৰু চিকিৎসা সম্পৰ্কে সজাগতা শিবিৰ



**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৭ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত সানেকুছি ৰাজ্যিক চিকিৎসালয় প্ৰাংগণত আজি নলবাৰী জিলা মানসিক স্বাস্থ্য সমিতিৰ উদ্যোগত এটি মানসিক ৰোগ আৰু ইয়াৰ প্ৰতিকাৰ আৰু চিকিৎসা সম্পৰ্ক এদিনীয়া শিবিৰ অনুষ্ঠিত হয়। উক্ত শিবিৰত নলবাৰী ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ৰ মানসিক ৰোগ বিশেষজ্ঞ ডাঃ নিপুল মহন্ত উপস্থিত থাকি মানসিক ৰোগীৰ লক্ষণ আৰু চিকিৎসা সম্পৰ্কে বিশ্লেষণ কৰে। অনুষ্ঠানত মানসিক ৰোগ নিৰ্মূলকৰণ অভিযানৰ সামাজিক কৰ্মী মমী দেৱী, সানেকুছি ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ হেমেন কুমাৰ শৰ্মাই অংশগ্ৰহণ কৰাৰ লগতে চিকিৎসালয়ৰ সকলো নাৰ্ছ, এএনএম, আশাকৰ্মী তথা স্বাস্থ্য কৰ্মীসকলে সহযোগিতা কৰে। উক্ত শিবিৰত কে'বাজনো মানসিক ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ঔষধো বিতৰণ কৰা হয়।

# চেলেংহাট আৰক্ষী চকীত তীব্ৰ উত্তেজনা

## ■ চুৰিৰ সন্দেহত এজনক আক্ৰমণ কৰাক লৈ দুয়োপক্ষৰ এজাহাৰ দাখিল

**চেলেংহাট, ৭ অক্টোবৰ ঃ** মৰিয়নি বিধানসভা সমষ্টিৰ চেলেংহাট আৰক্ষী চকীত আজি বিয়লি একাংশ লোকে পৰিৱেশ উত্তাল কৰি তোলে। ঘটনাৰ বিৱৰণি অনুসৰি, বুধবাৰে নিশা চেলেংহাট আৰক্ষী চকীৰ অন্তৰ্গত বৈচাহাবি বৰলাইনত শিৱা নায়ক নামৰ এজন ব্যক্তিৰ ঘৰত একে লাইনৰে গাঁওৰক্ষী বাহিনীৰ সভাপতি জিতেন নায়কৰ অনধিকাৰ প্ৰৱেশক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয়। ইয়াৰ পাছত জিতেন নায়কক একাংশ লোকে বাগিচাৰ এটা নলাৰ পৰা কৰায়ত্ত কৰি লপাথপা দিয়ে যদিও পৰৱৰ্তী সময়ত ব্যক্তিজন পলাই যাবলৈ সক্ষম হয়। ইয়াৰ পাছত চেলেংহাট আৰক্ষীৰ সহযোগত জিতেন নায়কক আটক কৰি আৰক্ষী চকীলৈ আনে। আনহাতে, অভিযুক্ত জিতেন নায়কৰ পৰিবাৰে আজি ১৪ জন ব্যক্তিৰ বিৰুদ্ধে তেওঁৰ স্বামীক শাৰীৰিক নিৰ্যাতন চলোৱাৰ অভিযোগত এক এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰ দাখিলৰ পাছত বৰলাইনৰ একাংশ লোকে আৰক্ষী চকী উত্তপ্ত কৰি তোলে। এই ক্ষেত্ৰত চেলেংহাট আৰক্ষীয়ে অভিযুক্ত জিতেন নায়কৰ পক্ষ লৈ অভিযুক্তক ৰক্ষণাবেক্ষণ দিয়াৰ অভিযোগ উত্থাপন কৰাৰ লগতে বিষয়টোত আৰক্ষীৰ উৰ্ধ্বতন বিষয়া আৰু মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰে।

# টেঙাখাতৰ লেংৰাইত দুই ছাগলী চোৰ গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ৭ অক্টোবৰ ঃ** টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত লেংৰাইত কালি স্থানীয় ৰাইজে দুই ছাগলী চোৰক আটক কৰি টেঙাখাত আৰক্ষী থানাত গতাই দিয়ে। তথ্য মতে, লেংৰাই তিনি নম্বৰ লাইনৰ কৰ্ণ ভূমিজ নামৰ যুৱকজনে নিজৰ ঘৰতে কাছগাঁৱৰ ৰামেশ্বৰ চবৰৰ লগ লাগি চুৰি কৰি অনা এটা ছাগলী মাৰি কাটিবলৈ ব্যৱস্থা কৰোতেই স্থানীয় লোকে গম পাই দুয়োজন ছাগলী চোৰকে হাতে-লোটে আটক কৰে। চুৰি ছাগলীটো একে লাইনৰে বিক্ৰম প্ৰজাৰ বুলি চিনাক্ত কৰে। স্থানীয় লোকে দুয়োজন চোৰক উত্তম-মধ্যম শোধাই টেঙাখাত আৰক্ষীক গতাই দিয়ে। পাছত আৰক্ষীয়ে টেঙাখাত থানাত গোচৰ ৰুজু কৰি আজি দুয়োজন চোৰক ডিব্ৰুগড় জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে।

# ২২ সংখ্যক পূব টিহু বাৰোৱাৰী শ্ৰীশ্ৰীলক্ষ্মীপূজা উদ্‌যাপনৰ ব্যাপক আয়োজন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৭ অক্টোবৰ ঃ** ২২ সংখ্যক পূব টিহু বাৰোৱাৰী শ্ৰীশ্ৰীলক্ষ্মী পূজাখন অহা ন, ১০ আৰু ১১ অক্টোবৰত তিনিদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ ব্যাপক আয়োজন কৰা হৈছে। ইতিমধ্যে পূজা পৰিচালনা কৰাৰ বাবে হৰেকৃষ্ণ মেধিক সভাপতি, উপেন্দ্ৰজিৎ ডেকাক কাৰ্যকৰী সভাপতি, হৰেণ কলিতাক সম্পাদক হিচাপে লৈ ৩১ জনীয়া উদ্‌যাপন সমিতি এখন গঠন কৰা হৈছে। কাৰ্যক্ৰমণিকা অনুসৰি, ন অক্টোবৰৰ পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ আদিৰ পাছত সাহিত্য প্ৰতিযোগিতা উদ্বোধন কৰিব মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° সুৰেশ চন্দ্ৰ শৰ্মাই। সন্ধিয়া শ্ৰীশ্ৰীলক্ষ্মী পূজাস্থলী উদ্বোধন কৰিব জ্যেষ্ঠ কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে, উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব অসম চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ অধ্যক্ষ সীমান্ত শেখৰ, আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকিব বজালী জিলা পৰিষদৰ অধ্যক্ষ ৰণজিত শালৈ। ইয়াৰ পাছত যথাবিহিত দেৱীৰ পূজা-অৰ্চনা, ওজাপালিৰ দেৱী বন্দনা ৰূপায়ণ কৰা হ'ব। ১০ অক্টোবৰৰ বিয়লি মুকলি কুইজ প্ৰতিযোগিতা, সন্ধিয়া অসমীয়া আধুনিক একক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব বিশিষ্ট সাংস্কৃতিক কৰ্মী প্ৰণৱ বেকাৰ। আধুনিক নৃত্য প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ভূএগ্ৰাম-নামেপ্ৰিয়া ডেকা সোঁৱৰণী তিনি হেজাৰ এক টকা, দ্বিতীয় পুৰস্কাৰ ঘনকান্ত-লক্ষ্মী তালুকদাৰ সোঁৱৰণী দুহেজাৰ এক টকা, তৃতীয় পুৰস্কাৰ দীনেশ মিশ্ৰ সোঁৱৰণী এক হেজাৰ পাঁচশ টকা আৰু নিচুকনি প্ৰফুল্ল কলিতা সোঁৱৰণী পাঁচশ টকা। নিশা আৰাধনা যাত্ৰিক থিয়েটাৰ দলৰ নাট্যাভিনয় প্ৰদৰ্শন কৰা হ'ব। ১১ অক্টোবৰৰ বিয়লি সদৌ অসম ভিত্তিত মহিলা নাম প্ৰতিযোগিতা উদ্বোধন কৰিব টিহু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ভবেশ চন্দ্ৰ দাসে। মহিলা নাম প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ বুধিৰাম-সাবিত্ৰী আৰু শ্যামা ডেকা সোঁৱৰণী চলন্ত শ্বিল্ড আৰু পাঁচ হেজাৰ এক টকা, দ্বিতীয় পুৰস্কাৰ গুণেশ্বৰ-ভাৰতী ডেকা সোঁৱৰণী চূড়ান্ত কাপ আৰু তিনি হেজাৰ পাঁচশ এক টকা, তৃতীয় পুৰস্কাৰ ৰাতিৰাম-সাজোপ্ৰিয়া তালুকদাৰ সোঁৱৰণী চূড়ান্ত কাপ আৰু দুই হেজাৰ পাঁচশ এক টকা আৰু সভাৰাম-সত্যৱতী কলিতা সোঁৱৰণী তিনিটা উদ্‌গনি বঁটা প্ৰদান কৰা হ'ব। ইয়াৰ পাছত বঁটা বিতৰণী আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হ'ব। নিশা কৰুণা ডেকা সোঁৱৰণী সংগীতানুষ্ঠান উদ্বোধন কৰিব টিহু পৌৰসভাৰ পৌৰপতি হিমানী মজুমদাৰে। সংগীতানুষ্ঠানৰ বিশেষ আকৰ্ষণ জনপ্ৰিয় কণ্ঠশিল্পী বাবু আৰু কাজলপ্ৰিয়াৰ লগতে ফোগ্ৰেষ্ট্ৰা, বজালী।

# গহপুৰৰ মৰনৈপৰীয়াত জন্মোৎসৱত দিহানাম প্ৰতিযোগিতা

**গহপুৰ, ৭ অক্টোবৰ ঃ** গহপুৰ মহকুমাৰ মৰনৈপৰীয়া জন্মোৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আউনিবাৰী গাঁৱৰ নামঘৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৪ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন কৰা হয়। এই সন্দৰ্ভত উদ্‌যাপন সমিতিৰ সভাপতি ৰজনী বৰা, সাধাৰণ সম্পাদক থানেশ্বৰ মুদৈ আৰু সংস্কৃতি উপ-সমিতিৰ সভাপতি ৰণজিৎ শইকীয়াই জানিবলৈ দিয়া মতে, দুদিনীয়াকৈ উদ্‌যাপন কৰা জন্ম জয়ন্তী ভাগৰ দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি, যোৱা পাঁচ অক্টোবৰৰ পুৱা ঊষা কীৰ্তন, পৰিৱেশ নিকাকৰণৰ পাছতে পুৱা আঠ বজাত ধৰ্মধ্বজা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি হেমেন্দ্ৰ নেওগে। পুৱা ৮-৩০ বজাত বৃক্ষৰোপণ কৰে স্থানীয় সমাজকৰ্মীদ্বয় ধনীৰাম নেওগ আৰু অৰবিন্দ দাসে। পুৱা ন বজাত মৰনৈপৰীয়া অঞ্চলৰ মাজেৰে পাৰ হৈ যোৱা বৰ্ণাঢ্য ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰে বিশিষ্ট সাংস্কৃতিক কৰ্মী হেমকান্ত নেওগে। পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত নাম-প্ৰসংগৰ আঁত ধৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নৱ উদীয়মান প্ৰাথমিক শাখাৰ জ্যেষ্ঠ সংগী লীলা নেওগে। বিয়লি এক বজাৰ পৰা উদ্‌যাপন সমিতিৰ সভাপতি ৰজনী বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গহপুৰ জিলা শাখাৰ মূলৰ সদস্য পদ্মেশ্বৰ হাজৰিকাই। উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক থানেশ্বৰ মুদৈ আৰু সংস্কৃতি উপ-সমিতিৰ সভাপতি ৰণজিৎ শইকীয়াই সামগ্ৰিকভাৱে আঁত ধৰা সভাখনত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি অম্বিকাগিৰী ৰায়চৌধুৰী জাতীয় বিদ্যালয়ৰ ৰেক্টৰ কমল ফুকনে ভাষণ প্ৰসংগত কয়, 'যি দিনাৰ পৰাই অসমীয়া জাতিয়ে মহাপুৰুষ গুৰু দুজনক পাহৰিব সেই দিনাৰ পৰাই অসমীয়া জাতিৰ পতন আৰম্ভ হ'ব।' তেওঁ প্ৰদান কৰা তত্ত্বগধুৰ আৰু কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য সৃষ্টিৰাজি সমগ্ৰ বিশ্বতে প্ৰচাৰ-প্ৰসাৰৰ ব্যৱস্থা কৰিব লাগিব। সামাজিক সুস্থ পৰিৱেশ সৃষ্টি কৰিবলৈ নামঘৰ প্ৰতিষ্ঠা কৰি, মৃত্যুমুখী অসমীয়া জাতিক বিশ্ব দৰবাৰত চিনাকি কৰাৰ সমল যোগোৱা জগতগুৰু জনাৰ আদৰ্শৰে নৱ প্ৰজন্মক আগুৱাই যাবলৈ ফুকনে আহ্বান জনায়। সভাপতিৰ অভিভাষণত মৰনৈপৰীয়া অঞ্চলৰ ঐতিহাসিক পটভূমি দাঙি ধৰা সভাখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কলাবাৰী আঞ্চলিক শাখাৰ সভাপতি হৰেন বৰুৱাই জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন-দৰ্শন আৰু অৱদানৰ বিষয়ে ভাষণ প্ৰদান কৰি সভাত উপস্থিত বাপ, আই, যুৱক-যুৱতী, শিশুসকলৰ লগতে ৰাইজক মোহিত কৰে। সন্ধিয়া আউনিবাৰী প্ৰাথমিক শাখাৰ নামঘৰীয়া সত্যেন্দ্ৰ বৰুৱাই বন্তি প্ৰজ্বলন কৰাৰ পাছত নিশা 'ৰাম বিজয়' নাটৰ ভাওনা প্ৰদৰ্শন কৰা হয়। আনহাতেদি, যোৱা চাৰি অক্টোবৰ পুৱা আঠ বজাত এক নম্বৰ মিকিৰ বৰা চুক প্ৰাথমিক শাখাৰ জ্যেষ্ঠ সংগী গুণেন্দ্ৰ বৰাই আঁত ধৰা নাম প্ৰসংগৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। পুৱা ১০-৩০ বজাৰ পৰা উদ্‌যাপন সমিতিৰ সাহিত্য শাখাৰ সভাপতি তুলা ৰাম ভূঞাৰ সঞ্চালনাত আৰু সম্পাদক প্ৰশান্ত শইকীয়াৰ পৰিচালনাত অনুষ্ঠিত সাহিত্য প্ৰতিযোগিতাখন উদ্বোধন কৰে বিশিষ্ট শিক্ষাবিদ ৰত্নকান্ত বৰাই। মূল উদ্‌যাপনস্থলীত ১১-৩০ বজাৰ পৰা সংস্কৃতি উপসমিতিৰ সভাপতি ৰণজিৎ শইকীয়াৰ সঞ্চালনাত আৰু সম্পাদক অনিল বৰাৰ পৰিচালনাত অনুষ্ঠিত হোৱা সাংস্কৃতিক প্ৰতিযোগিতাখনি উদ্বোধন কৰে বিশিষ্ট কবি তথা অসম চৰকাৰৰ ২০২১ৰ পাপৰি কবি গণেশ গগৈ বঁটা প্ৰাপক বংশী বৰাই। বৰগীতৰ উপৰি ১৩ টিকৈ দিহানাম দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত তৰুলতা নেওগ সোঁৱৰণী চলন্ত বঁটা তথা প্ৰথম পুৰস্কাৰ লাভ কৰে সপ্তসুৰ যুৱতী দিহানাম দলে। বীণাপাণি ভূঞা বৰা সোঁৱৰণী চলন্ত বঁটা আৰু দ্বিতীয় পুৰস্কাৰ লাভ কৰে আউনীবাৰী প্ৰাথমিক শাখাৰ আই মাতৃ দলে। উদ্‌যাপন সমিতিৰ মুখ্য উপদেষ্টা, বিশিষ্ট সমাজকৰ্মী, নোমল বৰাই আগবঢ়োৱা তৃতীয় পুৰস্কাৰ লাভ কৰে কৰুণা সিন্ধু প্ৰাথমিক শাখাৰ আইসকলে আৰু মিকিৰ বৰা চুক ৰূপজ্যোতি মইনা দিহানামৰ দলটিয়ে বিচাৰকৰ বিশেষ বঁটা লাভ কৰিবলৈ সক্ষম হয়।

# ৰঙাপৰাত যাত্ৰীবাহী ৰেলৰ খুন্দাত চাৰিটা বান্দৰৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ৭ অক্টোবৰ ঃ** নৱমী পূজাৰ পুৱাই ৰঙাপৰাৰ নামনিগাঁওস্থিত ৰেলগেটৰ সমীপত সংঘটিত এক হৃদয় বিদাৰক ঘটনাই প্ৰত্যক্ষদৰ্শীৰ চকু সেমেকাই তোলে। উল্লেখ্য যে পুৱা আঠ বাজি এক মিনিটত ডেকাৰগাঁৱৰ পৰা ৰঙিয়া অভিমুখে অহা ৬২ নম্বৰ নামনিমুৱা যাত্ৰীবাহী ৰেল গাড়ীখন আহি থকাৰ সময়ত এটা কপিকুলৰ জাক ৰেলপথেৰে অতিক্ৰম কৰিব বিচাৰোতে কপিকুলক খুন্দা মাৰে। ফলত চাৰিটাকৈ বান্দৰ থিতাতে নিহত হোৱাৰ লগতে এটা আঘাতপ্ৰাপ্ত বান্দৰৰ পোৱালি আঁতৰি যায়। পাছত বন বিভাগক খবৰ দিয়াত আমাৰিবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ পৰা অহা বন বিভাগৰ দলে মৃত বান্দৰ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। ইফালে, চাৰিটাকৈ বান্দৰৰ অবাঞ্ছিত মৃত্যু ঘটাৰ পাছত অন্যান্য বান্দৰৰ পোৱালিৰ ক্ৰন্দনে সকলোৰে চকু সেমেকাই তোলে। ইয়াৰ উপৰি ৰঙাপৰাত বান্দৰৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলত স্থানীয় ৰাইজে বান্দৰৰ উপদ্ৰৱত অতিষ্ঠ হৈছে।

# ৰূপহীহাটত মৃত ব্যক্তিৰ নামত পিএমএৱাইৰ গৃহৰ ধন মুকলি

■ জালিয়াতিৰে গৃহ নিৰ্মাণৰ ধন উদৰস্থ কৰিলে জিপিচিয়ে ■ হিতাধিকাৰীৰ পৰিৱৰ্তে আন লোকৰ একাউণ্টৰে ধন মুকলি



*সাহিত্যিক পেঞ্চনাৰ মৃণালী চেতিয়াৰ অভিনন্দন গ্ৰন্থ উন্মোচন তেজপুৰত, শুকুৰবাৰে।*

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ৭ অক্টোবৰ ঃ** নগাঁও জিলাৰ গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ ৰূপহীহাট উন্নয়ন খণ্ডত প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ (পি এম এ ৱাই) গৃহ নিৰ্মাণৰ কেলেংকাৰিয়ে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। তথাপিও নগাঁও জিলাৰ গ্ৰামোন্নয়ন বিভাগৰ গা লৰা পৰিলক্ষিত হোৱা নাই। গ্ৰামোন্নয়ন বিভাগৰ ৰহস্যজনক মৌনতাৰ বাবে উন্নয়ন খণ্ডটোত পিএমএৱাইৰ কেলেংকাৰি দিনক দিনে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। গ্ৰামোন্নয়ন বিভাগৰ সোপাটিলা নীতিৰ সুযোগ গ্ৰহণ কৰি জিপিচিয়ে ব্যাপক হাৰত কেলেংকাৰিত নিমজ্জিত হৈছে। প্ৰাপ্ত তথ্য মতে, ৰূপহীহাট উন্নয়ন খণ্ডৰ গেৰেকী গাঁও পঞ্চায়তৰ কুমাৰ গাঁৱৰ আব্দুল হাই (আইডি নম্বৰ ২৩৪৫৩৫৮)ৰ নামত পিএমএ ৱাইৰ গৃহ আৱন্টন হোৱাই নহয়, মৃত ব্যক্তিজনৰ নামত জিপিচি নিপুমনি শইকীয়াই গৃহ নিৰ্মাণৰ প্ৰথম কিস্তিৰ ৩২ হেজাৰ পাঁচশ টকা মোকলাই দিয়াৰ তথ্য পোহৰলৈ আহিছে। মৃত আব্দুল হাইৰ পত্নী ৰেজিয়া খাতুনৰো মৃত্যু হোৱাত একমাত্ৰ জীৱিত জীয়েক আৰিফা খাতুনৰ নামত ধন মোকলাই নিদি মধ্যভোগীৰ লগ লাগি অজ্ঞাত ব্যক্তিৰ নামত ধন মোকলাই দি সমস্ত ধন আত্মসাৎ কৰা বুলি জিপিচিৰ বিৰুদ্ধে অভিযোগ উঠিছে। এচাম মধ্যভোগীৰ তাণ্ডৱৰ ভয়ত মৃত হিতাধিকাৰীৰ জীৱিত জীয়েক আৰিফাই এই কেলেংকাৰিৰ বিৰুদ্ধে মুখ খুলিবলৈ সাহস গোটাব পৰা নাই। আনকি সাংবাদিকে ক্ষেত্ৰভিত্তিক অনুসন্ধান কৰিবলৈ যাওঁতে আৰিফাক লগ কৰাৰ ক্ষেত্ৰত মধ্যভোগীয়ে বাধা দিছিল। তদুপৰি কুমাৰ গাঁৱত হোৰমুজ আলী (আইডি নম্বৰ ২২২৩০৬৮) নামৰ ব্যক্তিজনৰ কোনো ধৰণৰ অস্তিত্ব নথকা সত্বেও জিপিচি নিপুমনি শইকীয়াই গৃহ নিৰ্মাণৰ প্ৰথম কিস্তিৰ ৩২ হেজাৰ পাঁচশ টকা অজ্ঞাত ব্যক্তিৰ বেংক অৱ বৰোদাৰ একাউণ্ট নম্বৰৰ বিপৰীতে মোকলাই দিয়াৰ তথ্য পোহৰলৈ আহিছে। সাংবাদিকৰ অনুসন্ধানত গাঁওখনত হোৰমুজ আলীৰ অস্তিত্ব বিচাৰি পোৱা নাই যদিও ধিং সমষ্টিত বৰ্তমানে এই লোকজনে বসবাস কৰে আৰু গৃহ আৱন্টন সন্দৰ্ভত হিতাধিকাৰী কোনো ধৰণে জ্ঞাত নহয় বুলি জানিব পৰা গৈছে। আনহাতে, গড়েমাটিখোৱাৰ হোছনাৰা ১৩ পৃষ্ঠাত চাওক


## ৰংজুলিৰ কাঁহীবাৰীত ২৪ ঘণ্টাত দুটা হাতীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ৭ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত হাতী-মানুহৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে। যাৰ পৰিণতিত যোৱা ২৪ ঘণ্টাৰ ভিতৰত জিলাখনত দুটাকৈ হাতীৰ কৰুণ মৃত্যু ঘটিছে। কালি গোৱালপাৰাৰ আনন্দ বজাৰত এটা হাতীৰ মৃত্যুৰ পাছত আজি পুৱতি নিশা পুনৰ ৰংজুলিৰ কাঁহীবাৰীত আন এটা হাতীৰ কৰুণ মৃত্যু ঘটে। কাঁহীবাৰীৰ ধাননি পথাৰত উদ্ধাৰ হয় মৃত হাতীটো। এই ঘটনাই সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মৃত্যুৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই যদিও বন বিভাগৰ লোকে কীটনাশক ঔষধ খাই মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে। উল্লেখ্য যে ৰংজুলিৰ কন্যাকুছি আৰু কাণকাটা বনাঞ্চলত আশ্ৰয় গ্ৰহণ কৰি আছে বৃহৎ বন্যহস্তীৰ জাক। বৃহৎ বন্যহস্তীৰ জাকটোৱে ১০-১২ দিন ধৰি কাঁহীবাৰীত চলাই আছে তাণ্ডৱ। ৩০-৪০ জনীয়া বন্যহস্তীৰ জাকটোৱে সন্ধিয়া হোৱাৰ লগে লগে ধাননি পথাৰত নামি বিনষ্ট কৰিছে ধাননি পথাৰ। ইতিমধ্যে হাতীৰ জাকটোৱে এইকেইদিনৰ ভিতৰত সেউজীয়া ধাননি পথাৰত নামি ৭০-৮০ বিঘা ভূমিৰ ধাননি পথাৰ বিনষ্ট কৰিছে। যোৱা নিশাও হাতীৰ জাকটো ধাননি পথাৰত নামিছিল আৰু এই কৰুণ ঘটনাটো ঘটিছিল। লগৰীয়া হাতীটোৰ মৃত্যুত গোটেই নিশা ৩৫-৪০ জনীয়া হাতীৰ জাকটো ধাননি পথাৰত মৃত হাতীটোক আগুৰি আছিল। পুৱাহে বনাঞ্চললৈ আঁতৰি যায়। হাতীৰ জাকটোত কে'বাটাও পোৱালি হাতীও আছে। উল্লেখ্য যে যোৱা পাঁচ অক্টোবৰত এটা পোৱালি জন্ম হৈছিল ধাননি পথাৰতে। হাতীৰ মৃত্যুৰ খবৰ পাই গোৱালপাৰা জিলা বন সংমণ্ডলৰ ডিএফঅ' জিতেন্দ্ৰ কুমাৰ আৰু ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ বন বিষয়া শৰৎ দাস উপস্থিত হয়। পাছত পশু চিকিৎসকৰ দ্বাৰা মৃত হাতীটোৰ মৰণোত্তৰ পৰীক্ষা কৰি শেষকৃত্য সম্পন্ন কৰা হয়।

## কামপুৰৰ প্ৰবীণ বিজেপি নেতা কিৰণ চন্দ্ৰ বৰাৰ বিয়োগ

■ ম্ৰিয়মাণ বৃহত্তৰ কামপুৰ অঞ্চলবাসী



বিশেষ সংবাদদাতা

**নগাঁও, ৭ অক্টোবৰ ঃ** কামপুৰৰ প্ৰবীণ বিজেপি নেতা কিৰণ চন্দ্ৰ বৰাৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। যোৱা এপষেক ধৰি তেওঁ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। কালি তেওঁক কামপুৰৰ নিজা বাসগৃহলৈ অনা হয় যদিও আজি পুৱা শেষ নিশ্বাস ত্যাগ কৰে। কামপুৰৰ সাংবাদিক সমৰেন্দ্ৰ নাৰায়ণ বৰাৰ পিতৃ বৰাই যি সময়ত বিজেপিৰ সদস্যৰ তেনেই নগণ্য আছিল সেই সময়ৰ পৰাই দলটোৰ গুৰি ধৰি দলটোক জীয়াই ৰাখিবলৈ সমৰ্থ হৈছিল। পূৰ্বতে তেওঁ ভাৰতৰ জনসংঘৰ প্ৰতিষ্ঠাপক হিচাপে সেৱ আগবঢ়াই আহিছিল আৰু পৰৱৰ্তী সময়ত বিজেপিৰ হৈ আজি পৰ্যন্ত দলটোত সক্ৰিয় ভূমিকা পালন কৰি আহিছিল। জনসংঘৰ কৰ্মী অৱস্থাত তেওঁ 'আলোক' নামৰ এখন পত্ৰিকাৰ সদস্য হিচাপে কাম কৰিছিল। তেওঁ নগাঁও সমবায় চেনিকলৰ আহ্বায়ক কমিটীৰ সদস্যৰ উপৰি কামপুৰত সৰ্বপ্ৰথম 'বাবুল প্ৰিন্টিং প্ৰেছ' মুকলি কৰি অসাধ্য সাধন কৰিছিল। যি সময়ত চিনেমা চাবলৈ কামপুৰ ৰাইজ নগাঁও, গুৱাহাটী হোজাই আদিলৈ যাব লগা হৈছিল সেই সময়ত কামপুৰ বৃহত্তৰ অঞ্চলৰ চিনেমাপ্ৰেমী ৰাইজক আনন্দৰ খোৰাক যোগোৱাৰ স্বাৰ্থত 'ৰাজকমল' নামেৰে এটা ছবি গৃহ ১৩ পৃষ্ঠাত চাওক

## যোৰহাটত গুণোৎসৱত গ্ৰেড এ প্লাছ লাভ কৰিবলৈ সক্ষম হোৱা বিদ্যালয়ক সম্বৰ্ধনা

বিশেষ সংবাদদাতা

**নগাবাট, ৭ অক্টোবৰ ঃ** যোৰহাটৰ আৱৰ্ত ভৱনত যোৱা পহিলা অক্টোবৰত আয়োজন কৰা এক বিশেষ অনুষ্ঠানত জিলাৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগৰ উপস্থিতি অনুষ্ঠিত তিনিটাকৈ গুণোৎসৱত একেৰাহে এ প্লাছ গ্ৰেড লাভ কৰা, এশগৰাকীৰ অধিক ছাত্ৰ-ছাত্ৰী থকা জিলাখনৰ মুঠ আঠখন বিদ্যালয়ৰ প্ৰধান শিক্ষক, পৰিচালনা সমিতিৰ সভাপতিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, দেৰগাঁও আৰু মৰিয়নি সমষ্টিৰ বিধায়কদ্বয়, জিলা উপায়ুক্ত, অতিৰিক্ত উপায়ুক্ত (শিক্ষা)ৰ লগতে অন্যান্য কে'বাগৰাকী বিশিষ্ট লোক উপস্থিত থাকে। একেৰাহে তিনিবাৰৰ বাবে গুণোৎসৱত এ প্লাছ গ্ৰেড লাভ কৰা বিদ্যালয়কেইখন ক্ৰমে তিতাবৰ শিক্ষাখণ্ডৰ অন্তৰ্গত শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়, ৩৭৪ নম্বৰ ধলৰ সত্ৰ এলপি আৰু ঢেকিয়াজুলি সোণাৰি গাঁও এমভি স্কুল, যোৰহাট শিক্ষাখণ্ডৰ অন্তৰ্গত নগাধলি বাগান এলপি আৰু ১৫৫ নম্বৰ চিনামৰা এলপি, কেন্দ্ৰীয় যোৰহাট শিক্ষাখণ্ডৰ অন্তৰ্গত পুষ্পবন শিশু নিকেতন এলপি আৰু কাকজান বালক হাইস্কুল আৰু উত্তৰ-পশ্চিম শিক্ষাখণ্ডৰ অন্তৰ্গত ২৯৫ নম্বৰ কুহুম যুগনীয়া প্ৰাথমিক বিদ্যালয়। ইয়াৰে ১৩ পৃষ্ঠাত চাওক

## দৰঙী লোককৃষ্টি থিয়নাম-গোপিনী নাম-দেওধনী নৃত্যৰ ১৫ দিনীয়া কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ৭ অক্টোবৰ ঃ** দৰঙৰ অপূৰ্ব লোককৃষ্টি থিয়নাম, গোপিনী নাম আৰু দেওধনী নৃত্যৰ পৰিৱেশন শৈলী শুদ্ধ ৰূপত উপস্থাপন তথা নতুন প্ৰজন্মৰ মাজত ব্যৱহাৰযোগ্য কৰি তোলাৰ মানসেৰে অহা ১৪ ৰ পৰা ২৮ অক্টোবৰলৈ ছিপাঝাৰত অনুষ্ঠিত হ'ব ১৫ দিনীয়া এক লোককৃষ্টিৰ কৰ্মশালা। দৰং জিলা পৰিষদৰ সহযোগত আৰু দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ উদ্যোগত সংঘৰ প্ৰেক্ষাগৃহত দিনৰ ১১ বজাৰ পৰা বিয়লি তিনি বজালৈকে অনুষ্ঠিত হ'ব উক্ত কৰ্মশালা। অভিজ্ঞ লোকশিল্পীৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া থিয়নাম, গোপিনী নাম আৰু দেওধনী নৃত্যৰ এই কৰ্মশালাত অংশগ্ৰহণ কৰিব খোজা ইচ্ছুক লোকশিল্পীক অহা ১৩ অক্টোবৰৰ আগতে সংঘৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ যোগাযোগ কৰিবলৈ সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াই আহ্বান জনাইছে।

## নলবাৰীৰ বালিকৰিয়া লক্ষীপুৰত শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৭ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বালিকৰিয়া খাৰজাৰাৰ লক্ষীপুৰ চুবুৰিত ন আৰু ১০ অক্টোবৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪২ সংখ্যক শ্ৰীশ্ৰীলক্ষ্মী পূজা উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। ইতিমধ্যে অঞ্চলটোৰ জগত চন্দ্ৰ বায়নক সভাপতি, ভবেশ বৰ্মনক কাৰ্যকৰী সভাপতি, অপূৰ্ব শৰ্মা, বিপুল বৰ্মনক সম্পাদক তথা টিংকুমণি বৰ্মন আৰু সীমান্ত বৰ্মনক বিত্ত সম্পাদকৰূপে লৈ এইবলি ৪২ সংখ্যক শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ এখন সমিতি গঠন কৰা হৈছে। শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ধৰ্মেশ্বৰ ৰাজবংশীয়ে জনোৱা অনুসৰি, অহা ন অক্টোবৰত পুৱা ছয় বজাত চুবুৰিবাসীৰ দ্বাৰা চাফাই অভিযান, ৭.৩০ বজাত উদ্‌যাপন সমিতিৰ সভাপতিৰ দ্বাৰা পতাকা উত্তোলন, আঠ বজাত ছহিদ তৰ্পণ আৰু মাল্যাৰ্পণ আৰু ন বজাত বৃক্ষৰোপণ আৰু গছপুলি বিতৰণ শীৰ্ষক কাৰ্যসূচী। আনহাতে, উক্ত দিনাই ৯.৩০ বজাৰ পাছত খেল-ধেমালি প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। তদুপৰি বিয়লি ৩.৩০ বজাৰ পাছত শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ প্ৰতিমা স্থাপনৰ লগতে আয়তীসকলৰ দ্বাৰা নাম-প্ৰসংগ, বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। সন্ধিয়া ৫.৩০ বজাৰ পাছত পূজাৰম্ভ আৰু ওজাপালি প্ৰদৰ্শন, বিশ্ব শান্তিৰ বাবে ৫০০ গছি বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। নিশা ৮.৩০ বজাত স্থানীয় পাঠকৰ দ্বাৰা দিহানাম প্ৰদৰ্শন, পুষ্পাঞ্জলি প্ৰদান, প্ৰসাদ বিতৰণ, আৰু নিশা ১০ বজাত ১৩ পৃষ্ঠাত চাওক

## সদৌ অসম কবি সন্মিলনৰ যোৰহাট অধিবেশন আৰম্ভ



ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৭ অক্টোবৰ ঃ** সদৌ অসম কবি সন্মিলনৰ ৬০সংখ্যক দ্বি-বাৰ্ষিক পূৰ্ণাংগ যোৰহাট অধিবেশন আজিৰে পৰা শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী যোৰহাট জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ড° কুতুবুদ্দিন আহমেদ ক্ষেত্ৰত আৰম্ভ হৈছে। পুৱা মুখ্যদ্বাৰ উদ্‌ঘাটনেৰে আজিৰ প্ৰথম দিনৰ কাৰ্যসূচীৰে মুকলি কৰে অৱসৰপ্ৰাপ্ত বিজ্ঞানী তথা বিশিষ্ট কবি ড° পৰাণ বৰুৱাই। ইয়াৰ পাছত বন্তি প্ৰজ্বলন কৰে সদেনক প্ৰধান সম্পাদক আনন্দ দত্তই। আনহাতে, গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে অ'এনজিচিৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া জীতেন্দ্ৰ সোণোৱালে। ড° বেণু গগৈৰ স্মৃতিত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভা উদ্বোধন কৰে বিশিষ্ট কবি সাহিত্যিক ড° বন্দিতা গোস্বামী শইকীয়াই। বিশিষ্ট সাহিত্যিক ড° অনিল কুমাৰ শইকীয়াই সঞ্চালনা কৰা সভাত অংশগ্ৰহণ কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী বিনিতা দত্ত, বিজ্ঞান লেখক অদিতি বেজবৰুৱা, সদৌ অসম কবি সন্মিলনৰ উপ-সভাপতিদ্বয় ক্ৰমে ৰাজুমণি বেজবৰুৱা, হৰেন গগৈ অসম সাহিত্য সভাৰ ১৩ পৃষ্ঠাত চাওক

## 'দক্ষ যজ্ঞ' ভাওনাৰে সামৰণি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ কাৰ্যসূচী

তেজপুৰত শ্ৰীমন্ত শংকৰদেৱৰ জীৱন দৰ্শনৰ মননশীল আলোচনা



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৭ অক্টোবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ সমিতিৰ তেজপুৰ আঞ্চলিকৰ উদ্যোগত তেজপুৰৰ পক্ষীয়াঝাৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মোৎসৱ কালি বিয়লি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন দৰ্শনৰ ওপৰত বিশিষ্ট ব্যক্তিৰ উপস্থিতিত গুৰুত্বপূৰ্ণ আলোচনা সভা আৰু নিশা ভাওনাৰে সামৰণি পৰে। উল্লেখ্য যে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, নাম-প্ৰসংগ, দিহানাম প্ৰতিযোগিতা, বৰগীত-সত্ৰীয়া নৃত্য প্ৰতিযোগিতা আদি কাৰ্যসূচীৰ লগতে কালি বিয়লি তেজপুৰ আঞ্চলিক শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ সমিতিৰ সভাপতি জিতেন বৰঠাকুৰৰ পৌৰোহিত্যত অনুষ্ঠিত অতি গুৰুত্বপূৰ্ণ আলোচনা সভাত বিশিষ্ট শিক্ষাবিদ তথা লেখিকা ড° স্বাধীনতা মহন্ত, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা, জ্যেষ্ঠ সাংবাদিক তথা প্ৰগতিশীল নিৰ্মোহ বিশ্লেষক অঞ্জন গোস্বামী আৰু প্ৰাক্তন ছাত্ৰ নেতা তথা সচেতন সাংস্কৃতিক কৰ্মী শান্তনু মহন্তই ১৩ পৃষ্ঠাত চাওক

## শংকৰদেৱৰ নামত প্ৰতিষ্ঠিত অনুষ্ঠান-প্ৰতিষ্ঠান ঐক্যবদ্ধ হ'লেহে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা সম্ভৱ

### টংলাৰ গেৰুৱাত কৃতী শিক্ষাৰ্থী-বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**টংলা, ৭ অক্টোবৰ ঃ** 'গুৰুজনাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ হ'লে মহাপুৰুষ শংকৰদেৱৰ নামত প্ৰতিষ্ঠিত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে ঐক্যবদ্ধভাৱে মিলি-জুলি কাম কৰিব লাগিব। আমাৰ মাজত থকা খাম-খিয়ালি আঁতৰাই তেৰা যে সৰ্বগুণাকৰ মহাপুৰুষ মাধৱদেৱে কোৱাৰ দৰে প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ কৰিব লাগিব।' ওদালগুৰি জিলা দ্য আৰ্মী গাঁও খ্যাত গেৰুৱা গাঁও উন্নয়ন সমিতিৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ সংঘ, গেৰুৱা প্ৰাথমিক শাখা আৰু ভাগৱতী সমাজৰ সহযোগত আয়োজন কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱৰ কালি অনুষ্ঠিত ধৰ্মালোচনী সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰি এইদৰে কয় লোক-সংস্কৃতিৰ আজীৱন বিশিষ্ট গৱেষক তৰুণ আজাদ ডেকাই। তেওঁ পুনৰ কয় যে তেৰাৰ মানৱতাবাদ, বৈজ্ঞানিক চিন্তাধাৰা, কৃষ্ণ সংস্কৃতি, আধ্যাত্মিক, নৈতিক শিক্ষা সমাজত প্ৰতিষ্ঠা কৰিবলৈ, যুৱ প্ৰজন্মকো ধৰ্মীয় বাতাবৰণৰ জৰিয়তে এখন সুশৃংখল সমাজ গঢ়িবলৈ আহ্বান জনায়। শ্ৰীমন্ত শংকৰদেৱ সংঘ, ভেৰগাঁও জিলা শাখাৰ শৰণাচাৰ্য মংগল ৰাভা, গাঁওবুঢ়া পঞ্চানন ডেকাই ভাষণ আগবঢ়োৱা সভা পূব ওদালগুৰি আঞ্চলিক শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ সাংগঠনিক সম্পাদক ডালিম কছাৰীয়ে উদ্বোধন কৰে। গেৰুৱা গাঁও উন্নয়ন সমিতিৰ সভাপতি ১৩ পৃষ্ঠাত চাওক

## ছহিদৰ ত্যাগক অথলে যাবলৈ দিব নোৱাৰি ঃ বৰুৱা

■ নগাঁৱত মাধ্যম আন্দোলনৰ ছহিদ অনিল বৰাৰ ৫০ সংখ্যক স্মৃতি দিৱস উদ্‌যাপন



বিশেষ সংবাদদাতা

**নগাঁও, ৭ অক্টোবৰ ঃ** ভাষাৰ মাধ্যম আন্দোলনৰ ছহিদ অনিল বৰাৰ ৫০ সংখ্যক স্মৃতি দিৱস আজি নগাঁৱত বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। উল্লেখ যে ১৯৭২ত অসমত হোৱা ভাষাৰ মাধ্যম আন্দোলনৰ শক্তিশালী নেতৃত্ব দিয়া সেই সময়ৰ সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পলাশনী গাঁৱৰ প্ৰতিভাবান ছাত্ৰ নেতা অনিল বৰাক হোজাইত মাধ্যম আন্দোলনৰ পৰিস্থিতি অধ্যয়নৰ বাবে যোৱাৰ সময়ত দুষ্কৃতিকাৰীয়ে নৃশংসভাৱে হত্যা কৰিছিল আজিৰ দিনটোত। এইজন ছহিদৰ ৫০ সংখ্যক স্মৃতি দিৱস তেওঁৰ জন্মস্থান পলাশনী গাঁৱত পলাশনী সাংস্কৃতিক আৰু ক্ৰীড়া সংস্থাই আজিৰে পৰা দুদিনীয়াকৈ ১৩ পৃষ্ঠাত চাওক

## মৰা ধনশ্ৰী নৈত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ৭ অক্টোবৰ ঃ** দৰং আৰু ওদালগুৰি জিলাৰ সীমান্তৱৰ্তী অঞ্চল কৌপাটীত মৰা ধনশ্ৰী নৈত আজি পুৱা মৃতদেহ এটা ওপঙি থকা দেখা পাই স্থানীয় ৰাইজৰ মাজত হুৱাদুৱা লাগে। মৃতদেহটো মৰা ধনশ্ৰী নৈত উটি অহা বুলি স্থানীয় ৰাইজে সন্দেহ কৰিছে। মৃতদেহটোৰ পৰিচয় এতিয়ালৈকে উদ্ধাৰ হোৱা নাই। মৃতদেহটো স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰাৰ পাছত আৰক্ষীক খবৰ দিয়ে। পাছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ওদালগুৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## আব্দুৰ ৰহিমৰ আকস্মিক মৃত্যু ম'হচৰাত গভীৰ শোকৰ ছাঁ

**নগৰবেৰা, ৭ অক্টোবৰ ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ম'হচৰা গাঁৱৰ বাসিন্দা তথা ব্যক্তিগত শিক্ষানুষ্ঠানৰ শিক্ষক আব্দুৰ ৰহিমৰ (৫১) আজি মৃত্যু হয়। তথ্য মতে, ম'হচৰা গাঁৱৰ প্ৰয়াত অৱসৰপ্ৰাপ্ত শিক্ষক কলিম উদ্দিন আহমেদৰ জ্যেষ্ঠ পুত্ৰ আব্দুৰ ৰহিমৰ যোৱা বুধবাৰে নিশা হঠাৎ বুকুৰ বিষ হোৱাত তেওঁক ততাতৈয়াকৈ জিএমচি হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসাধীন অৱস্থাত আজি দিনৰ ১০ বজাত তেওঁৰ মৃত্যু হয়। উল্লেখ্য যে আব্দুৰ ৰহিমে স্থানীয় ব্যক্তিগত খণ্ডৰ বিদ্যালয় হালিমন নেছা একাডেমীত কিছু বছৰ শিক্ষকতা কৰাৰ পাছত পুনৰ ম'হচৰা ব্যক্তিগত খণ্ডৰ বিদ্যালয় নছিব আলী একাডেমীত শিক্ষকতা কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজনী কন্যা সন্তান আৰু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

## বাখলগাঁও-বোৱালিমাৰী-দেওহাটীত বৰ্ণাঢ্য কাৰ্যসূচীৰে লক্ষ্মী পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ৭ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ বিভিন্ন প্ৰান্তত ধনৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মীৰ পূজা-অৰ্চনা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলাইছে। উত্তৰ শালমাৰাৰ নিকটৱৰ্তী বাখলগাঁৱত এইবেলি ১০ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিব লক্ষ্মী পূজা-আৰাধনা। দিপুল ৰায়ক সভাপতি আৰু নয়ন ৰায়ক সম্পাদকৰূপে লৈ গঠন কৰা পূজা আৰু মেলা পৰিচালনা সমিতিয়ে ন অক্টোবৰৰ দুপৰীয়া লক্ষ্মীদেৱীৰ মৃণ্ময় মূৰ্তি বেদীত স্থাপনৰ পাছত নিৰন্তৰভাৱে চলিব পূজা-অৰ্চনা, নাম-কীৰ্তন। পাছদিনা চিত্ৰাংকন প্ৰতিযোগিতা আৰু দবা নাম প্ৰদৰ্শন। তাৰ পাছৰ দিনবোৰৰ কাৰ্যসূচী মতে, যাত্ৰাভিনয়, নাগাৰা নাম, নৃত্য প্ৰতিযোগিতা আদি অনুষ্ঠিত হোৱাৰ লগতে ১৭ আৰু ১৮ অক্টোবৰত অনুষ্ঠিত কৰিব সাংস্কৃতিক অনুষ্ঠান। তেনেদৰে অভয়াপুৰী চহৰৰ নিকটৱৰ্তী বোৱালিমাৰীত অভয়াপুৰী আঞ্চলিক লক্ষ্মী দেৱীৰ পূজা-অৰ্চনাৰ লগতে আইসকলৰ নাম, নৃত্য প্ৰতিযোগিতা, কুশান গানৰ ১৩ পৃষ্ঠাত চাওক

## তেজপুৰত মহিলাৰ ওপৰত দুৰ্বৃত্তৰ আক্ৰমণক লৈ প্ৰতিক্ৰিয়া অব্যাহত ঃ স্মাৰকপত্ৰ প্ৰদান

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৭ অক্টোবৰ ঃ** তেজপুৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত জাৰণিত কালি একাংশ দুৰ্বৃত্তই ৰেখা ৰাণা নামৰ মহিলাৰ ওপৰত চলোৱা বৰ্বৰোচিত আক্ৰমণৰ ঘটনাৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। অঞ্চলটোৰ অতি পুৰণি এটা পৰিয়ালৰ জীয়ৰী ৰাণাৰ ওপৰত আক্ৰমণকাৰীয়ে চলোৱা এই আক্ৰমণক স্থানীয় সকলো শ্ৰেণীৰ লোকে গৰিহণা দিয়াৰ সমান্তৰালভাৱে আক্ৰমণকাৰীসকলৰ বিৰুদ্ধে কঠোৰ শাস্তিৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনোৱাৰ সময়তে আজি দিনৰ প্ৰায় দুই বজাত শোণিতপুৰৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক এই ঘটনাত জড়িতসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবীত অসম গোৰ্খা সন্মিলন আৰু গোৰ্খা ছাত্ৰ সন্থা, শোণিতপুৰ জিলা সমিতিৰ যৌথ প্ৰতিনিধি দলৰ দ্বাৰা স্মাৰকপত্ৰ প্ৰদান কৰা হয়। স্মাৰকপত্ৰত এই ঘটনাক অতিশয় দুৰ্ভাগ্যজনক আখ্যা দিয়াৰ লগতে এনে ঘটনাই সমাজখনলৈ অশুভ সংকেত কঢ়িয়াই আনিছে বুলি উল্লেখ কৰি ইয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱা হয়। উল্লেখ্য যে উপায়ুক্তৰ হৈ স্মাৰকপত্ৰ গ্ৰহণ কৰে শোণিতপুৰৰ অতিৰিক্ত উপায়ুক্ত ৰমি বৰুৱাই। উপায়ুক্ত বৰুৱাই এই ঘটনাক গুৰুত্বসহকাৰে লোৱা হৈছে বুলি সংগঠন দুটাৰ প্ৰতিনিধিবৰ্গৰ আগত উল্লেখ কৰে। আনহাতে, আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই আক্ৰমণকাৰীসকলক ৰেহাই দিয়া নহ'ব বুলি ১৩ পৃষ্ঠাত চাওক

## উচটনিমূলক বক্তব্যৰে বিভেদ আনিব বিচৰা স্বৰাজ কটকী ৰাইজৰ ৰোষত

■ জামুগুৰিহাটৰ স্বয়ম্ভূ শিল্পী কটকীৰ বিৰুদ্ধে আৰক্ষী থানাত গোচৰ

■ ২০ৰো অধিক দল-সংগঠনে সামাজিকভাৱে বৰ্জন



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৭ অক্টোবৰ ঃ** জামুগুৰিহাটৰ সংগীয়া চুক নিবাসী যুৱক স্বৰাজ কটকীৰ বিৰুদ্ধে আজি জামুগুৰিহাটৰ বাপুজী ভৱন প্ৰেক্ষাগৃহত ২০ টাৰো অধিক অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ বিষয়ববীয়াৰ উপস্থিতিত এখনি গাম্ভীৰ্যপূৰ্ণ সভা অনুষ্ঠিত হৈ যায়। বাপুজী ভৱন নাট্য সমাজৰ সভাপতি জনাৰ্দন ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত সভাত জামুগুৰিহাটবাসীক তুচ্ছজ্ঞান কৰি বিৰূপ মন্তব্য প্ৰদান কৰা স্বৰাজ কটকীৰ বিৰুদ্ধে সৰৱ হৈ পৰে সভাস্থলীত উপস্থিত ৰাইজ। জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত বৰপুখুৰিপাৰ মুকলি বিহু, পাতলৰচুক গাঁৱৰ বোকাখেচা আৰু কোচগাঁৱৰ কালীয় দমন ভাওনাক বিতৰ্কৰ মাজলৈ টানি অনা স্বৰাজ কটকীক স্বয়ম্ভূ শিল্পীৰ আখ্যা দিয়ে সভাত অংশগ্ৰহণ কৰা বিভিন্নজনে। জামুগুৰি সাহিত্য ১৩ পৃষ্ঠাত চাওক

## কাজলগাঁৱত ৬১ সংখ্যক শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ আয়োজন

মদ-জুৱা-প্লাষ্টিক ব্যৱহাৰত নিষেধাজ্ঞা পূজা কমিটীৰ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৭ অক্টোবৰ ঃ** অইন বছৰৰ দৰে এইবেলিও চিৰাং জিলা সদৰ-কাজলগাঁৱত অহা নৱ পৰা ১৫ অক্টোবৰলৈ সাতদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ৬১ সংখ্যক শ্ৰীশ্ৰীলক্ষ্মী পূজা আৰু মেলা। বৃহত্তৰ কাজলগাঁও অঞ্চলৰ জনসাধাৰণৰ মাজত ঐক্য, শান্তি-সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধ গঢ়ি তোলাৰ উদ্দেশ্যৰে ১৯৬১ৰ পৰাই জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে বিভিন্ন কাৰ্যক্ৰমণিকাৰে পালন কৰি অহা এই পূজা আৰু মেলা ১৯৯০ৰ পৰাই আধুনিক মেলাৰ প্ৰতিটো উপকৰণেৰে উদ্‌যাপিত হৈ আহিছে। চৰকাৰী পঞ্জীয়নভুক্ত এই পূজা আৰু মেলা সমিতিয়ে ইতিমধ্যে বজাৰ প্ৰাংগণত স্থায়ী লক্ষ্মী মন্দিৰ, ব্ৰহ্ম মন্দিৰ আৰু শিৱ মন্দিৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিছে। ডেৰ কোটি টকা বাজেটৰ এই মন্দিৰৰ নিৰ্মাণ কাৰ্য যোৱা তিনি বছৰত ত্বৰান্বিত কৰি ইতিমধ্যে প্ৰায় ৫০ শতাংশ কাম সম্পন্ন হৈছে। অনৈক্যৰ মাজত বাৰ্তা কঢ়িয়াই অনা কাজলগাঁৱৰ ঐতিহ্যমণ্ডিত পূজা আৰু মেলা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ এইবেলি ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৱা নাৰ্জাৰী, চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী, চিদলী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম, ১৫ নম্বৰ কাজলগাঁও বিটিচি পৰিষদীয় সমষ্টিৰ এমচিএলএ পানীৰাম ব্ৰহ্ম, বিটিচিৰ মনোনীত ১৩ পৃষ্ঠাত চাওক

## বিশ্বনাথত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৭ অক্টোবৰ ঃ** বিশ্বনাথৰ বালিপুখুৰী ৰাজপথত আজি এটা মৃতদেহ উদ্ধাৰ হয়। উদ্ধাৰ হোৱা মৃতদেহটো তিনি নম্বৰ বালিপুখুৰীৰ দল বাহাদুৰ দমে বুলি চিনাক্ত কৰিছে স্থানীয় লোকে। ইতিমধ্যে আৰক্ষী উক্ত স্থানত উপস্থিত হৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰিছে। কি ৰহস্যজনক কাৰণত মৃত্যু হ'ল লোকজনৰ বাতৰি লিখাৰ সময়লৈকে জানিব পৰা হোৱা নাই।

# বিশ্বনাথ পানপুৰ মথাউৰিৰ কুমলীয়া অঞ্চলত পুনৰ খহনীয়াৰ তাণ্ডৱ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৭ অক্টোবৰ ঃ** আজি প্ৰায় অৰ্ধশতক ধৰি বিশ্বনাথত ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াই তাণ্ডৱ চলাই আহিছে। বিগত সময়ত হেজাৰ হেজাৰ হেক্টৰ ভূমি নদীৰ কবলত পৰিছে। কিন্তু কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে খহনীয়া প্ৰতিৰোধৰ কাৰণে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই। এই বছৰো বিভিন্ন সংখ্যালঘু সংগঠনে বাৰে বাৰে চৰকাৰক দাবী জনাই আহিছে খৰালি কালতে নদীৰ খহনীয়াৰ কাম হওক। কিন্তু সেয়া হৈ নুঠিল। যোৱা দুবছৰ পূৰ্বে বিশ্বনাথৰ এই পানপুৰ মথাউৰিৰ কুমলীয়াকে ধৰি বিভিন্ন অঞ্চলত জিঅ' বেগৰ কাম কৰা হৈছিল যদিও এই জিঅ' বেগৰ কামৰ মাজে মাজে বহুতো ফাঁক থাকি গ'ল। যাৰ ফলত এই ফাঁকবোৰেই কাল হৈ পৰিছে উক্ত অঞ্চলৰ বাবে। কাৰণ এই ফাঁকবোৰৰ জৰিয়তে এতিয়া প্ৰতিদিনৰ লগতে আজিও তীব্ৰ খহনীয়া হৈছে পানপুৰ মথাউৰিত। যাৰ বাবে পানপুৰ মথাউৰিৰ গাতে লাগি থকা বহুতো গঞা ৰাইজ এতিয়া চিন্তিত হৈ পৰিছে। কাৰণ যিকোনো সময়তে এই খহনীয়াই আৰু ভয়াবহ ৰূপ ধাৰণ কৰি হেজাৰ হেজাৰ পৰিয়ালৰ ঘৰ-দুৱাৰ, মাটি-ভেটি ধ্বংস কৰিব পাৰে। যাৰ বাবে স্থানীয় ৰাইজে চৰকাৰ তথা প্ৰশাসনক এই খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰাৰ আহ্বান জনাইছে স্থানীয় ৰাইজে।

## ড° অমল ৰাজখোৱাৰ মৃত্যু অপূৰণীয় ক্ষতি ঃ মন্ত্ৰী বিমল বৰা

অগ্ৰদূত বাৰ্তা

**ৰাজগড়, ৭ অক্টোবৰ ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° অমল ৰাজখোৱাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে উদ্যোগ, বাণিজ্যিক আৰু সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰাই। ড° ৰাজখোৱাৰ দৰে সক্ৰিয় সাহিত্য কৰ্মী এগৰাকীৰ বিয়োগ আমাৰ বাবে অপূৰণীয় ক্ষতি বুলি মত প্ৰকাশ কৰি মন্ত্ৰী বৰাই তেওঁৰ পৰলোকগামী আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

## দিছপুৰত গুৰুজয়ন্তী উৎসৱৰ সফল সামৰণি



**গুৱাহাটী, ৭ অক্টোবৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ যোৱা পাঁচ আৰু ছয় অক্টোবৰত দিশপুৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰ প্ৰাংগণত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পাঁচ অক্টোবৰৰ পুৱা ন বজাত অনুষ্ঠিত সত্ৰীয়া নৃত্য প্ৰতিযোগিতাত ভালেমান প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ক শাখাৰ বিজয়ী প্ৰতিযোগীসকল প্ৰথম দৰথী গগৈ, দ্বিতীয় প্ৰজ্ঞাশ্ৰী হাজৰিকা আৰু তৃতীয় দোনাতা তালুকদাৰ। খ শাখত প্ৰথম স্থান লাভ কৰে যুটীয়াভাৱে বৰষা ৰাণী কলিতা আৰু কৃষ্টি দাসে, দ্বিতীয় স্থান যুটীয়াভাৱে অস্মিতা বৰুৱা আৰু হেমলতা কাকতিয়ে, তৃতীয় স্থান কিশোৰ ৰাজবংশীয়ে লাভ কৰে। ছয় অক্টোবৰত পুৱা ১১ বজাত নাম-প্ৰসংগ, তিনি বজাত দিহানাম পৰিবেশন কৰা হয়। বিয়লি পাঁচ বজাত অনুষ্ঠিত ধৰ্মলোচনী সভাত মুখ্য অতিথিৰূপে ড° ভূপেন্দ্ৰ ৰায়চৌধুৰী আৰু নিৰ্দিষ্ট বক্তা দীনবন্ধু দাসে গুৰুজনাৰ কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰে। সন্ধিয়া ৬.৩০ বজাত সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে। সন্ধিয়া সাত বজাত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভণিতে ৰত্ন ওজা সনাতন কলাপীঠৰ শিক্ষাৰ্থীসকলে বৰগীত পৰিবেশন কৰে। মণ্ডলদৈৰ শিশু শিল্পীসকলে গায়ন-বায়ন আৰু নৃত্যাংগনা তথা ৰত্ন ওজা কলাপীঠৰ অধ্যক্ষা জুহিমন দাসৰ পৰিচালনাত শিক্ষাৰ্থীসকলে কে'বাটাও সত্ৰীয়া নৃত্য পৰিবেশন কৰে। অনুষ্ঠানৰ শেষত মহাপুৰুষ মাধৱদেৱৰ ঝুমুৰাৰ আধাৰত জুহিমন দাসে সংৰচনা কৰা আৰু কলাপীঠৰ শিক্ষাৰ্থীসকলে 'চাতুৰী কানাই' নামৰ নৃত্যালেখ্যখন পৰিবেশন কৰি ৰাইজক মোহিত কৰে। অনুষ্ঠানৰ আঁত ধৰে ড° দীপেন দাসে। দুয়োদিনৰ কাৰ্যসূচী সফল ৰূপায়ণৰ ক্ষেত্ৰত উদ্যোক্তাসকলে ভক্তপ্ৰাণ ৰাইজৰ শলাগ লয়।

## ঘগ্ৰাপাৰত পুথ দুৰ্ঘটনাত হতাহত দুই

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৭ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত পৈচাৰা চ'কৰ সমীপৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি এক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হোৱাৰ বিপৰীতে ঘগ্ৰাপাৰৰ ধাম পথৰ নহাউলি-চত্ৰা হোৱা আন এক পথ দুৰ্ঘনাত যুৱক এজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ঘটনাৰ বিৱৰণী মতে, ঘগ্ৰাপাৰৰ আৰক্ষী থানাৰ অন্তৰ্গত দলুৱা গাঁও নিবাসী তথা কাঠমিস্ত্ৰি জিতেন কলিতা (৪৮) আজি ঘগ্ৰাপাৰৰ চ'কৰ বেংকত ধন উলিয়াবলৈ গৈ থকা সময়তে একে দিশেৰে অহা তীব্ৰবেগী এ এছ ২৫ এইজ্ঞ ৮০৯৪ নম্বৰৰ ৰাগনাৰ এখনে উক্ত স্থানত প্ৰচণ্ড খুন্দা মৰাত থিতাতে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ, এগৰাকী কন্যা এৰি যায়। মৃত কলিতাৰ মৰণোত্তৰ পৰীক্ষাৰ পাছত নশ্বৰ দেহ ঘৰলৈ আনি সংকাৰ কৰা হয়। আনহাতে, নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ দামোদৰ ধাম পথৰ চত্ৰা-নহাউলী চ'কৰ সমীপত আজি পুৱা ১০ মান বজাত মটৰ চাইকেল আৰু ই-ৰিক্সাৰ মুখামুখি সংঘৰ্ষৰ ফলত মটৰ চাইকেল আৰোহী যুৱক এজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ততাতৈয়াকৈ স্থানীয় ৰাইজ আৰু আৰক্ষী উপস্থিত হৈ চিকিৎসালয়ত ভৰ্তি কৰে যদিও বাতৰি লিখা পৰলৈ যুৱকজনৰ পৰিচয় ওলোৱা নাই।

## মোৰাঝাৰত বুজন পৰিমাণৰ নকল টকাসহ পাঁচজন আৰক্ষীৰ জালত





অগ্ৰদূত বাৰ্তা

**যমুনামুখ/হোজাই, ৭ অক্টোবৰ ঃ** হোজাই জিলাৰ মোৰাঝাৰৰ দেৱস্থানত যোৱা নিশা মোৰাঝাৰ আৰু দেৱস্থান আৰক্ষীয়ে যৌথভাৱে অভিযান চলাই পাঁচজন জাল নোটৰ ব্যৱসায়ীক হাতে-লোটে আটক কৰাৰ লগতে বুজন পৰিমাণৰ জাল নোট উদ্ধাৰক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, মোৰাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত দেৱস্থানত দুটা পক্ষৰ মাজত জালনোট আদান-প্ৰদান হ'ব বুলি এক বিশেষ সূত্ৰৰ পৰা তথ্য লাভ কৰে। খবৰৰ ভিত্তিত যোৱা নিশা মোৰাঝাৰ আৰু দেৱস্থান আৰক্ষীয়ে অতৰ্কিতে সম্ভাব্য স্থানত অভিযান চলাই ব্যৱসায়ী পাঁচজনক জালনোটৰ স'তে হাতে-লোটে আটক কৰিবলৈ সক্ষম হয়। দলটোৰ পৰা পাঁচশ টকীয়া ভুৱা ভাৰতীয় নোটৰ ছয়লাখ ৮০ হেজাৰ টকা আৰু চাৰিটা ম'বাইল ফোন উদ্ধাৰ কৰে আৰক্ষীৰ দলে। বৃহৎ দলটোৰ পাঁচজনক আৰক্ষীয়ে আটক কৰিলে যদিও এন্ধাৰৰ সুযোগ লৈ আন কে'বাজনো পলাই যাবলৈ সক্ষম হৈছে বুলি আৰক্ষীয়ে প্ৰকাশ কৰে। আটক কৰা জালনোট ব্যৱসায়ীকেইজন হৈছে আব্দুল কৰিম, বাসু আলী, কুদ্দুছ আলী, চিচেন্দু আৰু ছালেহ আহমেদ ওৰফে নাজু। ধৃত ব্যৱসায়ীকেইজনৰ ঘৰ ডবকাত বুলি আৰক্ষীয়ে নিশ্চিত কৰিছে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত জোৰদাৰ কৰি তুলিছে আৰু অতি শীঘ্ৰে জালনোট ব্যৱসায়ত জড়িত আন বহুকেইজন আৰক্ষীৰ জালত পৰাৰ সম্ভাৱনা আছে। ইপিনে, আৰক্ষীয়ে আটক কৰা ছালেহ আহমেদ ওৰফে নাজু এটা ভুৱা ফেচবুক সাংবাদিক আৰু আৰক্ষীৰ অভিযান ব্যৰ্থ কৰিবলৈ ষড়যন্ত্ৰ চলোৱা বুলি আৰক্ষীয়ে অভিযোগ উত্থাপন কৰিছে।

## মৰাণত অচিনাক্ত ব্যক্তিৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৭ অক্টোবৰ ঃ** মৰাণত সঘনাই উদ্ধাৰ হৈছে ৰেলৰ খুন্দাত মৃত্যু হোৱা ব্যক্তিৰ মৃতদেহ। দুৰ্গা পূজাৰ আনন্দৰ মাজতেই মৰাণ-চেপনৰ মাজত ৰেলৰ খুন্দাত এজন যুৱকৰ মৃত্যুৰ পাছতে আজি পুনৰ উদ্ধাৰ হ'ল অচিনাক্ত ব্যক্তিৰ মৃতদহে উদ্ধাৰ হয়। মৰাণ আৰু চেপন ৰেল ষ্টেছনৰ মাজত ৰেল লাইনৰ কাষত এটা মৃতদেহ উদ্ধাৰ হৈছে। অৰ্ধ উলংগ অৱস্থাত থকা মৃত ব্যক্তিজনৰ পৰিচয় এতিয়াও লাভ কৰিব নোৱাৰাৰ লগতে কেতিয়া কোন সময়ত এই ঘটনা সংঘটিত হ'ল সেই বিষয়ে জানিব পৰা হোৱা নাই।

## ৰঙাপৰাত পুনৰ বনৰীয়া হাতীয়ে ভাঙিলে দোকানগৃহ ঃ চিন্তিত ৰাইজ

বিশেষ সংবাদদাতা



**ৰঙাপৰা, ৭ অক্টোবৰ ঃ** শোণিতপুৰ ৰঙাপৰাত অব্যাহত আছে বনৰীয়া হাতীৰ তাণ্ডৱলীলা। ৰঙাপৰাৰ বিভিন্ন ঠাইত বনৰীয়া হাতীয়ে ৰাইজৰ বাসগৃহ, বিদ্যালয় গৃহ, অংগনৱাড়ী কেন্দ্ৰ আদি ভাঙি বিস্তৰ ক্ষতি সাধন কৰি অহাৰ সময়তে কালি পুনৰ ভাঙিলে দোকান গৃহ। যোৱা নিশা প্ৰায় ১.৩০ বজাত ঢুলাংপাদুং চাহ বাগিচাৰ দুই নম্বৰ শ্ৰমিক লাইনত বনৰীয়া হাতী খাদ্যৰ সন্ধানত প্ৰৱেশ কৰে। প্ৰকাণ্ড তিনিটা হাতীয়ে প্ৰৱেশ কৰি চনু কন্ধৰ দোকানগৃহটো ভাঙি খাদ্য সামগ্ৰী পেলাই লণ্ডভণ্ড কৰে। তদুপৰি বনৰীয়া হাতীকেইটাই অঞ্চলটোত ত্ৰাসৰ সৃষ্টি কৰে। বনৰীয়া হাতীৰ ৰুদ্ৰমূৰ্তি প্ৰত্যক্ষ কৰি ৰাইজে প্ৰাণৰ ভয়ত ঘৰ-দুৱাৰ এৰি পলায়ন কৰে। উল্লেখ্য যে বিগত এমাহ ধৰি বিভিন্ন ভাগত বিভক্ত হৈ খাদ্যৰ সন্ধানত বনৰীয়া হাতীয়ে ৰাইজৰ ঘৰ-দুৱাৰ ভাঙি বিস্তৰ ক্ষতি সাধন কৰি আহিছে। ৰঙাপৰাত এতিয়া নিশা হ'লেই হাতী আহে আৰু বনৰীয়া হাতীৰ সন্ত্ৰাস চলে। বৰ্তমান এয়া এক চিৰ পৰিচিত দৃশ্য। বনৰীয়া হাতীৰ সমস্যাটোক লৈ বিমোৰত পৰিছে স্থানীয় ৰাইজ। পৰৱৰ্তী সময়ত বিভাগটোৱে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

## চোৰাং গৰুসহ দুজনক আটক দলগাঁৱত ঃ জেললৈ প্ৰেৰণ



অগ্ৰদূত বাৰ্তা

**দলগাঁও, ৭ অক্টোবৰ ঃ** ৰাজ্য গৰু সৰবৰাহ কৰাত নিষেধাজ্ঞা প্ৰয়োগ কৰিলে যদিও বৰ্তমানেও বন্ধ হোৱা নাই গৰুৰ চোৰাং সৰবৰাহ। ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলিয়ে আছে অবৈধ চোৰাং গৰুৰ সৰবৰাহ। দৰঙৰ দলগাঁও থানাৰ অন্তৰ্গত শিলবৰীত আৰক্ষীয়ে যোৱা নিশা চাৰিটাকৈ চোৰাং গৰুসহ ডিআই বাহনৰ স'তে দুজন লোকক আটক কৰিবলৈ সক্ষম হয়। তথ্য মতে উত্তৰ লখিমপুৰৰ পৰা এএছ-২৫ এফচি-০৭০৩ নম্বৰৰ ডি আই এখনৰে চোৰাংকৈ গৰুৰ লৈ আহি থকা অৱস্থাত শিলবৰীত আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। গৰুকেইটাৰ স'তে আৰক্ষীয়ে ডিআই চালক আব্দুল বাৰেক আৰু বেপাৰী ছাইদুৰ ৰহমানক আটক কৰে। আব্দুল বাৰেকৰ ঘৰ দৰঙৰ নদীৰ কাষ গাঁৱত ছাইদুৰ ৰহমানৰ ঘৰ বিলপাৰত বুলি সদৰী কৰিছে। শিলবৰী আৰক্ষীয়ে আটক কৰা দুজনক আজি জেললৈ প্ৰেৰণ কৰে।

**নাবালিকাক ধৰ্ষণৰ অপচেষ্টাক কেন্দ্ৰ কৰি সংঘটিত হয় আক্ৰমণৰ ঘটনা**

## ধিঙৰ বৰবিল মাজু চৰত দুই ফৈদৰ মাজত প্ৰচণ্ড মাৰপিট

বিশেষ সংবাদদাতা

**নগাঁও, ৭ অক্টোবৰ ঃ** এগৰাকী কণমানি নাবালিকাক ধৰ্ষণৰ চেষ্টা কৰা ঘটনাক কেন্দ্ৰ কৰি ধিঙৰ বৰবিল মাজু চৰত আজি দুই ফৈদৰ মাজত প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হয়। অভিযোগ অনুসৰি, কাৰিজুল ইছলাম নামৰ এজন লোকে এগৰাকী কণমানি নাবালিকাক ধৰ্ষণৰ অপচেষ্টা চলায় যদিও কণমানিজনীয়ে চিঞৰ-বাখৰ কৰাত পৰিয়ালৰ লোকে কাৰিজুলৰ হাতৰ পৰা কোনোমতে ৰক্ষা কৰে নাবালিকাগৰাকীক। তাৰ পাছতে নাবালিকাৰ পৰিয়ালে ঘটনা সন্দৰ্ভত ধিং আৰক্ষী থানাত কাৰিজুল ইছলামৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। কিন্তু, অভিযুক্তৰ



বিৰুদ্ধে আৰক্ষী থানাত এজাহাৰ দাখিল কৰি ঘৰলৈ ওভতি যোৱাৰ পাছত কাৰিজুল ইছলামৰ পৰিয়ালৰ ১০-১৫ জনীয়া এটি দলে এজাহাৰকাৰী পক্ষক আক্ৰমণ কৰে। আৰক্ষী থানাত এজাহাৰ দাখিল কৰাৰ অপৰাধতেই আব্দুল আলী নামৰ লোক এজনৰ নেতৃত্বত হাতে হাতে দা, লাঠী আদি লৈ দলটোৱে আব্দুল জলিলৰ ঘৰত প্ৰৱেশ কৰি আব্দুল জলিলৰ পৰিয়ালৰ সদস্যৰ ওপৰত আক্ৰমণ কৰে। এই আক্ৰমণত আব্দুল জলিলসহ পৰিয়ালৰ ফৰিদা খাতুন, জুলফিকৰ আলী, জনাব আলী, আমিৰ হামজা বেয়াকৈ আঘাতপ্ৰাপ্ত হয়। বৰ্তমান আটাইকেইজন আহত ধিঙৰ এফআৰইউত চিকিৎসাধীন হৈ আছে।

## ভাৰতীয় ডাক বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী বংশী দত্তৰ মৃত্যু

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৭ অক্টোবৰ ঃ** শিৱসাগৰ ঢুলীয়াপাৰ নিবাসী, ভাৰতীয় ডাক বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা শিৱসাগৰ জিলা সাহিত্য সভা আৰু শিৱসাগৰ যুৱ দলৰ সম্পাদক সন্তোষ দত্তৰ পিতৃ বংশী দত্ত (৭৬)ৰ যোৱা নিশা ৯-৫০ বজাত নিজা বাসগৃহত মৃত্যু হয়। বিগত কিছুদিন ধৰি ৰোগাক্ৰান্ত অৱস্থাত থকা দত্তৰ দেহাৱসানৰ বাতৰি বিয়পি পৰাৰ লগে লগে অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে তিনি পুত্ৰ আৰু আত্মীয়-স্বজনক এৰি থৈ গৈছে। তেওঁৰ মৃত্যুত শিৱসাগৰ জিলা সাহিত্য সভা, শিৱসাগৰ যুৱদল, ৰংপুৰ সাহিত্য সভা, দুমহীয়া আলোচনী বৰ্ণম, কলঙ্গুপাৰ শাখা সাহিত্য সভা, শিৱসাগৰ ৰেলৱে কলনি, শ্ৰীশ্ৰীকৃষ্ণ ৰাসলীলা উদ্‌যাপন সমিতি, ৰংপুৰ বাৰ্তা, সদৌ অসম শিশুনাট সমাৰোহ উদ্‌যাপন সমিতি, ঢুলীয়াপাৰ ৰাস সমাজ, ঢুলীয়াপাৰ ভাগৱত সমাজ, ঢুলীয়াপাৰ যুৱ সমাজ, ঢুলীয়াপাৰ মহিলা সমাজকে আদি কৰি বহুতো অনুষ্ঠানে শোক প্ৰকাশ কৰিছে।

## ৰঙাপৰাৰ কণমানি শিল্পী মনীষা দত্তৰ ইণ্ডিয়া বুক ৰেকৰ্ডত স্থান লাভ

বিশেষ সংবাদদাতা



**ৰঙাপৰা, ৭ অক্টোবৰ ঃ** সংগীত হৈছে সাধানা। সাধানাৰ জৰিয়তে ফল লাভ হয় তাৰে যেন প্ৰমাণ কৰি দেখুৱালে ৰঙাপৰাৰ নামনিগাঁৱৰ বাসিন্দা জীৱন দত্ত আৰু মৌহুৱা দত্তৰ জীয়ৰী মনিষা দত্তই (ছয়)। মাত্ৰ তিনি বছৰ বয়সৰ পৰা সংগীতৰ পৃথিৱীত মনীষাই শিক্ষা আৰম্ভ কৰে। সেই সময়ৰ পৰা প্ৰাচীন কলা কেন্দ্ৰ চণ্ডীগড় বিশ্ববিদ্যালয়ৰ অধীনৰ ৰঙাপৰাৰ নৱ উদ্দীপন মিউজিক এণ্ড আৰ্ট ইনষ্টিটিউটৰ প্ৰশিক্ষক প্ৰদীপ কুমাৰ সেন আৰু কল্পনা সেনৰ তত্ত্বাৱধানত সংগীতৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আহিছে। ৰঙাপৰা চেন্ট পলছ ইংৰাজী বিদ্যালয়ৰ প্ৰাক্ প্ৰাথমিক শ্ৰেণীত অধ্যায়ন কৰা মনীষাই চলিত বৰ্ষত ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছত চাৰিটা ভাষাত ইংৰাজী, বাংলা, অসমীয়া, হিন্দী, শাস্ত্ৰীয় সংগীতত আৰু ৰাষ্ট্ৰীয় সংগীত পৰিবেশন কৰি স্থান লাভৰে সন্মান বুটলিবলৈ সক্ষম হয়। ইতিমধ্যে শিল্পীগৰাকীয়ে মানপত্ৰ, মেডেল লাভ কৰিছে যদিও ২০২৩ৰ ২৬ জানুৱাৰীত দিল্লীত অনুষ্ঠিত হ'বলগীয়া সম্বৰ্ধনা অনুষ্ঠানৰ বাবে নিমন্ত্ৰণ লাভ কৰিছে কণমানিগৰাকীয়ে। তদুপৰি শিল্পীগৰাকীয়ে সংগীতত সুন্দৰ প্ৰদৰ্শনৰ বাবে এছিয়া বুক অৱ ৰেকৰ্ড, আৰু ৱৰ্ল্ড বুক অৱ ৰেকৰ্ডৰ বাবে নাম অনুমোদনৰ সুবিধা লাভ কৰা বুলি পৰিয়ালৰ লোকে জানিবলৈ দিয়ে। উল্লেখ্য যে চাৰি বছৰৰ বয়সৰ পৰা কণমানি শিল্পীগৰাকীয়ে নিতৌ হাৰম'নিয়াম, ভাৰতীয় শাস্ত্ৰীয় সংগীত চৰ্চাত নিজকে মনোনিবেশ কৰি ৰাখিছে। কণমানি শিশুশিল্পীৰ এই সফলতাৰ বাবে অঞ্চলটোৰ সাংস্কৃতিকপ্ৰেমী ৰাইজে ভৱিষ্যতে কণমানি শিল্পীগৰাকী আগবাঢ়ি যাব পাৰিব বুলি আশা প্ৰকাশ কৰিছে।

## দিহিং নৈত মাছ ধৰিবলৈ গৈ যুৱক সন্ধানহীন

অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ৭ অক্টোবৰ ঃ** দুলীয়াজানৰ বামুণ গাঁৱৰ এজন যুৱক কালি বিয়লি দিহিং নৈত মাছ ধৰিবলৈ গৈ সন্ধানহীন হৈ থকাৰ বিষয়ে পৰিয়ালে সাংবাদিকক জানিবলৈ দিছে। সন্ধানহীন হৈ থকা যুৱকজন হৈছে দুলীয়াজান আৰক্ষী থানাৰ অন্তৰ্গত বামুণ গাঁৱৰ নিবাসী প্ৰয়াত শৈলেন দাসৰ পুত্ৰ বিশ্বজিৎ দাস (৩৩)। স্থানীয় লোকে সদৰী কৰা অনুযায়ী কালি পুৱা বিশ্বজিতে গাঁৱৰ কাষতে অৱস্থিত বুঢ়ীদিহিং নৈত মাছ ধৰাৰ পাছত বিয়লি পুনৰ নৈত মাছ ধৰিবলৈ গৈছিল। বিয়লি নৈত মাছ ধৰি থকাৰ সময়তে পিছলি নৈত পৰি যায় বুলি স্থানীয় লোকে প্ৰত্যক্ষ কৰে বুলি সাংবাদিকক জানিবলৈ দিয়ে। ঘটনাৰ সন্দৰ্ভত স্থানীয় লোকে পৰিয়াল তথা দুলীয়াজান আৰক্ষী থানাত ততাতৈয়াকৈ অৱগত কৰে। ঘটনাৰ খবৰ পায়েই আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় লোকৰ সহযোগত নৈত সন্ধান চলায় যদিও কোনো সন্ধান উলিয়াবলৈ সক্ষম নহয়। আজি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা উদ্ধাৰকাৰী দলে পুনৰাৰে পৰা নৈত যুৱকজনৰ সন্ধানত অভিযান চলাই যদিও বাতৰি লিখা পৰ্যন্ত কোনো সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই।

## চাৰিখন বলেৰ' পিক্‌আপ ভানত ৩২টা গৰু উদ্ধাৰ ঃ সাতজন আটক

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৭ অক্টোবৰ ঃ** শিৱসাগৰ আৰক্ষীয়ে নিশা অভিযান চলাই নগৰৰ সমীপৰ বনীয়াবাৰী চাৰিআলিৰ পৰা চাৰিখন গৰুভৰ্তি বলেৰ' পিক্‌আপ জব্দ কৰাৰ লগতে ৩২ টা গৰু উদ্ধাৰ কৰাৰ উপৰি সাতজন লোকক আটক কৰে। চিলাপথাৰৰ পৰা দিচাংমুখ হৈ শিৱসাগৰেদি চুবুৰীয়া ৰাজ্য নগালেণ্ডলৈ যোৱাৰ সময়তেই আৰক্ষীৰ অভিযানত জব্দ হয় গৰুভৰ্তি বলেৰ' গাড়ীকেইখন। বিশেষ সূত্ৰৰ পমখেদি শিৱসাগৰ আৰক্ষীয়ে চলোৱা এই অভিযানত -এএছ-০৪ বি চি-৭০৩০, এএছ-০৪ বিচি-৬৪৭৩, এএছ-০৩ চিচি-৩২৫৫ আৰু এএছ-০৩ চিচি- ৩০৪০ নম্বৰৰ বলেৰ' পিক্‌আপ গাড়ীকেইখন জব্দ কৰাৰ উপৰি দিচাং ঘাটৰ ছফিকুৰ ৰহমান (২৫), মুকিবুৰ ৰহমান (৩০), আফতাব আলী (২৩), নামতি বৰছলাৰ সঞ্জয় বৰা (৩২), ডিমৌমুখ ৰিৰিয়াৰ ইমদাদ আহমেদ (৩৬), দিচাং হালোৱাটিঙৰ বুবুটু আলী (২২) আৰু নগাঁৱৰ ছইফুল ইছলাম (২৬)ক আটক কৰে। অৱশ্যে ঘটনাস্থলীৰ পৰা পলায়ন কৰিবলৈ সক্ষম হয় আৰু এখন গৰুভৰ্তি বলেৰ' গাড়ী। প্ৰতিখন গাড়ীতেই আঠটাকৈ মুঠ ৩২ টা গৰু আছিল আৰু কোনো এখন গাড়ীত কেটেল পাৰ্মিট নাছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। গৰুসমূহৰ লগত ৰাজমাইৰ পশু বজাৰৰ ৰছিদ উদ্ধাৰ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষীয়ে প্ৰকৃততে এই ঘটনা গৰু চুৰি চক্ৰৰ স'তে জড়িত হয় নে নহয় সেই সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। গৰুসমূহ বৰ্তমান শিৱসাগৰ সদৰ থানাত ৰখা হৈছে।

## ডিমৌত জ্যেষ্ঠ নাগৰিকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ৭ অক্টোবৰ ঃ** ডিমৌৰ দিহাজানৰ নিবাসী তাহেৰ ভূএগ (৭৩)ৰ কালি বাংগালুৰুত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। আজি বিমানযোগে বেংগালুৰুৰ পৰা ভূএগৰ মৃতদেহ ডিমৌলৈ আনি দিখাৰী তিনিআলি কবৰস্থানত জানাজা সম্পন্ন কৰা হয়। ব্যৱসায়ী তথা ধৰ্মপ্ৰাণ লোকজনৰ মৃত্যুত বহুজনে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, কন্যা আৰু পুত্ৰ এৰি থৈ গৈছে।

## ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰ দেউচুঙাত মৃত বনৰীয়া হাতী উদ্ধাৰ



অগ্ৰদূত বাৰ্তা

**টংলা, ৭ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তবৰ্তী অঞ্চলসমূহত হাতী-মানুহৰ সংঘাত অব্যাহত থকাৰ সময়তে আজি জিলাখনৰ ভাৰত-ভূটান সীমান্তৰ বৰনদী অভয়াৰণ্যৰ অন্তৰ্গত দেউচুঙাৰ মালা ডোঙৰ সমীপত নিকটৱৰ্তী গাঁৱৰ লোকে এটা মৃত বনৰীয়া হাতী প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়ে। পাছত বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ মৃত বনৰীয়া হাতীটো পশু চিকিৎসকৰ দ্বাৰা মৰণোত্তৰ পৰীক্ষা কৰি পুতি থয়। বন বিভাগে জানিব দিয়া অনুসৰি, প্ৰায় ২০ বছৰীয়া বনৰীয়া হাতীটো আঠ ফুট ওখ আৰু ১০.৫ ফুট দীঘল। প্ৰাথমিক পৰ্যায়ত খাদ্যত বিষক্ৰিয়াৰ ফলত নতুবা হৃদক্ৰিয়া বন্ধ হোৱাৰ ফলতে বনৰীয়া হাতীটোৰ অস্বাভাৱিক মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে বন বিভাগে। উল্লেখ্য যে খাদ্য আৰু বিচৰণস্থলীৰ অভাৱত জাকে জাকে বনৰীয়া হাতী ইতিমধ্যে মানুহৰ বসতিস্থলত খাদ্যৰ সন্ধানত দিনে দিশাই সন্ত্ৰাসৰ সৃষ্টি কৰাৰ ফলত হাতী-মানুহৰ মাজত সংঘাত দিনক দিনে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

# অষ্ট্ৰিয়াত এমট্ৰনৰ প্ৰতিনিধি দল ঃ লক্ষ্য কাৰিকৰী সহযোগিতা-বিনিয়োগ বৃদ্ধি



**গুৱাহাটী, ৭ অক্টোবৰ ঃ** অসম চৰকাৰৰ তথ্যপ্ৰযুক্তি প্ৰতিষ্ঠান 'এমট্ৰন'ৰ অধ্যক্ষ, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ নেতৃত্বত এটা উচ্চস্তৰীয় প্ৰতিনিধি দলে প্ৰযুক্তি হস্তান্তৰ, কাৰিকৰী সহযোগিতা আৰু বৈদেশিক বিনিয়োগৰ জৰিয়তে ৰাজ্যখনত তথ্যপ্ৰযুক্তিৰ উন্নয়ন আৰু সম্ভাৱনা বৃদ্ধিৰ লক্ষ্যৰে অষ্ট্ৰিয়া চৰকাৰৰ আমন্ত্ৰণ ক্ৰমে দেশখন ভ্ৰমণ কৰি তথ্যপ্ৰযুক্তি খণ্ডৰ বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠান পৰিদৰ্শন কৰে। ভ্ৰমণ কালত এমট্ৰনৰ প্ৰতিনিধি দলটোৱে চৰকাৰৰ বিষয়াৰ সহযোগত দেশখনৰ এআই/এম এল, বায়'টেকন'লজী, স্মাৰ্ট চিটি, অট'ম'বাইল, থ্ৰি ডি প্ৰিণ্টিং, স্মাৰ্ট চি এন জি মেচিন, ড্ৰ'ন টেকন'লজী, ডিজিটেল মিডিয়া, স্মাৰ্ট বেটাৰী, স্মাৰ্ট এনাৰ্জী, স্মাৰ্ট ক্লাছ আৰু ভাৰতীয় প্ৰয়োজনীয়তা পূৰণৰ স'তে সংগতি থকা বিভিন্ন স্মাৰ্ট টেকন'লজীৰ ক্ষেত্ৰত পাৰদৰ্শিতাৰে কৰ্মৰত বিভিন্ন বিশ্ববিদ্যালয় আৰু ষ্টাৰ্ট আপ উদ্যোগীৰ স'তে আলোচনাত মিলিত হয়। এমট্ৰনে এই ক্ষেত্ৰৰ পাৰদৰ্শী বিশেষজ্ঞ প্ৰতিষ্ঠানক দ্বিপাক্ষিক চুক্তিৰ আধাৰত ভাৰতৰ জৰিয়তে দক্ষিণ-পূব এছিয়াত বাণিজ্যিক ভেটি স্থাপনৰ বাবে কামৰূপ জিলাৰ বঙৰাত এমট্ৰনৰ উদ্যোগত স্থাপন কৰা টেকচিটীত কাৰ্যালয় তথা উৎপাদন গোট স্থাপনৰ বাবে সহযোগিতা আগবঢ়াব। উক্ত প্ৰতিষ্ঠানসমূহে এমট্ৰনৰ সহযোগত ৰাজ্যখনত বিভিন্ন ইলেক্ট্ৰনিক হাৰ্ডৱেৰৰ উন্নয়ন আৰু উৎপাদন আৰম্ভ কৰাৰ লগে লগে বৃহৎ বাণিজ্যিক সম্ভাৱনাৰ দুৱাৰ মুকলি হ'ব বুলি আশা কৰা হৈছে। উল্লেখ্য যে গুৱাহাটীৰ সমীপৰ বঙৰাত স্থাপন কৰা টেকচিটীত ইতিমধ্যে কে'বাটাও ৰাষ্ট্ৰীয় আৰু বহুজাতিক কোম্পানীয়ে উৎপাদন আৰু ব্যৱসায় সম্পৰ্কীয় প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰিছে। এই টেকচিটীতে যোৱা আগষ্টত ৰাজ্যৰ তথ্যপ্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই মুকলি কৰা উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথমখন ড্ৰ'ন স্কুলত নিয়মিতভাৱে ড্ৰ'ন পাইলট প্ৰশিক্ষণ আগবঢ়াই থকা হৈছে। এমট্ৰনৰ অধ্যক্ষ বিধায়ক কলিতাই কয়, 'তথ্যপ্ৰযুক্তিৰ ক্ষেত্ৰত অসমক দক্ষিণ-পূব এছিয়াৰ উল্লেখনীয় উৎপাদন আৰু বাণিজ্যিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে এমট্ৰনে এই পদক্ষেপ গ্ৰহণ কৰিছে। এমট্ৰন টেকচিটী অচিৰেই সমগ্ৰ পূব ভাৰতৰ সৰ্ববৃহৎ টেকন'লজী হাব হিচাপে গঢ় লৈ উঠিব। ইয়াৰ জৰিয়তে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে নিয়োগৰ সুবিধা সৃষ্টিৰ লগতে স্বনিয়োজনৰ পথ মুকলি হ'ব।' প্ৰতিনিধি দলটোত অধ্যক্ষ কলিতাৰ লগতে উপাধ্যক্ষ ৰিতু বৰণ শৰ্মা, প্ৰৱন্ধক শ্যামল ভূএগও আছে।

## বোকাজান ৰেল আৰক্ষীৰ জালত দুই মহিলা ড্ৰাগছ সৰবৰাহকাৰী

**বোকাজান, ৭ অক্টোবৰ ঃ** এক বিশেষ খবৰৰ ভিত্তিত বোকাজান ৰেল আৰক্ষীয়ে অভিযান চলাই ৰেল ষ্টেছনৰ পৰা বৃহৎ পৰিমাণৰ হেৰ'ইনসহ আটক কৰে দুই মহিলা সৰবৰাহকাৰীক। আৰক্ষীৰ সূত্ৰ অনুসৰি, বোকাজান ৰেল ষ্টেছনত বৈ থকা অৱস্থাত আটক কৰা হয় মহিলা দুগৰাকীক। মহিলা দুগৰাকী উজনিমুৱা মৰিয়নি এক্সপ্ৰেছৰ জৰিয়তে তিনিচুকীয়ালৈ যাবৰ বাবে বৈ আছিল। আৰক্ষীয়ে মহিলা দুগৰাকীক তালাচী চলাই আৰু তেওঁলোকৰ শৰীৰত বিশেষভাৱে লুকুৱাই অনা ২০ টা হেৰ'ইনভৰ্তি চাবোনৰ বাকচ উদ্ধাৰ কৰে। জব্দকৃত হেৰ'ইনখিনিৰ ওজন ২৪৬.৯৫ গ্ৰাম যাৰ বজাৰ মূল্য ৫০ লক্ষাধিক টকা বুলি আৰক্ষীয়ে উল্লেখ কৰে। আটকাধীন মহিলা দুগৰাকী হ'ল গোলাঘাট মেৰাপানীৰ মনীষা সন্দিকৈ আৰু ডিমাপুৰ হাফ নগাজানৰ ৰিংকি দাস। আৰক্ষীয়ে সম্প্ৰতি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে সৰবৰাহকাৰী মহিলা দুগৰাকীক।

# ৰাষ্ট্ৰীয় ক্ৰীড়াত জয়েৰে অভিযান অলিম্পিয়ান শিৱৰ

## দ্বিতীয় ৰাউণ্ডলৈ যোগ্যতা মঞ্জু বসুমতাৰীৰ

**আহমেদাবাদ, ৭ অক্টোবৰ ঃ** দেশৰ তাৰকা পুৰুষ বক্সাৰ অসম সন্তান শিৱ থাপাই চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত জয়েৰে নিজৰ অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে আজি গান্ধী মন্দিৰৰ বক্সিং ৰিঙত হোৱা পুৰুষৰ ৬৭ কিলোগ্ৰাম শাখাৰ খেলত শিৱৰ প্ৰতিদ্বন্দ্বী আছিল গুজৰাটৰ অনিকেট জনাৰ্দন পাণ্ডে। দুবাৰৰ অলিম্পিয়ান তথা অৰ্জুন বঁটা লাভ কৰা শিৱই ন মিনিটৰ মেচখনত হেলাৰঙে ৫-০ ৰ ব্যৱধানত ঘৰুৱা বক্সাৰজনক পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। ইফালে, আজি অসম কন্যা বক্সাৰ মঞ্জু বসুমতাৰীয়েও প্ৰথম ৰাউণ্ডৰ দেওনা পাৰ কৰিবলৈ সক্ষম হৈছে। মহিলাৰ ৫২ কিলোগ্ৰাম শাখাত খেলা মঞ্জুই গুজৰাটৰে হিটল সুন্দৰজি ডামাক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। উল্লেখ্য যে ইতিমধ্যে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বক্সিঙত অসমৰ খেলুৱৈয়ে প্ৰত্যাশিত আৰম্ভণি কৰিছে। টকিঅ' অলিম্পিকৰ ব্ৰঞ্জজয়ী খেলৰত্ন সন্মান লাভ কৰা অসম কন্যা লাভলীনা বৰগোহাঁয়ে ৭০-৭৫ কিলোগ্ৰাম শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত প্ৰতিদ্বন্দ্বীক নকআউট কৰাৰ পাছত মহিলাৰ ৫৪ কিলোগ্ৰাম শাখাত খেলা বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জজয়ী যমুনা বড়ো আৰু ৬৬ কিলোগ্ৰাম শাখাত অংশ লোৱা প্ৰাক্তন জুনিয়ৰ বিশ্ব চেম্পিয়ন অংকুশিতা বড়োৱেও জয়েৰে অভিযান আৰম্ভ কৰিছে। এতিয়া খেলিব আছে ৬০ কিলোগ্ৰাম শাখাত ফাইলাও বসুমতাৰীয়ে। অৱশ্যে পুৰুষ বক্সাৰ ৰৌচন সোনাৰে প্ৰথম ৰাউণ্ডতে বিদায় লয়।




## আই এছ এলত আজি নৰ্থ ইষ্ট ইউনাইটেডৰ অভিযান

**বাংগালুৰু, ৭ অক্টোবৰ ঃ** নৰম হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল) ত কাইলৈ অভিযান আৰম্ভ কৰিব উত্তৰ-পূৰ্বৰ দল নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে। উল্লেখ্য যে নতুন ছিজনৰ প্ৰথম মেচত নৰ্থ ইষ্ট ইউনাইটেডৰ প্ৰতিদ্বন্দ্বী হ'ল আই এছ এলৰ পূৰ্ব চেম্পিয়ন বাংগালুৰু এফ চি। কাইলৈ বাংগালুৰুৰ শ্ৰী কান্টিৰাবা ষ্টেডিয়ামত হ'বলগা মেচখনত ঘৰুৱা দল বাংগালুৰু এফ চিয়ে ফেভাৰিট। কাৰণ নৰ্থ ইষ্ট ইউনাইটেডে আই এছ এলৰ ইতিহাসত কেতিয়াও এই ষ্টেডিয়ামত মেচ জয় কৰা নাই। বাংগালুৰু এফ চিৰ ঘৰুৱা খেলপথাৰত নৰ্থ ইষ্ট ইউনাইটেডে এতিয়ালৈকে ছয় খন মেচ খেলিছে আৰু ইয়াৰে চাৰিখনত পৰাস্ত হোৱাৰ বিপৰীতে দুখন মেচ ড্ৰ কৰিবলৈ সক্ষম হৈছে। আনহাতে, বাংগালুৰু দলৰ বিৰুদ্ধে নৰ্থ ইষ্ট ইউনাইটেডৰ সফলতাৰ পৰিসংখ্যাও সুখৰ নহয়। উভয় দলে আই এছ এলত এতিয়ালৈকে ১২ খন মেচ খেলিছে। ইয়াৰে ছয় খনতে বাংগালুৰু এফ চিয়ে জয়লাভ কৰাৰ বিপৰীতে চাৰিখন মেচ ড্ৰ হৈছে। আনহাতে, নৰ্থ ইষ্ট ইউনাইটেডে গুৱাহাটীত খেলা দুখন মেচত জয়লাভ কৰাটোৱে বাংগালুৰুৰ বিৰুদ্ধে এতিয়ালৈকে একমাত্ৰ সফলতা। যোৱা ছিজনত নৰ্থ ইষ্ট ইউনাইটেডে লীগত দশম স্থান দখল কৰিছিল আৰু গ'ল দিছিল ৪৩টা। এইবাৰ দলে নিজৰ ডিফেন্স কঠিন কৰি তুলিবলৈ গৌৰৱ বৰা, মাইকেল জেকবচেন, এৰন ইভান্স আৰু অৰিন্দম ভট্টাচাৰ্যৰ দৰে খেলুৱৈক আনিছে। আনহাতে, নাইজেৰিয়াৰ ষ্ট্ৰাইকাৰ চিলভেষ্টাৰ ইমেকা ইগবাউনক লৈছে দলে। এমিল বেনী আৰু জিথিনৰ লগতে আশাব্যঞ্জক কিশোৰ পাৰ্থিব গগৈকো চুক্তিবদ্ধ কৰিছে।



## দুটা ডাঙৰ শ্বট মাৰিব পাৰিলেই মেচ জয় নিশ্চিত আছিল ঃ ছেমছন



**লক্ষ্ণৌ, ৭ অক্টোবৰ ঃ** দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত ভাৰতে মাত্ৰ দুটা ডাঙৰ শ্বট মাৰিব নোৱাৰাৰ বাবে পৰাস্ত হৈছিল বুলি ব্যক্ত কৰিছে উইকেট ৰক্ষক বেটছমেন সঞ্জু ছেমছনে। উল্লেখ্য যে ভাৰতে আৰু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত ন ৰাণত পৰাস্ত হৈছে। যোৱানিশা লক্ষ্ণৌত হোৱা মেচখনত বৰষুণে বাধা দিয়াত উভয় দলে ৪০ অভাৰকৈ খেলে। পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই ডেভিদ মিলাৰ (৭৫ৰ আৰু ক্লাছেনৰ (৭৪ৰ অপৰাজিত বেটিঙৰ লগতে শতকীয় যুটীৰ সহায়ত চাৰি উইকেটত ২৪৯ ৰাণ কৰে। দলৰ হৈ ৪৮ ৰাণ কৰে ডিক'কে। প্ৰত্যুত্তৰত ভাৰতে নিৰ্ধাৰিত ৪০ অভাৰত আঠ উইকেট হেৰুৱাই ২৪০ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ শ্ৰেয়াছ আয়াৰে ৫০, ছাৰ্দুল ঠাকুৰে ৩৩ আৰু সঞ্জু ছেমছনে অপৰাজিত ৮৬ ৰাণ কৰে। 'মই উইকেটত সময় কটাবলৈ ভাল পাওঁ। মেচখনত জয়ী হ'বলৈ চেষ্টা কৰিছিলো। মই মাত্ৰ দুটা শ্বট মৰাত ব্যৰ্থ হ'লো। এটা বাউণ্ডেৰী আৰু এটা ছিক্সাৰ। মই পৰৱৰ্তী মেচত সেইটো পূৰণ কৰিবলৈ চেষ্টা কৰিম। কিন্তু মই মোৰ প্ৰদৰ্শনত সুখী।' কালি মচৰ পিছৰ সংবাদমেলত এইদৰে কয় ছেমছনে। উল্লেখ্য যে অন্তিম অভাৰত চেমছনে ছামছিক এটা ছিক্সাৰ আৰু তিনিটা বাউণ্ডেৰীত আঘাত কৰি ২০ ৰান সংগ্ৰহ কৰে যদিও সেয়া যথেষ্ট নহ'ল।

## আজি পদকৰ লক্ষ্যৰে খেলিব শিৱাংগী শৰ্মাই

**আহমেদাবাদ, ৭ অক্টোবৰ ঃ** ৰাজকোটৰ ছুইমিং পুলত কাইলৈ সাঁতোৰত পদকৰ লক্ষ্যৰে খেলিব অসমৰ শিৱাংগী শৰ্মাই। চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত মহিলাৰ ৫০ মিটাৰ ফ্ৰী ষ্টাইলত ইতিমধ্যে ব্ৰঞ্জ পদক অৰ্জন কৰা শিৱাংগীয়ে কাইলৈ মহিলাৰ ১০০ মিটাৰ ফ্ৰী ষ্টাইলত ব্যক্তিগত দ্বিতীয়টো পদক জয়ৰ লক্ষ্যৰে ৰাজকোটৰ ছুইমিং পুলত নামিব। উল্লেখ্য যে অসমৰ যিসকল খেলুৱৈৰ পৰা ৰাজ্যবাসীয়ে পদক আশা কৰিছিল তাৰভিতৰত অন্যতম আছিল তিনি নৱাগত সন্তৰণবিদ আস্থা চৌধুৰী, শিৱাংগী আৰু বিক্ৰম চাংমাই। ৰাজ্যবাসীৰ প্ৰত্যাশা পূৰ্ণ কৰি ৰাজকোটৰ ছুইমিং পুলত গৌৰৱ অৰ্জন কৰিছে অসমৰ সন্তৰণবীদে। আস্থাই নতুন অভিলেখ গঢ়ি এটা সোণ আৰু এটা ৰূপ তথা বিক্ৰমে দুটা ৰূপ লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে, চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আৰম্ভ হৈছে উশ্মু। অসমৰ খেলুৱৈৰ পদক জয়ৰ সম্ভাৱনা আছে উশ্মুতো।

## দক্ষিণ হাউলী চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, শালবাৰী,৭ অক্টোবৰ ঃ** ইউপিপিএলৰ যুৱ শাখাৰ শালবাৰী জিলা সমিতিৰ উদ্যোগত চলি থকা আন্তঃপ্ৰাথমিক ফুটবল টুৰ্ণামেণ্টত দক্ষিণ হাউলী প্ৰাথমিক ফুটবল ক্লাৱে চেম্পিয়নশ্বিপ অৰ্জন কৰে। আজি শালবাৰী মহাবিদ্যালয় খেল পথাৰত অনুষ্ঠিত ফাইনেল খেলত বাঁহবাৰী প্ৰাথমিক ফুটবল ক্লাৱক টাইব্ৰেকাৰত ৪-৩ গলত পৰাজিত কৰি দক্ষিণ হাউলী প্ৰাথমিক ফুটবল ক্লাৱে চেম্পিয়নশ্বিপ অৰ্জন কৰে। নিৰ্ধাৰিত সময়ত খেলখন ১-১ গলত ড্ৰ হৈ আছিল। ফাইনেল খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে বিজয়ী দলৰ ৰাজকুমাৰ বড়োৱে। ফাইনেল খেলখন আৰম্ভণিতে উদ্বোধন কৰে বিটিআৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য দাওবাইছা বড়োৱে।

## কে এফ চিৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৭ অক্টোবৰ ঃ** জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত দলংঘাটৰ বৰমণিপুৰস্থিত সন্থাৰ নিজা খেলপথাৰত সদৌ অসম ভিত্তিত চলি থকা চলন্ত ট্ৰফী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত নগাঁৰৰ কে.এফ.চি ক্লাৱে মাজগাঁও কোচিং চেণ্টাৰক ৭-০ গ'লত হৰুৱাই অগ্ৰগতি কৰিছে। একপক্ষীয় খেলখনত কে.এফ.চি ক্লাৱৰহৈ ধন দাস আৰু ভৰেন পাটৰে তিনিটাকৈ তথা ভাৰ্গৱ সোনোৱালে এটা গ'ল দিয়ে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী আজিজুল্লা খানক সহায় কৰে ইনামুল হুছেইন, ফাইজ উদ্দিন আহমেদ আৰু মুছলেহ উদ্দিন আহমেদে।

## নৱজ্যোতি ফাইনেলত

**অগ্ৰদূত বাৰ্তা, মৰিগাঁও,৭ অক্টোবৰ ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় ক্ষীৰোদ বৰুৱাৰ ষ্টেডিয়ামত চলি থকা আন্তঃ ক্লাব এ ডিভিজন ফুটবল প্ৰতিযোগিতাত নৱজ্যোতি ক্লাব ফাইনেলত প্ৰবেশ কৰিছে। আজিৰ অনুষ্ঠিত হোৱা নকআউট পৰ্যায়ৰ দ্বিতীয়খন ছেমি ফাইনেল খেলত নৱজ্যোতি ক্লাৱে ৰাণা ক্লাৱক ৫-০ গলৰ ব্যৱধানত পৰাজিত কৰে। অহা ন অক্টোবৰত অনুষ্ঠিত হবলগীয়া ফাইনেল খেলত নৱজ্যোতি ক্লাব আৰু বলব'ম এফ চি মুখামুখি হ'ব। আজি অনুষ্ঠিত হোৱা খেলখনত নৱজ্যোতি ক্লাবৰ মুস্তাক আলিয়ে হেট্ৰিক অৰ্জন কৰে।

## অন্তিম পাঁচ অভাৰত বলাৰে অধিক ৰাণ খৰছ কৰিছিল

## দুৰ্বল ফিল্ডিং পৰাজয়ৰ কাৰণ ঃ শিখৰ



**লক্ষ্ণৌ, ৭ অক্টোবৰ ঃ** ভাৰতে আৰু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত ন ৰাণত পৰাস্ত হৈছে। এই ব্যৰ্থতাৰ পাছত দলৰ অধিনায়ক শিখৰ ধাৱানে পৰাজয় স্বীকাৰ কৰি কয় যে টীম ইণ্ডিয়াই ডেথ অভাৰত অত্যধিক ৰাণ বিপক্ষক দিয়াৰ লগতে খেলপথাৰত দলে বেয়া ফিল্ডিং কৰাৰ ফলতে শৃংখলাৰ প্ৰথম এদিনীয়াত পৰাজয়ৰ সন্মুখীন হ'বলগা হয়। উল্লেখ্য যে লক্ষ্ণৌত হোৱা মেচখনত বৰষুণে বাধা দিয়াত উভয় দলে ৪০ অভাৰকৈ খেলে। পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই ডেভিদ মিলাৰ (৭৫ৰ আৰু ক্লাছেনৰ (৭৪ৰ অপৰাজিত বেটিঙৰ লগতে শতকীয় যুটীৰ সহায়ত চাৰি উইকেটত ২৪৯ ৰাণ কৰে। অন্তিম পাঁচ অভাৰত ভাৰতীয় বলাৰসকলে ৫৪ ৰান খৰছ কৰাৰ বিপৰীতে টীম ইণ্ডিয়াই আউটফিল্ডত চাৰিটাকৈ কেচ ড্ৰপ কৰিছিল। ধাৱানে লগতে কয় 'উইকেট অনুযায়ী ২৫০ ৰান বহুত বেছি। আমি টাৰ্ণিং উইকেটত অত্যধিক ৰান দিলোঁ। আমাৰ ফিল্ডিং বৰ ভাল হোৱা নাছিল। অৱশ্যে এই মেচ আমাৰ বাবে এটা ভাল শিক্ষাৰ অভিজ্ঞতা। ইফালে, দক্ষিণ আফ্ৰিকাৰ অধিনায়ক টেম্বা বাভুমাই কয় যে সঞ্জু ছেমছনে বেটিং কৰি থকা সময়ত দল চাপত আছিল যদিও তেওঁ সুখী যে তেওঁলোকে শেষত নিজৰ স্নায়ু ধৰি ৰাখিবলৈ সক্ষম হ'ল আৰু গুৰুত্বপূৰ্ণ বিজয় অৰ্জন কৰিলে।

## বিজনী-পৰ্বতঝৰা জিলা ক্ৰীড়া সন্থাৰ জয়লাভ

**অগ্ৰদূত ব্যুৰ, বঙাইগাঁও, ৭ অক্টোবৰ ঃ** চিৰাং জিলাৰ বিজনী চহৰত আজিৰে পৰা আৰম্ভ হৈছে ৫৮ সংখ্যক সন্তোষ লহকৰ ট্ৰফী ফুটবল প্ৰতিযোগিতা । অসম ফুটবল সন্থাৰ উদ্যোগত আৰু বিজনী জিলা ক্ৰীড়া সন্থাৰ সহযোগত বিজনী জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰত অনুষ্ঠিত প্ৰতিযোগিতাখনি উদ্বোধন কৰে অসম ফুটবল সন্থাৰ সাধাৰণ সম্পাদক হেমেন্দ্ৰ নাথ ব্ৰহ্মই। অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰী, বিজনী জিলা ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি বলোৰাম ব্ৰহ্ম, বিজনীৰ প্ৰাক্তন বিধায়ক কমলসিং নাৰ্জাৰী, বিজনী পৌৰসভাৰ সভাপতি গুণেশ্বৰ গয়াৰী, বিজনী জিলা ক্ৰীড়া সন্থাৰ সভাপতি ৰোমিও ব্ৰহ্মসহ কেবাজনো অতিথি উপস্থিত থাকে উদ্বোধনী এখন খেলত বিজনী জিলা ক্ৰীড়া সন্থাই বিলাসীপাৰা জিলা ক্ৰীড়া সন্থাক ২-০ গলত পৰাজিত কৰাৰ লগতে আনখন খেলত পৰ্বতঝৰা জিলা ক্ৰীড়া সন্থাই চিৰাং জিলা ক্ৰীড়া সন্থক ৩-১ গলত পৰাভূত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।

## ৰহাৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৭ অক্টোবৰ ঃ** নগাঁও জিলাৰ কাছমাৰী ক্ৰীড়া সন্থাৰ উদ্যোগত পলাশতল কাছমাৰী হাইস্কুল খেলপথাৰত চলি থকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত ৰহা ফুটবল ক্লাবে টকৌবাৰী ফুটবল ক্লাবক ৫-১ গ'লত হৰুৱাই অগ্ৰগতি লাভ কৰিছে। খেলখনত ৰহা ফুটবল ক্লাবৰ হৈ ৰূপজ্যোতি বৰদলৈয়ে দুটা, দীপজ্যোতি বৰদলৈ, তপন ডেকা আৰু গৌতম বঞ্জঞ্জয়ে এটাকৈ গল দিয়াৰ বিপৰীতে টকৌবাৰী ফুটবল ক্লাবৰ হৈ চুলতান দাসে প্ৰথমেই গলটো দিছিল।



**এছিয়া কাপত পাকিস্তানৰ বিৰুদ্ধে পৰাজয়ৰ পাছত হৰমনপ্ৰীত।**

## ৱাৰিয়ৰ্ছ ইণ্ডিয়া কোৱাৰ্টাৰত

**অগ্ৰদূত বাৰ্তা, ভেল্লা , ৭ অক্টোবৰ ঃ** বৰপেটাৰ ভেল্লাত চলি থকা সদৌ অসম প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আজিৰ তীব্ৰ উত্তেজনাময় খেলখনত গুৱাহাটীৰ ৱাৰিয়ৰ্চ ইণ্ডিয়াই জয়লাভ কৰি কোৱাৰ্টাৰত প্ৰৱেশ কৰে। ৱাৰিয়ৰ্চ ইণ্ডিয়াই সোনাপুৰ এফ চিক টাইব্ৰেকাৰৰ সহায়ত পৰাস্ত কৰে। নিৰ্ধাৰিত সময়ত ১-১ গলত ড্ৰ হৈছিল। **ডায়মণ্ড ক্লাৱ ফাইনেলত ঃ** বৰপেটাৰ নগাঁওত চলি থকা অসম ভিত্তিত প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাত নগাঁওৰ দামোৰাবোৰাৰ ডায়মণ্ড ক্লাৱে ফাইনেলত প্ৰৱেশ কৰে। মৰহুম চাহিদ আলী আৰু প্ৰয়াত ৰতন পাঠকৰ সোঁৱৰণীত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ ছেমিফাইনেলত ডায়মণ্ড ক্লাৱে ২-০ গলৰ ব্যৱধানত আগাছাক পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে।

## ছাব-জুনিয়ৰ ফুটবল

**অগ্ৰদূত বাৰ্তা, ছয়গাঁও, ৭ অক্টোবৰ ঃ** ছয়গাঁৱত আজিৰে পৰা আৰম্ভ হোৱা অসম আন্তঃ জিলা চাবজুনিয়ৰ ফুটবল প্ৰতিযোগিতাত নলবাৰী, শালবাৰী, বাগসা আৰু দক্ষিণ কামৰূপ জিলা দলে ছেমিফাইনেলত প্ৰবেশ কৰিছে । অসম ফুটবল সন্থাৰ তত্বাবধানত দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু জনজাতীয় স্প'ৰ্টিং ক্লাবৰ সহযোগত সতীন্দ্ৰ মোহন দেব ট্ৰফীৰ বাবে ই মণ্ডলৰ খেলসমূহ আজিৰে পৰা পাণ্টান হাইস্কুল আৰু কাহুৱা ৰাজহুৱা খেলপথাৰত আৰম্ভ হৈছে । আজি পুৱা অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত কাহুৱাৰ খেলখনত নলবাৰীয়ে বৰপেটাক টাইব্ৰেকাৰত ৫-৩ ত্মা১-১ৰ গলত, বিয়লি বাগসাই ৰঙিয়াক ১২-১ গলত আৰু পাণ্টানৰ খেলখনত শালবাৰীয়ে গুৱাহাটীক টাইব্ৰেকাৰত ৬-৫ ত্মা২-২ৰ গ'লত হৰুৱায়। আনহাতে দক্ষিণ কামৰূপে ৱাক অভাৰ লাভ কৰে । আজি প্ৰতিযোগিতাৰ আৰম্ভণিতে অসম ফুটবল সন্থাৰ পতাকা ৰাষ্ট্ৰীয় খেলুৱৈ মলং আও, দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ পতাকা সন্থাৰ কাৰ্যকৰী সভাপতি অমৰেন্দ্ৰ ঠাকুৰীয়া আৰু জনজাতীয় স্পোৰ্টিং ক্লাবৰ পতাকা প্ৰসন্ন বড়োৱে উত্তোলন কৰি আনুষ্ঠানিকভাবে প্ৰতিযোগিতা উদ্বোধন কৰে । উদ্বোধনী অনুষ্ঠানত সন্মানিত অথিথি ৰূপে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিযদৰ উপাধ্যক্ষ ৰমা কান্ত ৰাভা, সন্থাৰ উপ-সভাপতি খগেন্দ্ৰজিৎ ঠাকুৰীয়া আৰু দেৱজিৎ কলিতা উপস্থিত আছিল।

## ডুৰাণ্ড কাপৰ খিতাপে আমাক আত্মসন্তুষ্টি দিয়া নাই ঃ চাইমন


**বাংগালুৰু, ৭ অক্টোবৰ ঃ** বাংগালুৰু দলে ইতিমধ্যে এই ছিজনত ডুৰাণ্ড কাপ জয় কৰিছে। কাইলৈ নৱম হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল) ত বাংগালুৰুৱে অভিযান আৰম্ভ কৰিব উত্তৰ-পূৰ্বৰ দল নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ বিৰুদ্ধে। এইবাৰ দলে অভিজ্ঞ ফিজিৰ ফৰৱাৰ্ড ৰয় কৃষ্ণক ক্ৰয় কৰাৰ লগে লগে বেংগালুৰুত আই এছ এলৰ ইতিহাসৰ পাঁচজন আগশাৰীৰ গ'লদাতাৰ ভিতৰত দুজন আছে। প্ৰশিক্ষক চাইমন গ্ৰেছনে কয় 'ডুৰাণ্ড কাপ জয় কৰাৰ পিছত দলে আত্মসন্তুষ্টি লাভ কৰা নাই। বিগত সময়ৰ বিফলতাৰ পাছত আমি এটা ট্ৰফী লাভ কৰাটো এক সুন্দৰ আৰম্ভণি। কিন্তু আমি জানো যে আই এছ এল ডুৰাণ্ড কাপৰ তুলনাত বেলেগ। এইবাৰ আমাৰ দলত অভিজ্ঞ খেলুৱৈৰ লগতে নতুন প্ৰতিভাও আছে। আমি আই এছ এলত সফল প্ৰত্যাৱৰ্তন কৰিবলৈ দৃঢ়।' ইফালে, কাইলৈৰ মেচক লৈ নৰ্থ ইষ্টৰ প্ৰশিক্ষক মাৰ্কো বালবুলে কয় 'লীগৰ অন্যতম শক্তিশালী দলটোৰ বিৰুদ্ধে মেচখন কঠিন হ'ব। কিন্তু আমি ভাল প্ৰস্তুতি কৰিছো। আমি এটা নতুন যুৱ দল আৰু অভিজ্ঞ বিদেশীৰ সৈতে সাজু হৈছো। ছিজনৰ প্ৰথম খেলখনত জয়ী হ'বলৈ আমাৰ একত্ৰিত চেষ্টা থাকিব।' উল্লেখ্য যে ইভান্স আৰু জেকবচেনে নৰ্থ-ইষ্টৰ ডিফেন্সক শক্তিশালী কৰিব। ডেনমাৰ্কৰ ছুপাৰ লিগাত ২০০ খনতকৈও অধিক খেলত অংশগ্ৰহণ কৰা জেকবচেনে জাতীয় দলৰ হৈ পাঁচ খন খেল খেলিছে।



## নবীন শিল্পী সংঘ জয়ী

**অগ্ৰদূত বাৰ্তা, টিহু, ৭ অক্টোবৰ ঃ** দীঘেলী আঞ্চলিক প্ৰগতি সংঘৰ উদ্যোগত দীঘেলী হাইস্কুল খেলপথাৰত চলি থকা প্ৰাইজমানী ফুটবল খেলৰ আজিৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত হেলচাপাৰা যুৱক সংঘ আৰু যমুনাট্টাৰী নবীন শিল্পী সংঘৰ মাজত অনুষ্ঠিত হয়। খেলখনত যমুনাট্টাৰী নবীন শিল্পী সংঘ ৪-০ গলৰ ব্যৱধানত বিজয়ী হয়।

## ইষ্ট বেংগলৰ বিৰুদ্ধে কেৰালা ব্লাষ্টাৰ্ছৰ জয়



**কোচি, ৭ অক্টোবৰ ঃ** আজিৰে পৰা আৰম্ভ হৈছে নৱম হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল)। আজি কোচিৰ কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হোৱা উদ্বোধনী মেচত ঘৰুৱা দল কেৰালা ব্লাষ্টাৰ্ছ এফ চিয়ে ৩-১ গ'লত কলকাতাৰ দল ইষ্ট বেংগল এফ চিক পৰাস্ত কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছে। উল্লেখ্য যে পূৰ্বে উভয় দল চাৰিবাৰ মুখামুখি হৈছিল আৰু প্ৰথম তিনিখন মেচ ড্ৰ হোৱাৰ পাছত অন্তিম খেলত কেৰালা জয় হৈছিল। কেৰালাই সেই জয়যাত্ৰা এইবাৰো অব্যাহত ৰাখিলে। খেলৰ প্ৰথমাৰ্ধ আছিল বেচ ৰোমাঞ্চকৰ। ঘৰুৱা অনুৰাগীৰ সমৰ্থত কেৰালাই আৰম্ভণিৰ পৰাই আক্ৰমণ আৰম্ভ কৰে। দলে সকলো সঠিকভাবে কৰিছিল যদিও লক্ষ্যত উপনীত হোৱাত সৃষ্টিশীলতাৰ অভাৱ আছিল। কেৰালাই প্ৰথমে অগ্ৰগতি লাভ কৰাৰ এক সুন্দৰ সুযোগ লাভ কৰিছিল যদিও মাৰ্কো লেস্কোভিচে গ'ল কৰাত বিফল হয়। ইফালে, ঘৰুৱা দলটোৰ এটা ভুলে ইষ্ট বেংগলৰ এলেক্স লিমাক গ'লৰ সুযোগ দিছিল যদিও কেৰালাৰ গিলে অনন্যৰূপত ৰক্ষা কৰে। অৱশ্যে প্ৰথমাৰ্ধত কেৰেলাৰ ডিফেন্সক একেবাৰেই ভাবুকি দিব নোৱাৰিলে কলকাতাৰ দলটোৱে। দ্বিতীয়াৰ্ধৰ মেচ আৰম্ভ হোৱাত কেৰালাৰ আক্ৰমণ অপৰিবৰ্তীত থাকে। ইয়াৰ সুফলো দলে লাভ কৰে। ৭২ মিনিটত এড্ৰিয়ান লুনাই গ'ল কৰি কেৰালাক ১-০ ৰ অগ্ৰগতি দিয়ে। ১০ মিনিট পাছত ঘৰুৱা দলৰ অগ্ৰগতি ২-০ কৰে ইভানে (৮২ মিনিট)। বিপৰীতে ইষ্ট বেংগলৰ হৈ এলেক্স লিমাই ৮৮ মিনিটত গ'ল কৰি ব্যৱধান ২-১ কৰে যদিও ইভানে (৮৯ মিনিট) নিজৰ দ্বিতীয় গ'লেৰে কেৰালাৰ ৩-১ ৰ বিজয় নিশ্চিত কৰে। উল্লেখ্য যে কেৰালা ব্লাষ্টাৰ্ছ এফ চিয়ে লীগৰ পৰৱৰ্তী মেচখনো ঘৰতে খেলিব। কেৰালা মুখামুখি হ'ব এ টি কে মোহন বাগানৰ। ইফালে, ইষ্ট বেংগল এফ চিয়েও পৰৱৰ্তী মেচখন গৃহভূমিত খেলিব। দলৰ নিজৰ দ্বিতীয় মেচৰ প্ৰতিদ্বন্দ্বী হ'ল এফ চি গোৱা।

